# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Dimbeswar Neog. | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhaitāya Sabhaā Patrikaā | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1942-43 (1864 Sak) | Edition: |
| Size: 23 cms, 36+3+47 pages | Genre: Magazine |
| Volumes: 10 (3rd and 4th issue) | Condition of the original: Not bad |
| Remarks: 1st & 2nd issue of vol. 10 is not available | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

দশম বছৰ——চতুৰ্থ সংখ্যা

মাঘ – চ'ত, ১৮৬৪ শক

নং ৫০৪৫
তাং 2/12/2005
সাহিত্য সভা



শ্ৰীডিম্বেশ্বৰ নেওগ এম্-এ, বি-এড্, ৰি, বি-টি

সম্পাদিত

যোৰহাট চন্দ্ৰকান্ত সাহিত্য-মন্দিৰৰ পৰা

অসম সাহিত্য সভাৰ দ্বাৰা

প্ৰকাশিত

# সূচী


| | বিষয় | লেখক | পিঠি |
|---|---|---|---|
| ১। | তামোল-নোখোৱা সম্প্ৰদায় | শ্ৰীৰামেশ্বৰ বৰুৱা বি-এ | ৪১ |
| ২। | মুক্তাৱলী ( পদ্য ) ... | শ্ৰীচন্দ্ৰধৰ বৰুৱা সাহিত্যৰত্ন | ৫৪ |
| ৩। | বৈষ্ণৱ ধৰ্ম্মৰ ক্ৰমবিস্তাৰ | শ্ৰীডিম্বেশ্বৰ নেওগ এম-এ, বি-এচ্ ছি বি-টি | ৫৬ |
| ৪। | তীৰ্থ-জল ( পদ্য ) ... | শ্ৰীমহানন্দ বৰুৱা সাহিত্যভূষণ ... | ৭০ |
| ৫। | মাধৱ কন্দলি আৰু বৰাহ ৰজা | শ্ৰীৰাজমোহন নাথ বি-ই | ৭১ |
| ৬। | "শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বৰগীত" | শ্ৰীকালিৰাম মেধি এম-এ | ৭৯ |


# নিয়মাৱলী

১। এই পত্ৰিকা প্ৰতি তিনি মাহে একো সংখ্যাকৈ ওলাব। যেতিয়াই গ্ৰাহক হওক, সাধাৰণতে সকলো গ্ৰাহকেই প্ৰথম সংখ্যাৰ পৰা কাকত পাব।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৩৲ তিন টকা, আগধৰি দিব লাগে। অসম সাহিত্য সভাৰ সভ্যসকলে আধা বেচতে পাব।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰৱন্ধ আদি এপিঠিত ফটফটীয়াকৈ লিখি সম্পাদক, "অসম সাহিত্য সভা পত্ৰিকা", যোৰহাট ; আৰু কাকত সম্পৰ্কে আন চিঠি-পত্ৰ আৰু টকা-কড়ি "প্ৰধান সম্পাদক, অসম সাহিত্য সভা" চন্দ্ৰকান্ত সন্দিকৈ হল, যোৰহাট,—এই ঠিকনাত পঠাব।

৪। বুকপষ্ট্ সম্পৰ্কে ডাকঘৰীয়া নিয়ম পালন নকৰাত বা জোখাৰ ডাকটিকত নিদিয়াত বেৰিং হৈ অহা চিঠি-পত্ৰ আৰু প্ৰৱন্ধ আদি গ্ৰহণ কৰা নহয়। কোনো বিষয়ে কিবা সমিধান লাগিলে জোখাৰে ডাক-টিকত চিঠিৰ লগতে পঠাব। অমনোনীত প্ৰৱন্ধ ঘূৰাই পঠোৱা বা সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫। মৌলিক আলোচনা, অনুসন্ধান আদিৰ গৱেষণামূলক প্ৰৱন্ধইহে ইয়াত ঠাই পাব।


যোৰহাট "বাতৰি" প্ৰেছত ছপা কৰা হ'ল।



# অসম সাহিত্য-সভা পত্ৰিকা

"স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মঙ্গল-মন্দিৰৰ সিংহদুৱাৰ হৈছে—মাতৃভাষা"

| দশম বছৰ | মাঘ—চ'ত, ১৮৬৪ শক। মুঠ সংখ্যা—৪৩ | চতুৰ্থ সংখ্যা |
|---|---|---|


## তামোল-নোখোৱা সম্প্ৰদায়

**আঁতি-গুৰি :—**অসমত তামোল নোখোৱা সম্প্ৰদায়ৰ কিছুমান লোক অলপ দিনৰ আগলৈকে আছিল। বৰ্ত্তমানতো ২।৪ জন অ'ত ত'ত আছে যদিও তেওঁবিলাকৰ সংখ্যা নগণ্য হৈ পৰিছে। এই সম্প্ৰদায়ৰ ভিতৰত চলা কেইবাখনো পুথি, নাট, চৰিত্ৰ আদি আছে। সেই বিলাকৰ এখনো আজিলৈকে প্ৰকাশিত হোৱা নাই। প্ৰায় বিলাক পুথি যোৰহাটৰ কলীয়নী অঞ্চলৰ ৺ৰাম হৰি বা লিখক আতৈয়ে লিখা। লিখক আতৈৰ বংশ এতিয়াও আছে আৰু পুথিবিলাকো তেওঁলোকৰ পৈত্ৰিক সম্পত্তি হৈয়ে পৰিছে। পুথি বিলাকৰ ভিতৰত "বোধ গুৰুৰ চৰিত্ৰ" আৰু "পাষণ্ড মৰ্দ্দন" এই দুখনি উল্লেখযোগ্য। ইয়াত তামোল নোখোৱা সম্প্ৰদায়ৰ ইতিবৃত্ত, সেই সময়ত মহাপুৰুষীয়া ধৰ্ম্মৰ গ্লানি, দেশৰ অৱস্থা আৰু ৰাজ-বিষয়া গোসাঁই-মহন্ত আদিৰ অত্যাচাৰ সম্বন্ধে অনেক কথা বৰ্ণোৱা আছে। পুথিৰ আকাৰো সৰুসুৰা নহয়। সমাজৰ হেচাত সম্প্ৰদায়টো প্ৰায়ে লোপ নোপোৱা হলে বোধহয় এইবিলাক পুথি অতদিনে প্ৰকাশিত হলহেঁতেন।

তামোল নোখোৱা সম্প্ৰদায়ৰ প্ৰবৰ্ত্তক ৰমাই আঁতা। তেওঁক এই সম্প্ৰদায়ৰ লোকে "বোধ" গুৰু বোলে। ৰমাই আঁতাৰ এজন শিষ্য লেৰেলা বা হালোৱা আঁতৈ। এই আঁতৈ জনৰ নাম গুৰুৱে "তামোল নোখোৱা" ৰাখিছিল আৰু শৰণ দিওঁতে উপদেশ দিছিল :—

তামোল নখাইবা তুমি বাটে পথে যাই।
নখাইবা কৰণি চুই কাৰো গামোচাই ॥
ঘৰত থাকন্তে তুমি খাইবা যত মানে।
বাজ ভৈলে মুখ হাত ধুইবা সেই থানে ॥
ছুচুইবা কাহাকো চাৰি কঠে নৰহিবা।
এহি কথা খানি তুমি দয়ায়া ধৰিবা ॥

এই লেৰেলা আতৈৰ দিনত ৰমাই আঁতাই প্ৰচাৰ কৰা ধৰ্ম্মমত কিছু বহুলভাৱে প্ৰচাৰিত হোৱাৰ

বাবেই বোধহয় এই সম্প্ৰদায়ক তামোল নোখোৱা সম্প্ৰদায় বুলি জনাজাত হ'ল। নাইবা এনেও হব পাৰে যে ৰমাই আঁতাই লেবেলা আঁতৈক দিয়া উপদেশকে সেই ধৰ্ম্মমত গ্ৰহণ কৰা সকলো লোকেই আচৰণ কৰা বাবে আন সম্প্ৰদায়ৰ লোকে তেওঁলোকৰ পাৰ্থক্য অটুট ৰাখিবলৈ এই সম্প্ৰদায়ৰ লোকক তামোল নোখোৱা নাম দিয়ে। আনৰ ঘৰত ঢাৰিয়ে কঠে নবহা, ফুৰি-অহা গাবে তামোল-চালি নোখোৱা এই সম্প্ৰদায়ৰ লোক কুৰি বছৰ মানৰ আগলৈকে অনেক পোৱা গৈছিল। বোধৰ চৰিত্ৰৰ পৰা পোৱা হয় যে এই ধৰ্ম্ম-মত অসমৰ সকলো জাতৰ মানুহে গ্ৰহণ কৰিছিল।

**প্ৰচাৰকৰ চমু জীৱনী** :—তামোল নোখোৱা সম্প্ৰদায়ৰ মতে ৰমাই আঁতৈ গুৰু ৰূপে স্বয়ং ভগবান অৱতাৰ। ১৬৫৯ শকৰ মাঘ মাহৰ পূৰ্ণিমা তিথিত সোমবাৰে নিশা তেওঁৰ জন্ম হৈছিল। তেওঁৰ পিতাকৰ নাম ভকত-চৰণ আৰু মাকৰ নাম সৌদ্ধধূনী। তেওঁৰ জন্ম ঠাই গয় দেশৰ শলগুৰি গাঁও; নগাঁও জিলাৰ কোনো এক খণ্ডকে বোধহয় সেই সময়ত গয় দেশ বুলিছিল। তিনি বছৰ বয়সত ৰমাইৰ পিতৃ-বিয়োগ হয়। মৃত্যুৰ সময়ত ভকত চৰণে তেওঁৰ বৈনায়েক গোৰা আঁতাক মতাই আনি কৈছিল—

ভকতি ভক্তৰ ঘৰে হৈবে কন্যাখানি।
ৰমাই বাপুটিক বিহা কৰি দিবা আনি॥
কৰিবাহা প্ৰতিপাল আনন্দে সাদৰি।
তোমাৰ ঘৰত নিয়া দিবা ঘৰ কৰি॥

আৰু তেওঁৰ ভাৰ্য্যাক কৈছিল—

ৰমাই বাপুটিক পঢ়াইবাহা ভাল কৰি।
কাজল ভক্তৰ ঘৰে থৈবাহা সাদৰি।
আমিও কহিছো তাস্ত মহা গুহ্যতত্ব।
পুত্ৰক অৰ্পিবা নিয়া তাহান হাতত॥

ৰমায়ে ষষ্ঠ বছৰত মাকক নোকোৱাকৈ কাজল ভকতৰ ঘৰলৈ গ'ল। কাজল ভকতৰ ঘৰ অভয়পুৰত। তালৈ গৈ সপ্তম বছৰত পঢ়া আৰম্ভ কৰিলে। চৰিত্ৰ মতে ৰমাই ইমান বুদ্ধিমান আছিল যে পঢ়া আৰম্ভ কৰাৰ তিনি দিনৰ ভিতৰতে তেওঁ ক, খ ফলা আৰু ফলা, আস্ক ফলা, সিদ্ধি ফলা, একাৰ, ইকাৰ, বাৰ মতৰা, নাম থৰি শেষ কৰিলে; তিনি মাহতে লীলা মলা, স্যমন্ত হৰণ গুণ মলা, কাণখোৱা, দশম, কীৰ্ত্তন, ঘোষা, ৰত্নাৱলী, ভাৰত, পুৰাণ, গীতা, ৰামায়ণ, ইত্যাদি পঢ়িলে।

পঢ়া শেষ কৰি কাজল ভকতক লগত লৈ ৰমাই মাকৰ ওচৰলৈ উলটি আহিল। যথা সময়ত ভকতি ভক্তৰ কন্যা পাহীৰ লগত ৰমাইৰ বিয়া হৈ গ'ল। ৰমাইৰ বয়স যেতিয়া ২৩ বছৰ কাজল ভকত তেওঁৰ ঘৰলৈ আহি ৰমাইৰ পিতৃ ভকত চৰণৰ নিৰ্দ্দেশ মতে ৰমাইক যি ধৰ্ম্ম উপদেশ দিয়ে তাৰপৰা বুজিব পাৰি যে ৰমাই আঁতাই প্ৰচাৰ কৰা ধৰ্ম্মৰ স্থূল ভাগৱত আৰু সেই ধৰ্ম্ম মহাপুৰুষীয়া ধৰ্ম্মৰ অন্তৰ্গত। কিন্তু চৰিত্ৰ লিখকে বোধ গুৰুৰ আবিৰ্ভাব হোৱাৰ আৱশ্যকতা প্ৰমাণিত কৰিবলৈ সেই সময়ত মহাপুৰুষীয়া ধৰ্ম্মৰ গ্লানি আৰু শ্ৰীশঙ্কৰদেৱে তেখেতে প্ৰচাৰ কৰা ধৰ্ম্মৰ সীমা বান্ধি বোধ অৱতাৰৰ সূচনা দিয়া কথা অৱতাৰণা কৰি লিখিছে—

শঙ্কৰ স্বৰূপে হৰি অৱতাৰ ভৈলা।
মাধৱ সহিতে দুয়ো আচৰণ কৰিলা॥
সাত পুৰুষৰ সীমা বান্ধিলা নামৰ।
এহি কথা কহি আছে আগে মাধৱৰ॥
সাত পুৰুষৰ বাজে মোক গুৰু বুলি।
আঠ কোটি নৰ্কে যাইব জানিবা সমূলি॥
আৰু কথা কহি আছে মাধৱ আগত।
বোধ অৱতাৰ হৈবে সহি সময়ত॥
বেদ পন্থ চয় কৰিবেক দেৱ হৰি।
নাম সমে পূজা দিব কলি যুগ ভৰি॥
শ্ৰৱন কীৰ্ত্তনে হৈবে সবাৰো তৰণ।
বোধ গুৰু নামে হৈবে সবাৰো শৰণ॥
শৰণ ভজন নাম ভকতি প্ৰকাশি।
সাত পুৰুষৰ ধাম বান্ধিলন্ত আসি॥
সীমাৰ বাহিৰ হুয়া যত ভণ্ড গণে।
অসাধুৱে সাধু বোলায় নামৰ কীৰ্ত্তনে॥
ঘৰে ঘৰে ফুৰে আসি নাম দান দিয়া।
গুৰু বাক্য এৰি ফুৰে নামক বিকিয়া॥

এই সম্প্ৰদায়ৰ পাষণ্ড মৰ্দ্দন নামৰ পুথিতো আছে—

মাধৱৰ মুখ চাই শঙ্কৰে বদতি।
চকুৰি বৎসৰ পূৰ্ণে প্ৰকাশে ভকতি॥
মোৰ নাম ধৰ্ম্ম কহিবেক ভাল মতে।
মোৰ কায় কষ্টে হৈব সিসব ভকতে॥
তাত পাচে কিছু নব হৈব সেই ঠাই।
দেশ প্ৰদেশত নাম প্ৰচাৰিব যাই॥
যদুবংশী সন্ত সাধু বৈকুণ্ঠে চলিব।
অনেক পাষণ্ডে আসি দেশ বিয়াপিব॥
ঘৰে ঘৰে নাম যাচি ফুৰিব সদায়।
লৈয়ো লৈয়ো বুলি চাউল ধানক সদায়।

ৰমাই আতাক সেই সম্প্ৰদায়ৰ লোকে ঈশ্বৰ অৱতাৰ বুলি ধৰা অস্বাভাৱিক নহয়; কিয়নো এনে ভাব গোটেই ভাৰতৰে বিশেষত্ব। ভাৰতৰ ধৰ্ম্ম প্ৰচাৰক মাত্ৰেই অৱতাৰী ভগবান নাইবা কোনো এজন দেব বা দেৱী।

কাজল ভকতৰ পৰা ধৰ্ম্ম উপদেশ ৰমাই আঁতাই পোৱাৰ পাছতে দেশত মৰাণৰ উপদ্ৰৱ হয়। তেখেতে মাক, ককায়েক বৌৱেক আৰু ঘৈণীয়েকেৰে সৈতে হাবিলৈ পলাই যায়। তাতো তেওঁবিলাক নিৰাপদে থাকিব নোৱাৰিলে। ৰমাই আঁতা মৰাণৰ হাতত ধৰা পৰিল। মৰাণে তেখেতক ভাত খাবলৈ ধৰাত আঁতাই 'গুণমালা' আদি গাই প্ৰসঙ্গ কৰিলে। তাতে মৰাণে ভয় খাই তেখেতক মান সন্মান দেখুৱাই লগত ফুৰিবলৈ অনুমতি দিলে আৰু তেখেতেও সদিয়ালৈকে ফুৰিলে। উভতি আহি দেখে যে তেওঁৰ ভাৰ্য্যাৰ বাহিৰে আন সকলোৰে মৃত্যু হৈছে। ইয়াৰ পিছত তেওঁ তামুলি ফুকনৰ ওচৰ চাপিল আৰু ফুকনেও তেওঁৰ লিগিৰা আদিক পঢ়াবৰ কাৰণে ফুকনৰ বাৰীতে ঘৰ সজাই দিয়ালে আৰু তাতে ৰমাই আতাৰ কলিমৌ নামে এজনী ছোৱালী জন্ম হল। ১৭১৬ শকত ৰমাই আতা ভটিয়াই গৈ আইভেটিৰ বৈনায়েকৰ বাৰীতে ঘৰ সজাই ৫ বছৰ ৩ মাহ থাকিলগৈ। আইভেটিৰ পৰা ৰামপুৰ, বৰদোৱা আদি থান বিলাক চাই তাৰ ভকত সকলৰ আচৰণ দেখি তেওঁৰ মনত বৰ বেজাৰ লাগিল। ৰামপুৰত সেই সময়ত ৰামদেৱ আতা আছিল। ৰামপুৰ চাই আহি ৰমাই আতাই তেওঁৰ ভাৰ্য্যাৰ আগত কৈছিল—

ৰামদেৱ আঁতা আত থাকে যত কাল।
ধৰ্ম্মৰ প্ৰকাশ আতে থাকিবেক ভাল॥
তাহাৰ পাচত হৈবে পাষণ্ড আচাৰ।
দেশে দেশে লৈয়া যাইব খাইবে আশা যাৰ॥
মালা দিয়া ঘৰে ঘৰে ফুৰিবেক যাই।
ধন বস্ত্ৰ নাৰী লোভে আকুল সদাই॥
অশুচি দ্ৰব্যক আনি ভোজন কৰিব।
ভাং কানি খোৱা আত বৰ আশা হইব॥

সেই সময়ৰ পৰা তেওঁ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিলে। আইভেটিৰ পৰা উঠি গৈ লুইত

পাৰ হৈ তেওঁ চতুৰ্দ্দাৰ ( বৰ্ত্তমান চাৰিহুৱাৰ পালেগৈ আৰু তাৰ গোগা কাযৰত ৰামধন গণকৰ বাৰীত কিনা বাপুৰ লেবেলা হালোৱা ( পিছত তামোল নোখোৱা আতৈ )ৰ আশ্ৰমত থাকিলগৈ। তাতে কেইবাজনো ভকত কৰিলে আৰু "ৰামকৃষ্ণ নাম ধৰ্ম্ম, শঙ্কৰৰ জন্ম কৰ্ম্ম, বিস্তাৰিলা ধৰ্ম্ম শিৰোমণি" এনে বিলাক বিষয় লৈ কেইবাখনো পুথি ৰচনা কৰিলে। তাৰপৰা তেওঁ বৰপেটালৈ গল আৰু বৰদোৱাইদি ঘূৰি আহিল। কিছুদিন তাত থাকি লাওখোৱাৰ ওচৰৰ পুথিখাস্তিলৈ আহি কেইজনমানক ভকত কৰিলে। বাৰিষা পানীত সেই ঠাইত বৰ কষ্ট পালে আৰু মাজুলী কঁহাৰ গাঁৱলৈ উজাই আহি জনদিয়েক ভকত কৰিলে আৰু বুঢ়া গোহাঁইক লগ ধৰি তিনি খন শাস্ত্ৰ বুঢ়া গোহাঁয়ে পঢ়ি চাবলৈ দিলে। কি কি শাস্ত্ৰ দিলে আৰু সেই কেইখন শাস্ত্ৰ পিছত কি হ'ল তাৰ কোনো উল্লেখ চৰিত্ৰত নাই। কঁহাৰ গাঁৱত ছুবছৰ থাকি ৰমাই আতা পুনৰ পুথিখাস্তিলৈ গ'ল। সেই সময়ত তেওঁক সম্প্ৰদায়ৰ সকলো ভকতে বোধ-গুৰু বুলি মানিছিল। পুথিখাস্তিত ধৰ্ম্ম প্ৰচাৰ কৰি কিছুদিন থকাৰ পাছত তেখেতৰ উদৰ চলা নৰিয়া হল। সেই সময়ত তেখেতৰ লগত যি কেইজন ভকত আছিল তেওঁবিলাকক কলে—

তামোল নোখোৱা ভক্ত মহা ভাগৱত।
তেসম্বে কহিব ধৰ্ম্ম মোহোৰ পাচত॥
আৰু চাৰিজন সাধু মহা ভাগৱত।
তাসম্বাত কহি আছো ভকতিৰ তত্ত্ব॥
তাহানে পাচত ধৰ্ম্ম বৈৰ সি সৱত।
এহি বাক্য মানিবেক সমস্তে ভকত॥

এই কথা কোৱাৰ পাছত ৰমাই আতা বা বোধ গুৰুৱে মুখত নিজ ভক্ত নাম উচ্চাৰণ কৰি আৰু হাতত মালা লৈ জপ কৰি ১৭৪৮ শকৰ মাঘ মাহত প্ৰাণ ত্যাগ কৰিলে। সেই সময়ত তেখেতৰ ভাৰ্য্যা কোনো কাৰণত আইভেটিলৈ গৈছিল। গোবৰ আতৈ জোঁৱায়েক পদো লিগিৰা নাতিয়েক ধৰ্ম্মানন্দ, জীয়েক কলিমৌ আদিয়ে তেখেতৰ মৃতদেহ দাহ কৰি থান ভেটি সাজি ওপৰত চন্দ্ৰতাপ তৰি চাৰিওফালে চকোৱা মাৰি থলে। থান ভেটি দিনে মছে, শলা বন্তি লগাই ভকতসকলে গধূলি নাম কীৰ্ত্তন কৰি থাকে। দ্বিতীয় দিনা তেখেতৰ ভাৰ্য্যা আহি ঘৰ পালে আৰু নাতিয়েক ধৰ্ম্মানন্দৰ হতুৱাই বোধ গুৰুৰ অন্ত্যেষ্টিক্ৰিয়া কৰালে। তেখেতৰ পিছত তামোল নোখোৱা আতৈয়ে সেই ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ লাগিল আৰু তেওঁৰ দিনতে এই সম্প্ৰদায়ৰ লোকে ৰজাঘৰীয়া বিষয়া, বাইজ আৰু গোসাঁই মহন্তৰ হাতত অনেক নিৰ্য্যাতন ভোগ কৰিলে।

ধৰ্ম্মৰ ঘাই ভাগ আৰু প্ৰণালী :—শ্ৰীশঙ্কৰদেৱে যেনেকৈ তেখেতে প্ৰচাৰ কৰা ধৰ্ম্মলৈ অনুৰাগ জন্মা লোকক শৰণ দিছিল সেই দৰেই বোধেও শৰণকে তেওঁৰ ধৰ্ম্মৰ প্ৰথম খাপ বুলি ধৰি লৈছিল। চৰিত্ৰ পুথি বিলাকৰ পৰা পোৱা যায় যে শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱৰ দিনত যি সকল ভকত হৈছিল প্ৰায় সকলো বিলাকেই আদহীয়া বয়সৰ আৰু ধৰ্ম্মলৈ অনুৰাগ জন্মা লোক। বোধ গুৰুৱেও সেই দৰেই শৰণ দিয়া লোক বিলাক প্ৰায়ে আদহীয়া আৰু তেওঁৰ প্ৰচাৰিত ধৰ্ম্ম লবলৈ আগ্ৰহ কৰা। বৰ্ত্তমানত গোসাঁই-মহন্তসকলে বাপেক-মাকক বলেৰে কম বয়সীয়া লৰাক শৰণ লগোৱা আৰু বিশেষকৈ বিয়া কৰাৰ আগতে নিজ গোসাঁইত শৰণ নললে



সেই তিয়া বাইজে খাব নোপোৱা গুৰুঘৰীয়া বান্ধনি কেতিয়াৰ পৰা প্ৰচলিত হ'ল তাক বোধ-কৰো গোসাঁই-মহন্ত-সকলেহে জানে।

বোধে আইভেটিত প্ৰথমে তেওঁৰ ভাৰ্য্যাকে শৰণ দিয়ে। শৰণ দিয়া সময়ত আসন পাতি চাউল মাহ শলা বন্তি আগবঢ়াই এমহা কপ আৰু এখন কাপোৰ সেৱা কৰি থাপনা আগত থৈ দণ্ডৱত হলে গুৰুৱে কয়—

কায় বাক্য মনে তুমি কৰিবাহা সাৰ।
গুৰু দেৱ নাম ভক্ত সৰ্ব্বদা হিয়াৰ।
শঙ্কৰেসে গুৰু দেৱ কৃষ্ণ সনাতন।
মাধৱ ভকত তান নামে মূল ধন।
এহি চাৰি গুটি বস্তু এক গুটি কৰি।
হৃদয়ত স্থিৰ কৰি থাকিবাহা ধৰি॥
চাৰি বাৰ সত্য সত্য সত্য অঙ্গিকাৰ।
বাৰ সত্য চাৰি দণ্ডৱত চাৰি বাৰ। কৰায়।

কিন্তু বোধৰ মৃত্যুৰ পিছত তামোল নোখোৱা আতৈয়ে ভকত সকলক ক'লে যে গুৰুৱে নিজৰ চিনাকি নিদিলে তেওঁৰ মতে—

শঙ্কৰক গুৰু দেখাই কল্পতৰু
আপোনাক আৰ কৰি।
ভাঙিল জগত পাতিল ভকত
জীৱক কৃপায়ে হৰি।
তথাপিতো আৰ কৰি আপোনাৰ
নামক গুপুতে থৈলা।
এহি কথা মাত কহিয়া সাক্ষাত
ভকত সৱত কৈলা।
এতেকেসে সবে মোৰ বাক্য যেবে
প্ৰত্যয় যাইবাহা চাই।
বোধ গুৰু বিনে ই তিনি ভুবনে
গুৰু নাই নাই নাই।
শঙ্কৰেসে দেৱ সদা কৰা সেৱ
তান নামে নাম জানি।
হকো একে জন কহিলো এখন
এহি সাৰ সত্য বাণী।

এই সম্প্ৰদায়ৰ প্ৰায় বিলাক পুথিয়েই তামোল নোখোৱা আতৈৰ দিনত বা তাৰ পিছত লেখা। সেই বাবেই শ্ৰীশঙ্কৰদেৱৰ জন্ম-কৰ্ম্ম, লীলা-চৰিত্ৰহে প্ৰায় বিলাক পুথিতে বৰ্ণোৱা আছে আৰু এই সম্প্ৰদায়ৰ লোকে তাকেহে কীৰ্ত্তন কৰে, ভাগৱত পুৰাণ আদিলৈ তেওঁবিলাকে সিমান আগ্ৰহ নকৰে।

ধৰ্ম্ম অনুষ্ঠানৰ দ্বিতীয় খাপ "ভজন"। ভজনৰ বাবে সৎসঙ্গ বা প্ৰিয় সঙ্গী ভক্তৰ আৱশ্যক। বোধে তামোল নোখোৱা ভকতক ইটাপৰা ভকতৰ সঙ্গ কৰাই দিওঁতে কৈছিল :—"প্ৰিয় সঙ্গী ভক্ত যাৰ নাই সৎসঙ্গৰ। শৰণ হোৱয় তাৰ ভজন অন্তৰ॥"

শেষত বোধহয় "মালা গ্ৰহণ"। ইয়াৰ উল্লেখ যদিও চৰিত্ৰত নাই, তথাপি বোধে মৃত্যুৰ সময়ত মালা জপ কৰাৰ পৰা ধৰিব পাৰি যে মালা লোৱা প্ৰথা অন্ততঃ বোধৰ দিনত আছিল। বৰপেটা, কমলাবাৰী আদি থানৰ ভকতৰ দৰে "কাঠৰ মালা ফাটে ফুটে, মনৰ মালা কাহা ছুটে।" বুলি মালা জপ কৰা প্ৰথা বোধে উঠাই দিয়া নাছিল বুলি অনুমান হয়।

বোধৰ দিনত হোৱা ভকত :—আইভেটিত—তেওঁৰ ভাৰ্য্যা আৰু কৃষ্ণমতী। গোগা কাযৰত—ভজুৱা ভকত, লেবেলা বা হালোৱা ভকত (পিছত তামোল নোখোৱা আতৈ), কিনা বাপু, ইটাপৰা ভকত, তেওঁৰ ভাৰ্য্যা সক চকু, মলো ভকত আৰু তেওঁৰ ভাৰ্য্যা, কৃষ্ণৰাম, ৰহাগী, ( ৰামধন গণকৰ জীয়েক ), টুপুৰী ( ৰহাগীৰ সখি ), সুমতি

( বংশীবৰাৰ ভাৰ্য্যা), বগামেধী ও ভাৰ্য্যা, মুৰাৰি মহন্ত আৰু ভাৰ্য্যা কৃষ্ণদাসী, কলীয়নীৰ ৰামহৰি, কলিৰাম কমাৰ, মতিৰাম বা খোৰা ভকত, ফুচুণ্ড, কেৰোলা, কলামন, খৰঙ্গি, হুৰহুৰীয়া, কিনাৰাম, দেৱাই। পুথিখাস্তিত—মুদৈ আৰু ভাৰ্য্যা বেচেলী, গোবৰ ভকত, ভদিৰাম জাবৰী, সিন্ধুৰাম বা কেকৰা ভকত, সুন্ধৰা আৰু ভাৰ্য্যা। কহাৰ গাওঁ —সক, কলাৰাম, ছুজন মধুৰাম, ভোবোলা, চুঙ্গি, বনমালী, ধূলিৰাম, বলোৰাম, বেথাৰাম, কণি চিপাহী আৰু কেইবাজন। সঙ্গীহোৱা ভকত—তামোল নোখোৱা ভকত আৰু ইটাপৰা ভকত, হুৰহুৰীয়া ভকত আৰু কিনাৰাম ভকত, চুঙ্গি আৰু বনমালী, ৰামহৰি আৰু ধূলিৰাম, বলোৰাম আৰু বেথাৰাম ইত্যাদি।

কিনা বাপুক বোধে শৰণ কৰোৱা সময়ত শূদ্ৰৰ ওচৰত বামুণে দণ্ডৱত হব পায়নে নাপায় এই প্ৰশ্ন উঠা যেন বোধ হয়, কিয়নো বোধৰ চৰিত্ৰত লিখা আছে—

কিনা বামুণক বোলে কৰা নমস্কাৰ।
মই যেই কওঁ তুমি কৰিবাহা সাৰ॥
ব্ৰাহ্মণৰ সেৱা শূদ্ৰে লৈবাক নাপায়।
ইটো কথা বৈতো আমি দেখা শুনা নাই॥
কিনা বাপু বোলে প্ৰভু দোষ নাই আৰ।
জগন্নাথ দশ পাওা সেৱক তোমাৰ॥
ৰাম ৰাম গুৰু আৰু মহেন্দ্ৰ কন্দলি।
শূদ্ৰ শঙ্কৰৰ পাৱে কৰিলা সেৱলি।
দামোদৰ চক্ৰপাণি গোপাল পৰ্য্যন্ত।
আনো বিপ্ৰগণ গুৰু মানি ভজিলন্ত॥ ইত্যাদি।

বোধ গুৰুৰ চৰিত্ৰত সেই সময়ত বিয়া কৰা ধৰণ, মৰাণৰ উপদ্ৰৱত দেশৰ অৱস্থাৰ আভাষ আৰু বোধৰ শ্ৰাদ্ধাদি কেনেৰূপে কৰিছিল কিন্তু কেনেকৈ কৰিব লগা আছিল তাৰ বিৱৰণ পোৱা যায়।

ফাগুনৰ ৪ দিন যোৱাত ৰমাই আতাৰ কাল পৰিল। কাজৰ বাবে পৰামৰ্শ কৰিবলৈ ত্ৰাহিৰাম ব্ৰাহ্মণক মতাই আনি বোধৰ ভাৰ্য্যাই কলে—

বেদ পন্থ চন্দ্ৰ কৰি আছা নাৰায়ণ।
সেই বেদ মতে কৰ্ম্ম কৰো কি কাৰণ॥
তুমি নপাৰিবা দোষে মোকো নেপেলাইবা।
বেদ একঠাই কৰ্ম্ম এনেহে কৰিবা॥
শঙ্কৰৰ কৰ্ম্মে পিণ্ড দিয়া যেনে কৰি।
সেহি মতে দিয়া যেবে তুষ্ট হইব হৰি॥
... ... ... ...
শুনিয়া ব্ৰাহ্মণে পাচে বুলিলা বচন।
শুনিয়োক আই দুঃখ নকৰিবা মন॥
তুমি যেই বোলা মই পালিবো বচন।
একে ঠাই কৰি দিবো গুৰুৰ চৰণ॥

কাজৰ বাবে চতুদ্বাৰৰ পৰাও ভকত সকল আহিল। কৃষ্ণৰাম ভকতেই সকলো যো-জা কৰিলে। দহাৰ দৰেই হৰি মন্দিৰত আৰু ৰভাত নাম কীৰ্ত্তন হল। সেই দিনা নামত তিনটা কীৰ্ত্তন দি ৰাইজে কীৰ্ত্তন পুথি পঢ়িবলৈ ধৰিলে। ইফালে ব্ৰাহ্মণে মাহ চাউল গুৱাপাণ আৰু "লোটা বাটি বস্ত্ৰ আৰু জাপি লাখুটিক। গামোচা কটাৰি পিৰা লৈলা কৰি ঠিক॥"

এই সকলো বিলাক হৰি মন্দিৰলৈ নি ব্ৰহ্মানন্দক মাতি আনি কুশৰ আঙঠি পিন্ধাই বহুৱালে। ব্ৰাহ্মণে ব্ৰহ্মানন্দক ককাকৰ নাম সুধি দূব, পুষ্প তুলসী হাতত লবলৈ কলে—

হেন বাণী শুনি বিপ্ৰে সেই নাম ধৰি।
মহাপুৰুষৰ পাৱে সমৰ্পণা কৰি॥
যত তপ ধৰ্ম্ম ব্ৰত বেদ যে বেদাঙ্গ।
হৰিৰ নামেসে কৰে সবাকে সুসাঙ্গ॥
এহি মন্ত্ৰ গাই বিপ্ৰে সিদিনা সি ঠাই।
বোধ বিষ্ণু বুলি কৰ্ম্ম সামৰিলা চাই॥
কৃষ্ণ কৃষ্ণ ৰাম হৰি নাম উচ্চাৰিয়া।
যত তন্ত্ৰ মন্ত্ৰ মানে তাতে সমৰ্পিয়া।
এহি মতে কৰ্ম্ম যেবে সুসম্পৰ্ণা কৰি।
জপিলা বিষ্ণুৰ নাম হৃদয়ত ধৰি।
দেশ কাল ছিদ্ৰ দোষ আছে যত যত।
সবে নিবেদিলা নিজ গুৰু চৰণত॥

পুৰুহিতক দক্ষিণা কৰিলে। পুৰুহিতে—

বোলে এই বস্তু যত কেহোৱে নিনিবা।
বৰ আতৈৰ হাতৰ বস্তু অৰ্পিত পুৰিবা॥

এই উপদেশ দি উছৰ্গা কৰা বস্তু নিজে এপদকে নিনিলে। ইয়াৰ পাছত তাল-খোল বজাই দহাৰ দৰেই কাজো শেষ কৰিলে। তৃতীয় দিনা ভোজ খাই ভকত সকল ঘৰাঘৰি গল।

উজনি অঞ্চলৰ ভকত সকলে বোধৰ মৃত্যুৰ সম্বাদ পোৱা নাছিল। সেই সময়ত তেওঁবিলাকৰ ওপৰত ৰজাঘৰীয়া বিষয়া আৰু সমাজৰ অত্যাচাৰ বেচি ভাগেই হৈছিল। তামোল নোখোৱা ভকতৰ পৰামৰ্শ মতে জনদিয়েক ভকত পুথিখাস্তিলৈ গৈ সেই কথা বোধৰ আগত জনাবলৈ গৈছিল। সেই ঠাই পাই সকলো কথা জানিলে আৰু গুৰুৰ শ্ৰাদ্ধাদি কৰ্ম্ম কেনেকৈ কৰিলে বোধৰ ভাৰ্য্যাক সুধিলে।

শুনি আই গোসানীয়ে বুলিলা বচন।
যি মতে কৰিলো কৰ্ম্ম শুনা ভক্ত গণ॥
ব্ৰাহ্মণ লগাই কৰ্ম্ম কৰিলোহো মই।
ইসব কথাত সবে এৰিবা সংশয়।
গুৰু সদাগৰি বিপ্ৰ ভক্ত শঙ্কৰৰ।
বেদ মন্ত্ৰ নাহি তানে নাম স্বৰূপৰ।
সেহিসে ব্ৰাহ্মণে কৰিলেক কৰ্ম্ম খানি।
তাত দোষ নাই মই কৈলো নিষ্ঠ বাণী॥
শুনা তাৰ কথা আৰু আছে অভিপ্ৰায়।
ব্ৰাহ্মণ নহলে জানা কৰম নাযায়।
এতেকেসে তিনি তত্ত্ব ৰাখি এই বাৰ।
কৰিলোহো কৰ্ম্ম দোষ নাহিকে আমাৰ।
আজি হন্তে নকৰিব এই কৰ্ম্ম খানি।
কৰে যদি গুৰু বাক্য কৰিবেক হানি।

তামোল নোখোৱা সম্প্ৰদায়ৰ আন এখন পুথিত শ্ৰাদ্ধ আৰু বিবাহ কেনে প্ৰণালীৰে কৰিব লাগে তাক বোধৰ বাক্য বুলি বৰ্ণনা কৰা আছে। শ্ৰাদ্ধৰ প্ৰণালী—

পিতৃ মাতৃ যি জনৰ হোৱয় বিহীন।
তিৰুনি বুলিয়া তাৰ কৰিবেক চিন।
তেৱেসে প্ৰসন্ন হৈবে শঙ্কৰ গোসাই।
গুৱা পাণ কটাইবেক ভকত মতাই।
সত্ত্ব ৰজ তম তিনি গুণৰ কাৰণ।
এতেকেসে সিজিবেক তিনি প্ৰয়োজন।
আৰু দশ দিনে দসা কৰিবাৰ কাম।
ভকতক মাতিয়া আনি গোৱাইবেক নাম।
চাউল মাহ চাউল গুৱা কলা কুসিয়াৰ।
দধি দুগ্ধ চুৰা আদি যতেক সম্ভাৰ।
হৰি মন্দিৰত আনি গুৰু চৰণত।
অৰ্পণা কৰিয়া দিব আসন আগত।
নামৰ কীৰ্ত্তন কৰিবেক সেই ঠাই।
নামত প্ৰসন্ন গুৰু শঙ্কৰ গোসাই।
দশ ইন্দ্ৰিয়ৰ দশ পিণ্ডৰ দোষণ।
নামৰ কীৰ্ত্তনে সবে হৈবেক প্ৰসন্ন।
একান্ত শৰণে যিটো জনে নাম গায়।
তাৰ বেদ বিধি ধৰ্ম্ম কৰ্ম্মে কাজ নাই॥
এহি মতে দসা কৰ্ম্ম কৰি এই মতে।
আশীৰ্ব্বাদ কৰিবেক সি সব ভকতে।
তেবে পিতৃ মাতৃ দুইৰ সন্তোষ সিদ্দিন।
পুত্ৰ সবে সুজিবেক পিতৃ মাতৃ ঋণ।

এহি মতে দশা কৰ্ম্ম কৰি সমাপতি।
মাসেকীয়া কৰ্ম্ম কহো শুনিয়ো সম্প্ৰতি॥
মাসেকীয়া কৰ্ম্ম যেবে কৰিতে লাগয়।
যত দ্ৰব্য বস্তু গোটাই আনিব নিশ্চয়॥
সেহি মতে আনি দিব হৰি মন্দিৰত।
ভকতে উছৰ্গি দিব আসন আগত॥
গন্ধ পুষ্প ধূপ দীপ তুলসীক দিব।
পাক টকা ৰূপ দিলে প্ৰায়শ্চিত্ত হৈব॥
আশীৰ্ব্বাদ কৰি গাইব নামৰ কীৰ্ত্তন।
নামেতেসে তুষ্ট হৈবে গুৰু নাৰায়ণ॥
তিনি গুটি কীৰ্ত্তন গাইবেক সেহি ঠাই।
আশীৰ্ব্বাদ কৰিবেক মাথা চাপৰায়॥
প্ৰসাদ নৈবেদ্য পাচে দিবেক বিলাই।
পৰম হৰিষ হৈবে ভক্ত সবে খাই॥
এহিমতে মাসেকীয়া কৰ্ম্ম সমাপতি।
পাচে চাউল কঠী দিব কৰি একে মতি॥
বছৰীয়া কৰ্ম্ম কৰিবেক সেহি প্ৰায়।
তেবে পিতৃ মাতৃৰ যে ঋণ সোজা যায়।
বৎসৰীয়া কৰিবেক মাসেকীয়া মত।
মূল ভোজ বুলি দিব তাহাৰ অন্তত॥

**বিবাহৰ প্ৰণালী—**

শুনিয়োক তামোল নোখোৱা মহাজন।
বিবাহৰ কথা কহো শুনা দিয়া মন॥
কন্যাক খুজিয়া আনিবেক যিটো জনে।
খুজি বাঢ়ি ধনে ধানে যাব সেই মনে॥
নোৱাই ধুৱাই বিধি মতে সিহা নকৰিব।
ধুৱাই ধুৱাই শুৱা বস্ত্ৰ এনেয়ে আনিব॥
পাচে হৰি মন্দিৰত কৰি এক ঠাই।
জাতি ভকতক পাচে আনিব মতাই॥
চাউল মাহ মিঠৈ যে সম্ভাৰ কৰিব।
তৈল শলা গুৱাপাণ সমস্তকে দিব॥
হোম বাবে ঘিউ শলা আসন আগত।
উছৰ্গা কৰিবা দিব তাক ভাল মত॥

নামৰ কীৰ্ত্তন কৰিবেক ভক্ত গণে।
তিনি চাৰি কীৰ্ত্তন গাইবেক এক মনে॥
কন্যাকো কৰাইব সেৱা হৰি মন্দিৰতে।
আশীৰ্ব্বাদ কৰিবেক কৰি ভাল মতে॥
অবিবাহিতা প্ৰায়শ্চিত্ত বাবে পাক ৰূপ।
ভকতক দিবে মই কহিলো স্বৰূপ॥
তেবেসে এৰাইব জানা বেদৰ ঘোষণ।
নামন্তেসে তুষ্ট গুৰু দেৱ নাৰায়ণ॥

**সম্প্ৰদায়ৰ ওপৰত অত্যাচাৰ**—নগাঁও আ[…] দৰং অঞ্চলত এই সম্প্ৰদায় ভুক্ত লোকৰ ওপৰ[…] কিবা অত্যাচাৰ হৈছিল নে নাই কোনো সম্ভে[…] পঢ়িবলৈ পোৱা পুথিৰ পৰা পোৱা নাই, কি[…] যোৰহাট অঞ্চলত বিশেষকৈ কলীয়নীৰ ভক[…] সকলৰ ওপৰত গোসাঁই, মহন্ত, বাইজ, ৰজা[…] ঘৰীয়া বিষয়া ছুলীয়া বকৰাই বৰ অত্যাচা[…] কৰিছিল বুলি "বোধ চৰিত্ৰ" আৰু "পাষণ্ড মৰ্দ্দন[…]" নামৰ দুখন পুথিত লিখা আছে। এই সম্প্ৰদায়[…] ভকত সকলৰ বিৰোধে চলা সকলকে বোধহ[…] "পাষণ্ড" বুলি অভিহিত কৰি কেনেকৈ ফুক[…] আৰু কামেশ্বৰ সিংহ ৰজাৰ বিচাৰত এই সম্প্ৰদায়[…] জয় হল আৰু আন দলে ঘাটি খাব লগা হ[…] ভাবে বৰ্ণনা থকা বাবেই পুথিখনৰ নাম "পাষণ্ড মৰ্দ্দন" ৰাখিলে বুলি অনুমান হয়।

কলীয়নীৰ তামোল নোখোৱা ভকত সক[…] পূৰ্ব্বে বেঙ্গেনাআটি মহন্তৰ শিষ্য আছিল[…] মহাজনে খবৰ পাই তেওঁবিলাকক মতাই নি[…] চকা, ভুকু, থিয়কিল আদি মৰালে। নামধাৰি[…] পুত্ৰ বেথাৰামক সভা বৰা আৰু সক খাটনিয়াৰে[…] অনেক কদৰ্থনা কৰি সভা বৰাৰ হতুৱাই তেওঁ[…] চুলি কটায় দিয়ালে। মহাজনে ধৰ্ম্ম এৰিবলৈ[…] কোৱাত ভকত সকলে উত্তৰ দিলে যে সাত[…]



পুৰুষৰ পিছত শঙ্কৰদেৱে প্ৰচাৰ কৰা ধৰ্ম্ম শেষ হল আৰু তাৰ প্ৰমাণ স্বৰূপে কলে—

যি কালত পৰিবেক ধৰমৰ সীমা।
গতা ভুকু থিয়কিল বাদ্ধোন মহিমা॥
ধৰ্ম্মৰ প্ৰকাশ সবে হাতহুয়া যায়।
এতেকেসে ভক্তে থিয় কিল ভুকু খায়॥
নিৰ্ম্মালি প্ৰসাদ গৈল তাহাৰ লগত।
সাত পুৰুষত গুৰু ধৰ্ম্ম উচ্ছন্নত॥

এইবিলাক অত্যাচাৰ কৰি তিন দিন ভকত সকলক বন্দী কৰি থলে। তেওঁবিলাকৰ ভিতৰত সদাই নাম কীৰ্ত্তন হবলৈ ধৰিলে আৰু তাকে দেখি মহাজনৰ আৰু খং উঠিল। চতুৰ্থ দিনা পুৱাতে ভকত সকলক মতাই নি মহাজনে নিৰ্ম্মালি লবলৈ কলে। ভকতে নিৰ্ম্মালি লবলৈ অস্বীকাৰ কৰাত আৰু অত্যাচাৰ কৰি খেদি দিলে।

তাৰ কিছুদিনৰ পিছত নেওগ, শইকীয়া, গঞা, গাওঁবুঢ়াবিলাকে বুৰা গোহাইৰ ভায়েক শিৱনাথ গোহাই বকৰাক লগালে—

শুনিয়োক অধিকাৰি কথা মন কৰি।
ভকত আছয় আত জগতৰে বৈৰী॥
ব্ৰাহ্মণ মহন্ত ভক্তে কাকো নমানয়।
আপুনি স্বমত হয়া কীৰ্ত্তন কৰয়॥
একো ভৰ ভয় জানা কাহাকো নকৰে।
এহি মতে নাম গাই থাকে ঘৰে ঘৰে॥

বকৰাই টেকেলা পঠাই ভকতসকলক মতাই নিয়ালে আৰু তৃতীয় দিনা বকৰাৰ চৰাত শোধ বহিল। সেই শোধলৈ ছুলীয়া, কাটনি, মাউত, বহতীয়া,, চাৰিঙ্গীয়া, টিপমীয়া, ধোৱা, চাংচোৱা আদি সকলো মানুহ আহিল। গোচৰ হল—

(ভকতে) পিতৃ মাতৃ শ্ৰাদ্ধ কৰ্ম্ম একো নকৰয়।
বেদ বিধি নীতি ধৰ্ম্ম এৰি প্ৰবৰ্ত্তয়॥

সপ্তম পুৰুষে গুৰু আমাৰ গোসাই।
নিৰ্ম্মালি প্ৰসাদ আৰু নলয়ে সি ঠাই॥
আমাকো নমানে একে গঞা ভূয়া বুলি।
লোকেও আমাক সবে ঘিণাই সমূলি॥
পিতৃ মাতৃ আপোনাৰ ভেদ ভেদ মন।
একে ঘৰে নথাকয় নকৰে ভোজন॥

ভকত সকলে উত্তৰ কৰিলে যে শঙ্কৰদেৱৰ সাত পুৰুষৰ পিছত বোধ গুৰু অৱতাৰ হৈ যি ধৰ্ম্ম প্ৰচাৰ কৰিছে তাকে তেওঁলোকে পালন কৰে। তেওঁবিলাকৰ গোসাই তামোল নোখোৱা আতৈ মাজুলীত আছে আৰু কলে—

ৰজাৰ খাটনি খাটো দিও গুৰু কৰ।
নাম গাই মন সুখে বসি থাকো ঘৰ॥
কাকে কিছু ভোত-ভেজা নকৰোহো আমি।
হৃদয়ত চিন্তি থাকো জগতৰ স্বামী॥

বকৰাই খং কৰি সুধিলে—

দুৰ্গাদেৱী শিৱ পূজা তহতে নকৰ ?
চণ্ডিকা গোসানী আই নাম সুমৰৰ ?

জাতিৰাম ভকতে উত্তৰ কৰিলে—

বোলে আমি তিৰোতাৰ সুমৰো নাম।
যাহাৰ গোসাই গুৰু তাহাৰেসে কাম॥
আমি গুৰু মানি আছো মহাপুৰুষক।
তানে গুণ নাম গাওঁ তানে ধৰমৰ॥

তেতিয়া সমবেত ৰাইজে ধৰ-মাৰ লগালে। বকৰাই আদেশ দিলে যে ভকতে তেওঁৰ ঘৰৰ তুলসী গুৰিত সদাই নাম গাব লাগিব। ভকতে উত্তৰ কৰিলে—

তুলসী ব্ৰাহ্মণ সালগ্ৰাম আদি যত।
তাত কাৰ্য্য নাই মোৰ কলিৰ যুগত॥
একান্ত শৰণে যিটো জনে গুণ গায়।
সেহিসে চতুৰ বুলি কহিছে গোসাই।

এনে উত্তৰ শুনি বকৰাই মহৰ চালৰ চমতা অনাই ৰামহৰি, ধূলিৰাম, বনমালী, জাতিৰাম, ভুলিৰাম, বেথাৰামকে আদি কৰি ভকতসকলক গাই পতি ২০।২৪ চাটকৈ মৰালে। ইয়াৰ পিছত বলোৰাম, ভদৰ, চুঙ্গি আৰু তিনি জনী ভকতনীক ধৰাই নি শোধ কৰিলে। বলোৰামে কলে—

হাল বাওঁ কোৰ বাওঁ সদা কৰো বন।
গধুলিতে নাম গাওঁ কৰোহো ভোজন॥
শুদ্ধ সদাচাৰ ধৰ্ম্ম শঙ্কৰৰ মত।
সকলো শাস্ত্ৰৰ সাৰ বেদৰ সম্মত॥
ইহাৰ বাহিৰে আৰ যতেক আচয়।
স্বৰূপত বাজে আমাসাক নলাগয়॥

সেই সমাজত পুৰোহিত বামুণে তামোল কাটি ৰাইজক দিছিল। বকৰাই সেই তামোল ভকত সকলক খাবলৈ আদেশ কৰিলে। বলোৰামে তামোল হাততো নললে। তাতে তেওঁক ধৰি বিস্তৰ মাৰিলে আৰু বলোৰামৰ বাপেক হুকিমৰা বুঢ়ায়ো লগাই দিলে। মাৰৰ ভয়ত চুঙ্গি ভকতে তামোল হাতত লৈ মুখত সুমালে। আন বিলাক ভকতে তামোল নোখোৱা অপৰাধত মাৰ কিল খালে। বকৰাৰ সহানুভূতি পাই বিৰোধী দলৰ সাহ দুগুণে বাঢ়িল। তামোল নোখোৱা ভকতক অনেক প্ৰকাৰে অত্যাচাৰ কৰিবলৈ ধৰিলে। হলিৰাম নামে ৰাৰিকক ৰাইজে লগাই টেকেলাৰ হতুৱাই ভকতৰ ভাৰ্য্যাসকলক পঘাৰে সাঙুৰি আচাৰিৰে মৰিয়াই বাটে বাটে ফুৰাই ফুৰিছিল। এনে অত্যাচাৰ ভকত ভকতনীসকলে সহ্য কৰি থাকিল, ধৰ্ম্ম নেৰিলে।

বকৰাই কৰা অত্যাচাৰ অসহনি হোৱাত জনদিয়েক ভকত কণীয়নীৰপৰা পলাই গৈ মাজুলীৰ তামোল নোখোৱা আতৈৰ ওচৰ পাই সকলো কথা কলে। আতৈয়ে কেইজনমান ভ[কত] লৈ ৰংপুৰৰ বৰফুকনৰ ওচৰ পালেগৈ। চাংমা[ই] খাটি বৰফুকনক সাক্ষাত কৰি সকলো ক[থা] জনালে আৰু নিজৰ পৰিচয় দিলে যে তে[ওঁ] দিখৌমুখীয়া বনখোৱা হাজৰিকা আৰু শইকীয়া মাজুলীৰ কহাৰ গাঁৱত তেওঁ থাকে। তে[ওঁ] গোসাঁই বা মহন্ত নহয়। তেওঁ বোধ গুৰুৰ প[ৰা] ধৰ্ম্ম পাইছে। ওপৰৰ 'পাষণ্ড মৰ্দ্দন'ৰ পৰা তু[লি] দিয়া পদ কেই ফাকিৰে ধৰ্ম্মৰ আতিগুৰি বৰ্ণা[ই] সেইবিলাক কথা থকা পুথি পঢ়িবলৈ কোৱা[ত] আতৈয়ে পঢ়ি শুনালে। বৰফুকনে তেতিয়া কলে—

ৰঙ্গ মনে থাকা এই নাম গুণ গাই।
যদি কেৱে পীড়া কৰে কহিবা জনাই॥
মই পাচে কৰিবোহো তাৰ প্ৰতিকাৰ। ইত্যা[দি]

এই বুলি কৈ টেকেলা পঠাই তামোল নোখো[ৱা] আতৈ থকা ঠাইত খুটি মাৰি দি প্ৰচাৰ ক[ৰি] দিলে যে যদি কোনোবাই সেই সম্প্ৰদায়[ৰ] ভকতসকলক অত্যাচাৰ কৰে তেন্তে সে[ই] লোকৰ ৫০০ টকা জৰিমনা হব।

ইফালে তামোল নোখোৱা আতৈৰ পৰাম[ৰ্শ] মতে কিছুমান ভকত বৰ কষ্টেৰে পুথিখাস্থি থকা বোধ গুৰুক সকলো বৃত্তান্ত কবলৈ গল ব্ৰহ্মপুত্ৰৰ পাৰেদি হাবি বৰতানিৰ মাজে মাজে গৈ বাটত বনৰীয়া হাতীৰ হাত সাৰি কল[িয়া] সুঁতিয়েদি সোমাই পুথিখাস্থি পালেগৈ। তেতিয়া চ'ত মাহ, তাৰ আগৰ মাঘতে বোধ গুৰু পৰলোক হল। তাত কেই নিশামান থাকি বোধৰ ভাৰ্য্যাক সকলো কথা জনাই আগৰ বাটেই ভকত কেইজন ঘূৰি আহিল। মাজুলীতো গুৰুৰ তিথি মহোৎসৱ কৰি সকলো ভকত কিছুদিন সুখেৰে আছিল।



কিছুদিনৰ পাছত দক্ষিণপাটৰ গোসাঁয়ে সত্ৰৰ ভকতক কলে যে সত্ৰৰ ওচৰতে থকা কিছুমান ভকতে—

নমানন্ত ব্ৰাহ্মণ মহন্ত যত যত।
কেন মতে প্ৰবৰ্ত্তয় কেনবা ভকত॥
পিতৃ মাতৃ শ্ৰাদ্ধ হেনো একো নকৰয়।
মহন্তক দেখি ভয় আঠু নলয়॥
বিবাহ নকৰে কন্যা আনি সেহি ঠাই।
নাম ধৰ্ম্ম মতে হুয় বিবাহ কৰায়॥
পিতৃ মাতৃ মৰিলেও বিপ্ৰ নলগায়।
নামত উচৰ্গা কৰি সেহি দ্ৰব্য খায়॥
নকৰয় শান্তি কৰ্ম্ম নাই দিন বাৰ।
আপোনাৰ মতে ধৰে আচাৰ বিচাৰ॥
লোকক নোচোৱে চৰা কঠে নৰসয়।
যত্ত শাস্ত্ৰ ভাগৱত তাকো নগাহয়॥
ভাৰত পুৰাণ গীতা ৰামায়ণ যত্ত।
দশম কীৰ্ত্তন ঘোষা ৰত্নাৱলী মত॥
ইসব শাস্ত্ৰক ভঙ কিছু নমানয়।
আপোনাৰ মত ধৰি নামক গায়য়॥

এতেকে সেই ভকত বিলাকক তেখেতৰ ওচৰলৈ মাতি আনিব লাগে বুলি খাটনীয়াৰক আদেশ কৰিলে। খাটনীয়াৰে তামোল নোখোৱা আতৈক কোৱাত আতৈ জনদিয়েক ভকতে সৈতে গোসাঁইৰ ওচৰলৈ ২।১ দিনৰ পিছতে আহিল আৰু গোসাঁইৰ ওচৰত লেপেটা কাঢ়ি বহিল, আঠু নললে। গোসাঁয়ে তেওঁবিলাকৰ শাস্ত্ৰ পঢ়িবলৈ কোৱাত বেথাৰামে "অষ্টম প্ৰকাৰ" শাস্ত্ৰ পঢ়িলে। এজন তামোল নোখোৱা ভকতক সোধাত তেওঁ কলে যে যেনেকৈ দ্বাদশ স্কন্ধ ভাগৱত আছে সেই দৰেই তেওঁবিলাকৰ ভিতৰতো দ্বাদশ প্ৰকাৰ শাস্ত্ৰ আছে আৰু তাৰ ভিতৰৰে গোসাঁইৰ আগত পঢ়াখন "অষ্টম প্ৰকাৰ।" গোসাঁয়ে শাস্ত্ৰ শুনি তামোল নোখোৱা আতৈক মূৰ্ত্তি, ভাগৱত, চোঁৱৰ, চন্দ্ৰতাপ, কোষা, অৰ্ঘা, তামি, ঘণ্টা দি মহন্ত পাতিব খুজিলে। তেতিয়া আতৈয়ে কলে যে তেওঁ গোসাঁয়ে পতা মহাজন হবলৈ ইচ্ছা নকৰে। গোসাঁইৰ খং উঠিল আৰু কলে যে দেশত ৰজা নোহোৱা দেখি তেওঁ তেনে কথা কব পাৰিছে আৰু স্বকীয়া ধৰ্ম্ম প্ৰচাৰ কৰিব পাৰিছে; ৰজা থকা হলে ভালকৈ শাস্তি দিয়ালেহেতেন আৰু সত্ৰৰ ভকতক তেওঁৰ ডিঙিত কলহ আঁৰি খেদি দিবলৈ আদেশ কৰিলে। আতৈৰো খং উঠি কলে—

ৰজা নাই বুলি কিয় কৈছা এতিয়া।
ৰজা ভাগি যাস্তে কলৈ গৈছিলা তেতিয়া॥
ইয়াতে আছিলা তুমি নাম গুণ গাই।
এক চিত্ত মন কৰি ভাং কানি খাই॥
কানি বাগী পায়া সবে আছিলাহা পৰি।
মানে আসি লৈয়া গৈল তিৰোতাক ধৰি॥
ভাল ভাল ভকতক নিলে ভাবি কৰি।
থান সত্ৰ এৰি সবে ভৈলা দেশান্তৰি॥
... ... ... ...
শঙ্কৰে কহিয়া আছা মাধৱৰ ঠাই।
সাত পুৰুষত ধৰ্ম্ম উগৰিয়া যায়॥
কেহো নথাকিব ঐত বাক্য অৱসানে।
লণ্ড ভণ্ড কৰিলেক এতেকেসে মানে॥

গোসায়ে থঙতে কলে যে সাপ এটা যদি তেওঁ খামোচ মাৰি ধৰিব পাৰে তেন্তে তেওঁক প্ৰকৃত ভকত বুলিব। আতৈয়ে উত্তৰ দিলে যে জ্বলা জুই একুৰাত যদি তেখেতে হাত সুমাব পাৰে আৰু কোনো অপকাৰ নহয় তেন্তে তেখেতকো তেওঁ গোসাঁই বুলি স্বীকাৰ কৰিব। তেতিয়া গোসায়ে মহাপ্ৰভুৰ প্ৰসাদ আৰু নিৰ্ম্মালি অনাই আতৈক দিব খুজিলে। আতৈয়ে কলে যে মহাপ্ৰভুক তেওঁবিলাকে নামানে যেতিয়া প্ৰসাদ নিৰ্ম্মালিও নলয়। যদি মহাপ্ৰভুক কিবা অপকাৰ কৰিলে

মহাপ্ৰভুৱে তেওঁৰ মাহাত্ম্য দেখুৱাব পাৰে তেতিয়াহে তেওঁবিলাকে মহাপ্ৰভুক মানিব আৰু নিৰ্ম্মালি প্ৰসাদ লব। গোসাঁয়ে অপকাৰ কৰিবলৈ কিয় দিয়া যাব বুলি কৈ বল কৰি আতৈৰ হাতত নিৰ্ম্মালি দিলে। তেওঁ ৰেথাৰামৰ হাতত দি দিলে। তেতিয়া গোসাঁয়ে তেওঁবিলাকক খেদি দিলে আৰু আতৈয়ে পৰমেশ্বৰক সাক্ষী কৰি উঠি গল। কিছুদিনৰ পিছতে সত্ৰত ২।৩ বাৰ জুই লাগিল। তেতিয়া গোসাঁয়ে ধাটনীয়াৰক পঠাই তামোল নোখোৱা আতৈক মতাই আনি সন্তুষ্ট কৰিলে আৰু সত্ৰতো উপদ্ৰৱ নোহোৱা হল। *

মাজুলী অঞ্চলৰ ভকতসকলে সেই ধৰ্ম্ম প্ৰৱৰ্ত্তাই থাকিল কিন্তু কলীয়নী অঞ্চলৰ ভকত সকলে গঞা বাইজ আৰু বেঙ্গেনাআটি মহাজনৰ পৰা আকৌ আমনি সহিব লগাত পৰিল। বেঙ্গেনাআটি মহাজনে ভোগদৈ কাষত বাহ সাজি থাকিবলৈ মন কৰিলে। বাইজে গায় ৰায়নেৰে আগ বঢ়াই আনি বাহৰত ৰাখিলে মহাজনে সেৱা জাননী লৈ মেল-দোৱান কিছুদিন থকাৰ পাছত বাঞ্ছা ৰবা আদি কৰি কিছুমান মানুহে তামোল নোখোৱা ভকত বিলাক বিৰুদ্ধে সোধ দিলে। মহাজনে ৰজাৰ আগত কবলৈ কলে আৰু ডেকা জনকো লগত দি ৰজা আগত গোচৰ দিলে—

শুনিয়োক মহাৰাজ আমাৰ গোচৰ।
আমাক নামানে শিষ্যে কহিলো সত্বৰ॥
নলয় আঠু জান নিৰ্ম্মালি নলয়।
কৰ ভাৰ নেদো বুলি তাহাকো কহয়॥
লৰা সেৱা কৰিবাক নিদিয়ে আমাক।
আমাকো কহয় জানা বহু নিন্দা বাক॥
আমাসাৰ শিষ্যে জানা মহাজন হয়।
আমাৰ মেধিক নিয়া ভকত পাতয়॥
দশম কীৰ্ত্তন ঘোষা ৰত্নাৱলী নাই।
নৱ নৱ পুথি আনি তাকে থাকে গাই॥
নেচোৱে কাহাকো সিটো ফুৰয় অন্ধৰি।
এহি মতে থাকে সিটো সদা হয়া বৈৰী॥

সুশিক্ষা কামেশ্বৰ সিংহই উত্তৰ দিলে—

আমি কি কৰিবো তাক দেখা শুনি চাই।
আমাসাৰ ইটো শকো চলকৰ নাই॥
ৰাজা হইবে পাৰিলে সুধিবো হস্তে আনি।
এহি বুলি মহাৰাজা বুলিলন্ত বাণী॥

সেই কথা গোপন কৰি মহাজনে নিজেই পাচনি পঠাই ভকতসকলক মতাই অনালে। ভকত গল, কিন্তু মহাজনৰ আগত আঠু নললে। মহাজনে তেতিয়া আঁৰ কাপোৰ তৰাই নিজৰ মান নিজে ৰক্ষা কৰিলে। কথা সোধাত ভকতে পূৰ্ব্বৰ সৰেই উত্তৰ কৰিলে। ভকতক কথাৰে ভঙ্গাব নোৱাৰি তেওঁবিলাকক ৰজাই মাতিছে বুলি কৈ ভয় দেখুৱাবলৈ পিথিয়াল বাপুক মতাই আনিলে। বাপুৱে সেই মতে কোৱাত ভকতসকল যাবলৈ ভোলাল, কিন্তু মহাজনে কোনো যান-বাহন নোপোৱাৰ ভাও ধৰি সেই দিনালৈ যোৱা বন্ধ কৰি ভকত-সকলক আটক কৰি ৰাখিব খুজিছিল। মৌজাদাৰে চাক দিয়াত সেয়ে হৈ নুঠিল। দিনচেৰেকৰ পাছত পিথিয়াল বাপুৱে টেকেলাৰ হতুৱাই ভকতৰ ভিতৰৰ ধন ৰবা আৰু বাপীৰামক ধৰাই নি ৰজাৰ আগত ভেটাই দিলে। আনবিলাক ভকত কিয় নাহিল বুলি সোধাত ধন ৰবাই ভয়ত নাহিল বুলি কলে। কিয়নো—"ৰজাৰ খাণ্ডায়ে কাটে সত্বৰ বচনে।" ৰজাই নিৰ্ভয় দিলে আৰু তেওঁবিলাকেনো কি নাম গায় তাকে গাবলৈ কলে। ধন ৰবাই গালে,—

"জয়তি জগত গুৰু নাম দান দিয়া।
শৰণে পশিলো নামে নচাবিবা হিয়া॥"

ৰজাই ভাল নাম বুলি শলাগি তেওঁবিলাকক বিদায় দিলে।

পিছ দিনা পিথিয়াল বাপুৱে ধন ৰবা আৰু হৰিৰাম ভকতক চোলাধৰা ফুকনৰ ঘৰত পাই ৰজাৰ আগত ভেটালে। সেই সময়ত বেঙ্গেনাআটিৰ ডেকা মহাজন দুজনো ৰজা ঘৰলৈ গৈছিল। বলিয়া গোহাঁইৰ চৰাত ৰজা ওলাই ৰহিল। ভকত দুজনে ৰজাৰ আগত লেপেতা কাঢ়ি ৰহিল আৰু ৰজাক স্বৰ্গদেৱ সুবুলি মহাৰাজ বোলাত তাত উপস্থিত থকা লোকসকলে গোজগোজাবলৈ ধৰিলে। ৰজাই কিন্তু কোনো অপমান বোধ নকৰি শাস্ত্ৰ জনা ভকতে তেনে কৰিলে কোনো অপৰাধ নহয় বুলি মন্তব্য প্ৰকাশ কৰিলে। ৰজাৰ ওচৰত বিচাৰ আৰম্ভ হল আৰু শেষত ভকতসকলৰে জয় হল। ৰজাই তেওঁবিলাকক কোনো আহুকাল নকৰিবলৈ আদেশ দিলে।

**মতান্তৰ :**—তামোল নোখোৱা সম্প্ৰদায় সম্বন্ধে আন এটা প্ৰবাদ লোকৰ মুখে শুনিবলৈ পোৱা যায়। শ্ৰীশঙ্কৰদেৱে এনে এটা আচাৰ চলাইছিল যে পৰমেশ্বৰৰ গুণানুকীৰ্ত্তন কৰোঁতে আৰু মানী-লোকৰ লগত আলাপ কৰোঁতে মুখ ভালকৈ পৰিস্কাৰ কৰি ধুই লব লাগে। সেই আচাৰ অনুযায়ী অনেক ভকত চলিছিল। তাৰ বাহিৰেও ব্ৰাহ্মণসকলে যেতিয়া শ্ৰীশঙ্কৰদেৱক অসূয়া আৰু বিদ্বেষ কৰে, তেতিয়া তেখেতে কৈছিল যে ব্ৰাহ্মণসকলে তেখেতৰ আমঠু কলা পেলাইছে। সেই কথাতে তেখেতৰ ঐকান্তিক ভকতসকলে ব্ৰাহ্মণৰ লগত কোনো সংশ্ৰৱ নাৰাখিবলৈ প্ৰতিজ্ঞা কৰিলে। সেই কাৰণেই যি সকল ভকতে যঁতে তঁতে তামোল নাখায় আৰু ব্ৰাহ্মণৰ লগত

---

* তামোল নোখোৱা ভকতৰ লগত দক্ষিণপাট সত্ৰৰ বাসুদেৱ গোসাঁইৰ বিবাদ হোৱা আৰু সত্ৰত জুই লগা কথা বলোৰাম বৰকাকতীয়ে লিখা দক্ষিণপাট সত্ৰৰ চৰিত্ৰতো পোৱা যায়। তাত লিখিছে যে তামোল নোখোৱা ভকতৰ আচৰণৰ কথা শুনি গোসাঁয়ে এদিন সেই সম্প্ৰদায়ৰ অধিকাৰী এজন দক্ষিণপাট সত্ৰলৈ কি কাৰণত অহাত মতাই অনালে। তেওঁবিলাকে কিয় বেদাচাৰ এৰিছে আৰু কিয় মহাপ্ৰভু সেৱা নকৰে এইবিলাক কথা গোসাঁয়ে তেওঁক সোধাত তেওঁ উত্তৰ দিলে যে প্ৰতিমাত কোনো মাহাত্ম্য নাই বেদৰো না ঋষিৰ নানা মত আৰু কলিকালত ব্ৰাহ্মণ তুলসী আদিত একো মন্ত্ৰ নাই। এই কথা শুনি সত্ৰৰ ভকত সকলে তেওঁক বহুত অপমান দি খেদি দিলে। তেওঁ গৈ সেই কথা তামোল নোখোৱা আতৈক কলে। আতৈ ভূত পিশাচ পূজা কৰি সোমেশ্বৰ নামে এজন সত্ৰত থকা মহন্তৰ পুতেকৰ গাত ভূত মেলিলে আ তেওঁৰ ঘৰত জুই দি লৈ প্ৰবৃত্তি হল। সত্ৰৰ আই মাতুৰ ঘৰত কেইবা দিনো সন্ধ্যা সময়ত জুই লাগিল সোমেশ্বৰ ধৰা নপৰাকৈ কিছুদিন আছিল। তাৰ পিছত গোসাঁয়ে ৰামদাস ধাটনীয়াৰক পঠাই আই মাতুৰ ঘৰ চাৰি দিশে চাৰিটা দলি মৰালে আৰু তেতিয়াৰ পৰা তাত জুই নলগা হল কিন্তু সত্ৰৰ ভিতৰত উৎপা হবলৈ ধৰিলে। এদিন গোসাঁই শুই আছে স্বপ্নত ব্ৰাহ্মণ এজনে দেখা দি গোসাঁইক কলে যে সোমেশ্বৰে দিয়ে আৰু সেই দিনা গোসাঁইৰ পূজা ঘৰত জুই দিব। গোসাঁয়ে সাৰ পাই ভকতসকলক মতাই আনি স্বপ্ন দেখা কথা কলে আৰু সকলোকে সতৰ্ক হৈ থাকিবলৈ আদেশ কৰিলে। তৃতীয় প্ৰহৰ নিশাত পূজা ঘৰ জুই লাগিল আৰু সোমেশ্বৰ ধৰা পৰিল। সোমেশ্বৰক যেতিয়া গোসাঁইৰ আগলৈ আনিলে গোসাঁয়ে খৰ ছুৰেট মাৰিলে, কিন্তু সি যেন গমকে নাপালে। তৃতীয় কোৰত তাৰ চকুপানী ওলাল। চতুৰ্থ বেটত তা গাত সাঁচ বাহিলে। সোমেশ্বৰ সম্বন্ধত গোসাঁইৰ ভাগিন হয়। গোসাঁইৰ মৰম লাগি তাৰ মূৰত ধৰি আশীৰ্ব্বা কৰি শিখা বান্ধি দিলে। তেতিয়াৰ পৰা তাৰ স্বভাৱ ভাল হল আৰু সত্ৰতো কোনো উৎপাত নোহোৱা হল এই কথা শুনি তামোল নোখোৱা আতৈৰ বৰ ভয় হল আৰু মৰিবৰ সময়ত অনেক দুৰ্গতি ভোগ কৰি অমাত হৈ মৰিল।

কোনো সংশ্ৰৱ নাৰাখে তেওঁলোকক আনসকলে তামোল নোখোৱা ভকত বুলিবলৈ ধৰিলে আৰু সেয়ে আন এটা সম্প্ৰদায় বুলি পৰিগণিত হল। এই কথা থকা কোনো পুথি এতিয়ালৈকে পোৱা নাই। কিন্তু এনে অনুমান হয় যে এই সম্প্ৰদায় শ্ৰীশঙ্কৰদেৱৰ দিনৰ পৰাই চলি আহিছে, কিয়নো বোধৰ চৰিত্ৰৰ পৰা যি পোৱা হল, তাত ৰমাই আতাই শ্ৰীশঙ্কৰদেৱৰ পৰাই তেওঁৰ প্ৰচাৰিত ধৰ্ম্ম পৰম্পৰা ৰূপে চলি আহিছে বুলি ক… কৰি শৰণত শ্ৰীশঙ্কৰদেৱকে গুৰু বুলি দেখুৱাই… তাৰ উপৰিও য'তে ত'তে যেতিয়াই তেতিয়… তামোল নোখোৱা মহাপুৰুষীয়া ভকত থান, … গাঁও আদিত বৰ্ত্তমানো অনেক পোৱা … আৰু ব্ৰাহ্মণৰ প্ৰাধান্য নমনাৰ প্ৰমাণ চৰি… আৰু থান সত্ৰত বিৰল নহয়।

শ্ৰীৰামেশ্বৰ বৰুৱা

# মুক্তাৱলী

(২২)

ৰৰমেকো গুণী পুত্ৰঃ ন চ মূৰ্খ শতৈৰপি,
একশ্চন্দ্ৰস্তমো হন্তি ন চ তাৰা গণৈৰপি
গুণৱান হ'লে মাত্ৰ একেটি পুত্ৰই
মূৰ্খ পুত্ৰ শতেকৰো অধিক নিশ্চয়,
একেটি চন্দ্ৰয়ে মাত্ৰ আন্ধাৰ গুচায়
নোৱাৰে গুচাব অগণন তাৰকাই।

(২৩)

স জীৱতি গুণাঃ যস্য ধৰ্ম্মো যস্য স জীৱতি
গুণ ধৰ্ম্ম বিহীনস্য জীৱনং নিষ্প্ৰয়োজনং।
গুণীৰ সফল হয় জীৱন ধাৰণ
ধাৰ্ম্মিক জনৰো হয় সাৰ্থক জীৱন,
গুণহীন ধৰ্ম্মহীন হয় যিটো জন
তাৰ জীৱনৰ একো নাই প্ৰয়োজন।

(২৪)

ৰহস্যভেদো যাচ্ঞা, চ নৈষ্ঠুৰ্য্যং চলচিত্ততা
ক্ৰোধো নিঃসত্যতা দ্যূতং এতান্মিত্ৰস্য দূষণং।
গুপ্ত কথা ৰাষ্ট্ৰকৰা, কিবা ভিক্ষা কৰা
নিঠুৰ স্বভাৱ আৰু অধীৰ প্ৰকৃতি,
ক্ৰোধী হোৱা মিছা কোৱা দ্যূতক্ৰীড়া …
মিত্ৰত মানিবাঁ দোষ এই সকলোটি…

(২৫)

একমেপ্যক্ষৰং যং তু গুৰুঃ শিষ্যং প্ৰবোধয়েৎ
পৃথিব্যাং নাস্তি তদ্ৰব্যং যদ্দত্ত্বা সোঽনৃণী ভৱে…
গুৰুৱে শিষ্যক যদি এটি মাত্ৰ আখৰো শিক…
সি ঋণ শুজিব পাৰি, পৃথিৱীত এনে দ্ৰব্য না…

(২৬)

মাতা যস্য গৃহে নাস্তি, ভাৰ্য্যাচাপ্ৰিয়ৱাদিনী
অৰণ্যং তেন গন্তব্যং, যথাৰণ্যং তথা গৃহং।
ঘৰত নেথাকে যাৰ আপোন জননী
ভাৰ্য্যাও যদিহে হয় অপ্ৰিয় ৱাদিনী,
অৰণ্যতে থকা ভাল এৰি সেই ঘৰ
ঘৰ যেনে অৰণ্যও তেনে সিজনৰ।

(২৭)

দৃষ্টিপূতং ন্যসেৎ পাদং, বস্ত্ৰপূতং জলং পিবে…
শাস্ত্ৰপূতং ৱদেদ্বাক্যং মনঃপূতং সমাচৰেৎ।
চাই চিতি খোজ দিব
কাপোৰেৰে ছেকি জল পিব,
শাস্ত্ৰমতে কথা ক'ব
মনোমত কৰ্ম্ম আচৰিব।

(২৮)

চিতা চিন্তা দ্বয়োৰ্ম্মধ্যে চিতা নাম গৰীয়সী,
চিতা দহতি নিৰ্জ্জীৱং, চিন্তা সজীৱমেৱহি।
চিতা চিন্তা উভয়ৰে
চিন্তাকেই শ্ৰেয় বোলা যায়,
চিতাই মৰাহে দহে
চিন্তাই জীয়াকে কৰে ছাই।

(২৯)

আয়ুষঃ ক্ষণএকোঽপি বা
ন লভ্যঃ স্বৰ্ণ কোটিভিঃ,
স চেন্নিৰৰ্থকং নীতঃ
কানু হানিস্ততোঽধিকা।
জীৱনৰ মুহূৰ্ত্তকো নোৱাৰে ঘূৰাব
কোটি কোটি সুবৰ্ণ মুদ্ৰাই,
তেনে জীৱনক যদি মিছাতে নিয়ায়
ততোধিক হানি আৰু নাই।

(৩০)

জ্ঞাতিভিৰ্বণ্টতে নৈৱ, চৌৰেণাপি ন নীয়তে,
দানেন ন ক্ষয়ং যাতি বিদ্যাৰত্নং মহাধনং।
জ্ঞাতিয়ে নেপায় ভাগ
চোৰেও নোৱাৰ তাক নিব চুৰকৈ,
দানত নহয় ক্ষয়
বিদ্যাৰত্ন মহাধন জানিবাঁ নিশ্চয়।

(৩১)

ত্যজ দুৰ্জ্জন সংসৰ্গং, ভজ সাধুসমাগমং,
কুৰু পুণ্যমহোৰাত্ৰং স্মৰনিত্যমনিত্যতাং।
ত্যজিবাঁ দুৰ্জ্জন-সঙ্গ সাধুক ভজিবাঁ
ৰাতি-দিনে পুণ্য আচৰিবাঁ,
সমস্ত সংসাৰ এই অসাৰ তেনেই
এই সত্য নিতে স্মৰিবাঁ।

(৩২)

ন জনস্যাগ্ৰতো গচ্ছেৎ, সিদ্ধে কাৰ্য্যে সমং ফলং,
যদি কাৰ্য্যবিপত্তিঃ স্যাৎ, মুখৰস্তত হন্যতে।
দলৰ আগত যোৱা যুগুত নহয়
কাৰ্য্য সিদ্ধি হ'লে লাভ লোকৰ সমানে,
যদিহে নিসিজে কাম কিবাস্বৰূপত
অকলৈ অপযশ পায় যত মানে।

(৩৩)

দানেন পাণিৰ্নতু কঙ্কণেন
স্নানেন শুদ্ধিৰ্নতু চন্দনেন,
মানেন তৃপ্তিৰ্নতু ভোজনেন
জ্ঞানেন মুক্তিৰ্নতু মুণ্ডনেন।
দানত হাতৰ শোভা, নাই কঙ্কণত
স্নানত যি শুদ্ধি পায়, নাই চন্দনত,
মানৰ তৃপিতি সুখ নাই ভোজনত
জ্ঞানতেহে মুক্তি পায়, নাই মুণ্ডনত।

(৩৪)

দুৰ্জ্জনঃ পৰিহৰ্ত্তব্যঃ বিদ্যয়ালঙ্কৃতোঽপি সন্,
মণিনা ভূষিতঃ সৰ্পঃ কিমসৌন ভয়ঙ্কৰঃ।
দুৰ্জ্জনক তিয়াগিবাঁ
বিদ্যাৰে ভূষিতো যদি হয়,
মণি-বিভূষিত ফণী
কিবা জানো ভীষণ নহয়?

(৩৫)

দুৰ্ব্বলস্য বলং ৰাজা, বালানাং ৰোদনং বলং,
বলং মূৰ্খস্য মৌনিত্বং, চৌৰাণামনৃতং বলং।
দুৰ্ব্বলৰ বল ৰজা
ছৱালৰ অকল ৰোদন,
মূৰ্খৰ মৌনত্ব বল
তস্কৰৰ অসত্য বচন।

শ্ৰীচন্দ্ৰধৰ বৰুৱা

# বৈষ্ণৱ ধৰ্ম্মৰ ক্ৰমবিস্তাৰ

## ১। দখিণ ভাৰতত বৈষ্ণৱ ধৰ্ম্ম

সমগ্ৰ ভাৰতবৰ্ষৰ দৰে দক্ষিণ ভাৰতৰো আদি ধৰ্ম্ম আছিল শৈৱ ধৰ্ম্ম। শৈৱ ৰজা আৰু প্ৰচাৰকসকলৰ যত্নত তামিল্ সাহিত্য বিশেষ পৰিপুষ্ট হৈছিল। কিন্তু সম্প্ৰতি পোৱা আটাইতকৈ পুৰণি তামিল সাহিত্য "সংগম্" কবিতা নামে পৰিচিত। মাদুৰা নামৰ ঠাইত বাস কৰা এক কবি-মণ্ডলীয়ে এই জাতিৰ কবিতা প্ৰবৰ্ত্তন কৰিছিল, আৰু খ্ৰীষ্ট জন্মৰ আগে পাছে কেইবা শতিকাও জুৰি পাণ্ড্যান্ ৰজা-ৰাণীসকলৰ অনুগ্ৰহ লভি এই জাতিৰ কবিতা-সোঁত ধৰি উঠিছিল। এনে এজন "সংগম্" কবিৰ নাম ৰৰাথম্ পাডীয় পেৰুণ্ থেৱানৰ বুলি জনা হয়। তামিল ভাষাত ভেঁৱ ( Venba ) নামে ছন্দত সংস্কৃত মহাভাৰতৰ ভাঙনি কৰোঁতা পেৰম্ দেৱনৰ নামৰ কবি এওঁৱেই। স্বভাৱতে এওঁ শ্ৰীকৃষ্ণ আৰু তেওঁৰ লীলা বৰ্ণনা কৰিছিল বুলি বুজিব পাৰি।

"পেৰুণ্-থেৱানৰ ভৰথম্" বুলি তামিল ভাষাত এখনি কাব্য আছে; ইয়াৰ কৃষ্ণ-লীলা বৰ্ণনা অতি মনোৰম। কিন্তু আধুনিক পণ্ডিতসকলে অনুমান কৰে যে এই পুথি খ্ৰীষ্ট জন্মৰ আগছোৱা কালৰ সেই নামৰ বিখ্যাত কবিৰ ৰচনা নহয়; প্ৰায় অষ্টম শতিকাত ৰাজত্ব কৰা নন্দী বৰ্ম্মন পল্লৱ মল্ল নামৰ এজন পল্লৱ বংশী ৰজাৰ ৰাজত্বত সেই নামৰ আন এজন কবিয়ে এই পুথি লিখিছিল। সি যি হওক, এই "সংগম্" কবিসকলৰ যুগতে অতি ওখ আৰু প্ৰাচীন-গন্ধী ( archaic ) তামিল ভাষাত "পাৰী পাদল্" নামে বৈষ্ণৱ ধৰ্ম্মৰ ভক্তি-পন্থাৰ সুমধুৰ ভাব বৰ্ণাই আন এখনি কাব্য লিখা হৈছিল। কিন্তু তামিলীসকলৰ শ্ৰেষ্ঠ মহা-কাব্য "সীলপ্পথিকৰম্" খ্ৰীষ্টজন্মৰ আগভাগতে তেতিয়াৰ চেৰা ( Chera ) ৰজাজনৰ ভায়েক ইলম্ কো আদিগল্ নামৰ ৰাজ-সন্ন্যাসীয়ে ৰচনা কৰে, আৰু তাত কৃষ্ণভক্তি বিষয়ে কেবাটিও সুন্দৰ কবিতা আছে।

বিখ্যাত বাৰজন আলোৱাৰৰ জন্মস্থান দখিণ ভাৰতেই যে বৈষ্ণৱ ধৰ্ম্মৰ ভক্তি-পন্থাৰ ঘাই কেন্দ্ৰ আছিল, সন্দেহ নাই। পছিম ভাৰতৰ ক্ষত্ৰিয় যদু বংশৰ বৃষ্ণি বা সাত্বত শাখাত জন্ম গ্ৰহণ কৰা বাসুদেৱ কৃষ্ণৰ জন্ম খ্ৰীষ্ট জন্মৰ এহাজাৰ বছৰ মানৰ আগত বুলি অনেক পণ্ডিতে থিৰ কৰে। প্ৰথম ছয় সাত শ বছৰ এই সাত্বত ধৰ্ম্ম অকল মথুৰা আৰু তাৰ আশে-পাশেহে প্ৰচলিত আছিল। অশোক আদি প্ৰবল প্ৰতাপী বৌদ্ধ ৰজাসকলৰ কালত ই পূৰ-ভাৰতৰ ফালে ঠুটিয়াবই নোৱাৰিছিল বুলিব পাৰি; অকল গুপ্ত ৰজাসকলৰ কালত খ্ৰীষ্টীয় প্ৰায় চতুৰ্থ শতিকাতহে ই উত্তৰ ভাৰতৰ ফালে শিপাবলৈ চল পায়। স্বৰূপতে পণ্ডিতসকলৰ মতে এই খ্ৰীষ্টীয় চতুৰ্থ শতিকাতহে গুপ্ত সম্ৰাটসকলৰ সুশাসনত পুৰাণ-সূৰ্য্য শ্ৰীমদ্ভাগৱত ৰচিত হয়; গুপ্ত সম্ৰাটসকলক "পৰম ভাগৱত" ( বৈষ্ণৱ ) বোলা কথায়ো এই মত সমৰ্থন কৰে। কিন্তু ইয়াৰ নিশ্চয় বহুত আগতে অৰ্থাৎ খ্ৰীষ্ট জন্মৰ দুই তিনি শতিকাৰ ভিতৰতে দখিণ ভাৰতত



তামিল ভাষাত কৃষ্ণলীলা বিষয়ক গীত কাব্য আদি ৰচিত হোৱা কথাৰ সঙ্কেত দি অহা হৈছে। শ্ৰীমদ্ভাগৱতত ( ১১ শ স্কন্ধ, ৫ম অধ্যায় ৩৮-৪০ শ্লোক ) তাম্ৰপৰ্ণী আৰু কাবেৰী নৈ বৈ থকা দ্ৰাবীড় দেশত নাৰায়ণৰ ভক্তসকল অধিক-ভাৱে পোৱা হয় বোলা কথায়ো সুপ্ৰমাণিত কৰে যে ভাগৱত ৰচনাৰ আগৰ কালৰেপৰা সেই অঞ্চল সাত্বত ( বৈষ্ণৱ ) ধৰ্ম্মৰ ঘৰ বুলি কৰ পৰা হয়; গতিকে তামিল ভাষাৰ কৃষ্ণ-ভক্তিমূলক গীতেই বৰ্ত্তমান ভাৰতীয় বৈষ্ণৱ ধৰ্ম্মৰ প্ৰথম ফেহুজালিও বুলিব পাৰি।

জৈন ধৰ্ম্মৰ চোৱে দখিণ ভাৰতৰ এই "সংগম্" কবিতাৰ যুগৰ সামৰণি পেলালে আৰু কেইবা শতিকাও জুৰি ইয়াৰ প্ৰভাৱ চৰিবলৈ ধৰিলে। তাৰ পাছত নায়ন্মাৰসকলৰ নেতৃত্বত শৈৱ ধৰ্ম্মৰ পুনৰুত্থান আন্দোলন আৰম্ভ হল; আৰু তাকো তল পেলাই আলোৱাৰসকলে বৈষ্ণৱ ধৰ্ম্মক পুনৰ্জীৱন দি দখিণ ভাৰতত জৈন ধৰ্ম্মৰ শিপা জোকাৰি পেলালে। ভক্তিক প্ৰাধান্য দিয়াৰ কাৰণে জৈন বা শৈৱ ধৰ্ম্মতকৈ বৈষ্ণৱ ধৰ্ম্মই সহজে সকলোৰে মন আকৰ্ষণ কৰিবলৈ ধৰিলে। আলোৱাৰসকলে "থেৱৰম্" আৰু "প্ৰৱন্ধম্" নামে খ্যাত ভক্তিমূলক গীতবোৰ নিজ মাতৃভাষা তামিলত ৰচনা কৰি মন্দিৰে মন্দিৰে গাবলৈ ধৰিলে। সেই গীতবোৰত সোমাই থকা নতুন ধৰ্ম্মভাৱ সৰ্ব্ব-সাধাৰণেও অতি তৃপ্তিৰে গ্ৰাস কৰিবলৈ ধৰিলে।

খ্ৰীষ্টীয় সপ্তমৰ পৰা নৱম শতিকালৈকে এই আলোৱাৰসকলে প্ৰৱলভাৱে বৈষ্ণৱ ধৰ্ম্মৰ পুনৰ্জন্মৰ এই আন্দোলন চলাই আছিল। এই ধৰ্ম্মৰ দাৰ্শনিক তত্ত্বও সকলোৱে বুজিব পৰাকৈ তেওঁলোকে মাতৃভাষা তামিলতে প্ৰচাৰ কৰিবলৈ ধৰিলে। ইয়াৰ উপৰিও মহাবিষ্ণুৰ উদ্দেশে বন্দনা গীত আদি ৰচনা কৰি তেওঁলোকে মানুহৰ মনত ভক্তি ভাৱ দ-কৈ সুমুৱাই দিবলৈ ধৰিলে। ৰাম আৰু কৃষ্ণ এই দুই অৱতাৰকে ঘাই কৰি তেওঁলোকে সকলো গীত ৰচি প্ৰচাৰ কৰিবলৈ লাগিল; পিছে অসমৰ দৰে দখিণ ভাৰততো ৰামতকৈ কৃষ্ণৰ ধ্যান উপাসনা আৰু ভক্তি অধিক সৰৱৰহী হবলৈ ধৰিলে।

বিষ্ণু চিত্ত বা পেৰিয়া আলোৱাৰ আৰু তেওঁৰ জীয়েক শ্ৰীঅণ্ডল এনে গীত ৰচনাত অতি নিপুণ আছিল; অতি ওখ ভক্তি ভাৱৰ লগত সুমধুৰ তাল-মানৰ সমন্বয় তেওঁলোকৰ গীতৰ বৈশিষ্ট্য আছিল। শ্ৰীঅণ্ডল ভক্তি-কন্যা বুলি পৰিচিত; তেওঁ কৃষ্ণ-ভক্তিত এনেদৰে নিমগ্ন হৈছিল যে কৃষ্ণ দেৱতাৰ বাহিৰে আন কালৈকো তেওঁক বিয়া দিবলৈ মন নেমেলিবলৈ পিতাকক মান্তি কৰাইছিল। কোৱা বাহুল্য যে অনেক কালৰ পিছত এই আদৰ্শৰেই উত্তৰ ভাৰতৰ মীৰা বাই অনুপ্ৰাণিত হৈছিল। স্বপ্নতো শ্ৰীঅণ্ডলে কৃষ্ণৰ লগত বিয়া হোৱাকেহে দেখা পায়। *

---

* আলোৱাৰসকলৰ এই গীতবোৰৰ ভাৱ আৰু গঢ়ত অসমীয়া দিহা নামৰ কোনো কোনো ঘোষাৰ লগত প্ৰায় মিলে। শ্ৰীঅণ্ডলৰ এটি গীতৰ ইংৰাজী অনুবাদ এনে:—

'The dark Bull that grazed the heid,
The young calf next to Baladeva :
Did you see him wending
His way full of play ?'
'Yes ! Giving water to his beloved Herd
of cows
We saw him at Brindavan full of play.'

নৰম শতিকাৰ পাছত আলোৱাৰসকলে নাথমুনি আৰু যমুনাচাৰ্য্য প্ৰভৃতি শ্ৰেষ্ঠ দাৰ্শনিক পণ্ডিতসকলক বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰৰ ঠাই এৰি দিছিল। এওঁলোকৰ পাছতহে ৰামানুজাচাৰ্য্যৰ আবিৰ্ভাব।

**২। ৰামানুজাচাৰ্য্য আৰু তেওঁৰ বিশিষ্টাদ্বৈতবাদ**

১০১৯ বা ১০১৭ বা ১০১৬ খ্ৰীষ্টাব্দত দাক্ষিণাত্যৰ চেঙ্গলপত জিলাৰ ভিতৰুৱা শ্ৰীপৰম্বুদুৰ গাঁৱত ৰামানুজ স্বামীয়ে জন্মগ্ৰহণ কৰে। এওঁৰ পিতাক কেশৱ ত্ৰিপাঠী ( সমাজী ) হাৰিত গোত্ৰৰ যজুৰ্ব্বেদী আপস্তম্ব শাখাধ্যায়ী আছিল; কিন্তু প্ৰপন্নামৃত গ্ৰন্থ মতে এওঁ কুশিক গোত্ৰীয় নৃসিংহাচাৰ্য্যৰ হে পুত্ৰ। ৰামানুজৰ পিতাক তোণ্ডীৰমণ্ডলৰ ভিতৰুৱা ভূতপুৰী নামে নগৰত বাস কৰিছিল আৰু তেওঁ এজন অদ্বিতীয় পণ্ডিত আছিল। পিতাকৰ কাষতে ৰামানুজে ১৫ বছৰ বয়সলৈকে বেদ অধ্যয়ন কৰে; পাছতহে শ্ৰীৰঙ্গমলৈ গৈ মহাপূৰ্ণাচাৰ্য্যৰ শিষ্য হৈ তেওঁৰ ওচৰত বেদ-বেদাঙ্গ আৰু বেদান্ত আদি নানা শাস্ত্ৰ শিক্ষা কৰে, আৰু অসাধাৰণ ধী-শক্তিৰ বলত ৰামানুজ অতি অলপ দিনৰ ভিতৰতে সকলো শাস্ত্ৰত পাৰদৰ্শী হৈ উঠে।

লৰা কালৰ পৰাই ৰামানুজৰ হিয়াত বিষ্ণু-ভক্তি এনেভাৱে জাগৰুক আছিল যে বিষ্ণুপ্ৰেমত অনেক সময়ত এওঁ তন্ময় আৰু আপোন-পাহৰা হৈ গৈছিল। জ্ঞান-বয়স বঢ়াৰ লগে লগে এওঁৰ বিষ্ণু-ভক্তিও ক্ৰমে গভীৰ হৈ আহিছিল। পঢ়াসাং কৰি তেওঁ মন্থৰা ( বা মধুৰান্তক ) নামে ঠাইলৈ আহি বৈষ্ণৱ মতত দীক্ষিত হৈ ভক্তিমাৰ্গ আশ্ৰয় কৰি মুক্তি-তত্ত্বৰ উপদেশ দিবলৈ ধৰে। ৰামানুজে যাদৱপ্ৰকাশ নামে অদ্বৈতবাদী শৈৱ সম্প্ৰদায়ৰ পণ্ডিত এজনৰ ওচৰত শাস্ত্ৰ শিক্ষা কৰে বুলিও জনা যায়। ভবিষ্যত বিশিষ্টাদ্বৈতবাদ প্ৰৱৰ্ত্তক ৰামানুজে যাদৱ প্ৰকাশৰ বেদান্ত ব্যাখ্যাত কিবা আসোঁৱাহ দেখুওৱাত ভীষণ ক্ৰুদ্ধ হৈ যাদৱপ্ৰকাশে তীৰ্থ স্নান কৰোৱাৰ ছলেৰে ৰামানুজক পানীত পেলাই মাৰিবৰ দিহা কৰে। আগতে কেনেবাকৈ এই ষড়যন্ত্ৰৰ ভু পাই ৰামানুজে এজন চৰাই-মৰীয়া আৰু তেওঁৰ ঘৈণীয়েকৰ সহায়ত ৰাতিয়েই দুৰ্গম অৰণ্যৰ মাজেদি পলাই আহি ঘৰত মাকক উপায় সোধে। মাকে ৰামানুজক কাঞ্চীক্ষেত্ৰত থকা কাঞ্চীপূৰ্ণ নামৰ এজন ভক্তৰ ওচৰলৈ পঠিয়ালে।

কাঞ্চীপূৰ্ণই সকলো কথা শুনি আশ্বাস যাচি ৰামানুজক বৰদৰাজ স্বামীৰ মন্দিৰৰ বিষ্ণু মূৰ্ত্তিৰ আগত নিতৌ একলহ পানী আগবঢ়াবলৈ উপদেশ দিলে। ইয়াকে 'আপ্ত বাক্য' ৰূপে শিৰত লৈ ৰামানুজে বৰদৰাজৰ কিঙ্কৰ-ৰূপে পবিত্ৰভাৱে কাল কটাবলৈ ধৰিলে। পাছত কাঞ্চীপূৰ্ণৰ অতল ভগৱৎ প্ৰেমত মুগ্ধ হৈ, বৰদৰাজৰূপী বিষ্ণুৰ অন্তৰঙ্গ সেই ভক্তৰ উচ্ছিষ্ট ভোজন কৰি জীৱন কৃতাৰ্থ কৰিবলৈ ৰামানুজে সংকল্প কৰিলে, আৰু

'আমাৰে কৃষ্ণাইক ক'তে দেখিলা ?'

'চাৰে বৃন্দাবনে ধেহু হে !'

—এনে ঘোষা তুলনীয়। পেৰিয়া আলোৱাৰৰ এটি গীতৰ আভাস:—

'With anklets jingling at His feet,<br>
With armlets (sounding) round His wrists,<br>
With gold necklace (flowing) from His neck,<br>
My Kanan walks behind me stealthily,<br>
And embraces me from my back.'



সেইমতে কাঞ্চীপূৰ্ণক এওঁৰ নিজ ঘৰত এসাজ ভোজন কৰিবলৈ মাতিলে। কিন্তু ৰামানুজ জাতত বামুণ, আৰু কাঞ্চীপূৰ্ণৰ পিতাক শূদ্ৰিৰ আৰু মাক পৰ্ব্বতীয়া শবৰী জাতিৰ তিকতা; ৰামানুজৰ অভিপ্ৰায় বুজি কাঞ্চীপূৰ্ণ উভয়-সঙ্কটত পৰিল, বামুণক তেওঁৰ এনেহা খুওৱা লৌকিক আচাৰ বিৰুদ্ধ; নহলেও ইফালে ৰামানুজে নেৰে।

এইবোৰ ভাবি-গুণি পলমকৈ কাঞ্চীপূৰ্ণ ৰামানুজৰ ঘৰ ওলালগৈ। ইফালে পলম হোৱা দেখি ৰামানুজ আগবাঢ়ি গল, কিন্তু কাঞ্চীপূৰ্ণ বেলেগ বাটে অহাত দুইবো ভেটাভেটি নহল। এই ছেগতে মন্দিৰত বহুত কাম বাকী আছে বুলি ৰামানুজৰ ঘৈণীয়েকক কৈ, লৰালৰিকৈ ভাত খুজি খাই, খোৱা পাতখন নিজেই বহুত দূৰলৈ দলিয়াই পেলাই কাঞ্চীপূৰ্ণ উলটি গল। ৰামানুজে কাঞ্চীপূৰ্ণক ক'তো লগ নাপাই উভতি আহি দেখে যে ঘৈণীয়েকে গা-পা ধুই ন-কৈ ভাত ৰহাবলৈ গৈছে। কি হল বুলি সোধাত ঘৈণীয়েকে কলে বোলে শূদ্ৰিৰ পিতাক আৰু শবৰী মাকৰ সন্তান কাঞ্চীপূৰ্ণই আগতে খাই যোৱাত চৰুত থকা বাকী ভাতখিনিও তেওঁৰ এৰেহাৰ দৰে হল; সেইদেখি সেইখিনি দাস-দাসীক দি চৰু পেলাই ৰামানুজ আৰু তেওঁ খাবলৈ ন-কৈ ভাত ৰহাবলৈ আহিছে। ঘৈণীয়েকৰ এনে জাত্যাভিমান দেখি ৰামানুজ খিণ আৰু খঙত অধীৰ হল; শুদা ভক্তিৰ বলত যিজন মহাপুৰুষ বৰদৰাজ বিষ্ণুৰ অন্তৰঙ্গ হৈছে, তেওঁৰো আকৌ জাতৰ বিচাৰ! ইয়াৰ অলপ দিনৰ পাছত এনে দুই-এটি কথাৰে চেলু লৈ ঘৈণীয়েক ৰক্ষাম্বাক মাকৰ ঘৰলৈ পঠিয়াই ৰামানুজে সন্ন্যাস গ্ৰহণ কৰে।

কাল আৰু ঘনিষ্ঠতা বাঢ়ি অহাৰ লগে লগে বিষ্ণুমূৰ্ত্তি বৰদৰাজৰ সেৱাত ৰত থাকি কাঞ্চীপূৰ্ণৰ প্ৰতি ৰামানুজৰ শ্ৰদ্ধা-ভক্তি ক্ৰমে গভীৰতৰ হবলৈ ধৰিলে; সেইদেখি মন্দিৰত বহি থকা অৱস্থাতে এদিন কাঞ্চীপূৰ্ণক ৰামানুজে পেনাকে মিনতি জনালে—'কৃপাময়, আজি আপুনি মোক মোৰ পঞ্চ সংস্কাৰ সম্পন্ন কৰি উদ্ধাৰ কৰক। মই আপোনাৰ শৰণাগত; আপোনাত বাজে মোৰ সহায় আৰু কোন আছে! ইহজগতত আপুনিয়ে সৰ্ব্বশ্ৰেষ্ঠ ভক্ত; এতেকে মোক যেন আওকাণ নকৰে।' ইয়াৰ উত্তৰত কাঞ্চীপূৰ্ণই অতি মৰমেৰে কলে, 'বৎস ৰামানুজ, ভৰদ্বাজ সংহিতাৰ মতেও যোগীসকলে সকলো যোনিতেই জন্ম গ্ৰহণ কৰে। যি সকলে পৰমাত্মাৰূপী ভগৱানক প্ৰত্যক্ষ কৰিছে, তেওঁলোকৰ কুল আদিৰ বিচাৰ হব নোৱাৰে। তথাপি সমাজৰ বিৰাগভাজন হবলৈ লৌকিক আচাৰৰ বিৰুদ্ধ কাম মই কৰিব নোৱাৰোঁ'।

'ধৰ ধৰ কলীয়া কলৈ পলায় ?......

ৰুণুক জুনুক কৰি নূপুৰ বজায় '

এনে ঘোষা তুলনীয়। পেৰিয়া আলোৱাৰৰে আৰু এটি গীত—

'My little Dwarf, my Ambrosia, my Lord,<br>
Calls you with His little hands beckoning you;<br>
If you make up your mind to play, with the Dark hued,<br>
Come well pleased. Oh ! big Moon, hide not behind the clouds.'

"ৰাধিকা সুন্দৰী দুয়ো জনা,

কদমৰ তললৈ মাতি আনা"...ইত্যাদি।

হতাশ হৈ ৰামানুজে কলে—'হে ভক্তশ্ৰেষ্ঠ, তেনেহলে নো মোৰ উপায় কি? মই কোন গুৰুৰ শৰণাগত হম, আপুনিয়ে কৈ দিয়ক।' কাঞ্চীপূৰ্ণই আকৌ মৰমেৰে কলে—'বৎস ৰামানুজ, এদিন বাট চোৱাঁ; তোমাক উপযুক্ত গুৰু দেখুৱাই দিম।'

### ৬। আলোৱাৰসকল আৰু ৰামানুজৰ পূৰ্ব্ববৰ্ত্তী আচাৰ্য্যসকল

ৰামানুজৰ বহুত আগৰে পৰা ভক্তিপ্ৰাণ আলোৱাৰসকলে কৃষ্ণ ভক্তিমূলক গীতেৰে দখিণ ভাৰত চিৰমুখৰিত কৰি ৰাখিছিল বুলি কোৱা হৈছে। সেই সকলৰ ভক্তিপ্ৰাণতাই বৈষ্ণৱ ধৰ্ম্মৰ মূল বস্তু। এই সম্পৰ্কে এটি কাহিনী আছে। খ্ৰীষ্টীয় শতশতিকাত দাক্ষিণাত্যৰ ওৰাবুৰ নামে ঠাইত তিৰুপ্পান নামে এজন আলোৱাৰ আছিল; তেওঁ জাতিত পৰিয়া বা চণ্ডাল আছিল। তেওঁ নিতৌ বীণ বাই কৃষ্ণ-কীৰ্ত্তন কৰি ফুৰে। এইদৰে নাম-কীৰ্ত্তনত তন্ময় হৈ এদিন প্ৰায় অচেতন অৱস্থাত তেওঁ শ্ৰীৰঙ্গনাথ মন্দিৰৰ সন্মুখত পৰি আছিল। এনেতে মুনি নামে সেই মন্দিৰৰ পূজাৰিজন আহি বাটত এটা চণ্ডাল পৰি থকা দেখি নিলগৰেপৰা তাৰ গালৈ দলি এটা মাৰি তাক আঁতৰি যাবলৈ কয়। তিৰুপ্পান চণ্ডাল সচেতন হৈ লৰালৰিকৈ উঠি বাট এৰি আঁতৰি যায়। মুনি পূজাৰি আহি দুৱাৰমুখ পাই দেখে যে মন্দিৰৰ দুৱাৰ ভিতৰৰ পৰা মৰা। বহুত যত্নেৰেও দুৱাৰ মেলিব নোৱাৰি পূজাৰিয়ে মন্দিৰৰ অধিষ্ঠাতা দেৱতাক কাকুতি কৰিবলৈ ধৰিলে।

অনেক স্তুতি-নতিৰ মূৰত কোনোবাই ভিতৰৰ পৰা কোৱা যেন শুনিলে, 'মুনি, তুমি আজি মোক ভৰিৰে প্ৰহাৰ কৰিলা; তোমাক ভিতৰ সোমাবলৈ দিব নোৱাৰো।' পূজাৰিয়ে কাতৰ কণ্ঠেৰে সুধিলে,—'প্ৰভু, কেতিয়া মই আপোনাক তেনে কৰিলোঁ?' সমিধান আহিল—'কাবেৰী তীৰ্থত যি মহাপুৰুষে হাতত বীণ লৈ মোৰ নাম-কীৰ্ত্তন কৰিছিল, তেওঁ মোৰ দ্বিতীয় বিগ্ৰহ; তুমি যদি তেওঁক কান্ধত লৈ মোৰ মন্দিৰ প্ৰদক্ষিণ কৰা, তেতিয়াহে দুৱাৰ মেল খাব, নহলে নহয়।' শুনা মাত্ৰেই মুনিয়ে পগলাৰ দৰে তিৰুপ্পান চণ্ডালৰ ওচৰ পালেগৈ। মুনিৰ ক্ষমা-প্ৰাৰ্থনাত চণ্ডালে আচৰিত হৈ ভয় খাই মুনিক কলে—'প্ৰভু, মই হীন চণ্ডাল; যদি কিবা অপৰাধ কৰিছোঁ, মোক উচিত দণ্ড দিয়ক।' তাৰ কথা শেষ হবলৈ নৌপাওঁতেই মুনিয়ে তাক বলেৰে কান্ধত তুলি সপ্তপ্ৰাকাৰ বিশিষ্ট শ্ৰীৰঙ্গনাথৰ মন্দিৰ প্ৰদক্ষিণ কৰিলে, আৰু তেতিয়াৰে পৰা তিৰুপ্পান চণ্ডালৰ নাম হল—মুনিবাহন।

এই আলোৱাৰসকলৰ উপৰিও ৰামানুজৰ পূৰ্ব্ববৰ্ত্তীৰূপে নাথমুনি, যমুনাচাৰ্য্য আদি প্ৰধান বৈষ্ণৱাচাৰ্য্যসকলো আছিল। এইসকলৰ বাহিৰেও, আদিতে বৈষ্ণৱ মত চলাওঁতাসকলৰ ভিতৰত শঠাৰি বা শঠকোপো এজন। শঠাৰি নীহকুলীয়া শিল্পী এঘৰত ওপজে আৰু স্বৰ্গীয় প্ৰতিভাৰ গুণত অসাধাৰণ জ্ঞানৰ অধিকাৰী হয়। শ্ৰুতিৰূপ সমুদ্ৰ মথি দ্ৰাবিড় ভাষাত "শঠাৰি সূত্ৰ" নামে এওঁ এখন বৈষ্ণৱ গ্ৰন্থ ৰচনা কৰে। জনসাধাৰণক তেওঁ বৈষ্ণৱ ধৰ্ম্মত দীক্ষিত কৰিবলৈ যত্ন কৰিছিল, কিন্তু কেইবাটাও কাৰণত তেওঁ সফল নহল। যমুনাচাৰ্য্যৰ তিৰোভাৱৰ বাতৰি পাই ৰামানুজ লৰালৰিকৈ সেই ঠাইত উপস্থিত হলগৈ। শৰৰ ওচৰ চাপি তেওঁ দেখে যে হাতৰ তিনটা



আঙুলি জাপ খাই আছে। কাৰণ সুধি শিষ্যসকলৰ পৰা জানিব পাৰিলে যে মৰাৰ অলপ আগতে যমুনাচাৰ্য্যই তিনটা অপূৰ্ণ কামনাৰ লেখ লৈছিল আৰু তেনে কৰি আঙুলি কোঁচাওঁতেই তেওঁ চকু মুদিলে।

যমুনাচাৰ্য্যৰ সেই তিনিটা অপূৰ্ণ কামনাৰ প্ৰথমটো হৈছে, বেদান্ত সূত্ৰৰ বৈষ্ণৱ মত পৰিপোষক এখন শ্ৰীভাষ্য লিখা; দ্বিতীয় আৰু তৃতীয় দুটা, বিষ্ণুপুৰাণ-প্ৰণেতা পৰাশৰ আৰু শঠাৰি-সূত্ৰ ৰচয়িতা শঠকোপৰ নাম চিৰস্মৰণীয় কৰি ৰখা। ৰামানুজেই যমুনাচাৰ্য্যৰ সেই অপূৰ্ণ কামনা তিনটি পূৰণ কৰিবৰ অভিপ্ৰায়ে শ্ৰীভাষ্য, বিষ্ণুসহস্ৰনামভাষ্য প্ৰভৃতি ৰচি শঙ্কৰাচাৰ্য্যৰ মায়াবাদী অদ্বৈতবাদ মত খণ্ডন কৰি নিজ বিশিষ্টাদ্বৈতবাদ মত প্ৰতিষ্ঠা কৰে আৰু ভাষ্যকাৰ নামে প্ৰসিদ্ধ হয়। শঠাৰিৰ আন এটা নাম কাৰিপুত্ৰ; এই নাম স্মৰণীয় কৰিবৰ বাবে ৰামানুজে তেওঁৰ এজন শিষ্যৰ নাম ৰাখে কাৰিকেশ। দাক্ষিণাত্যৰ কুৰুকা নগৰত শঠকোপ মুনিৰ এটি মূৰ্ত্তি আছিল; যতিৰাজ ৰামানুজে তীৰ্থৰূপে এই নগৰ দৰ্শন কৰি ভক্তিভাৱে এই মূৰ্ত্তিক প্ৰণিপাত কৰিলে, আৰু পূজাৰিসকলে দিয়া প্ৰসাদ আৰু মালা আদি পৰম শ্ৰদ্ধাৰে গ্ৰহণ কৰিলে। তাৰ পাছত কৃতাঞ্জলি কৰি এই শ্লোক পাঠ কৰি স্তৱ কৰিলে—

"বকুল-ধৱল মালা বক্ষসং বেদান্ত প্ৰবল সময়-
বাদচ্ছেদনং পূজনীয়ম্।
বিপুল কুৰুকনাথং কাৰিসূনং কৱীশং শৰণমুপগ-
তোঽহং চক্ৰহস্তেভৱক্ৰম্॥"

কাঞ্চীপূৰ্ণই এদিন দেখুৱাই দিম বোলা গুৰু ৰামানুজে এইদৰেই বিচাৰি পাইছিল বুলিলে বোধকৰো ভুল নহব।

'প্ৰপন্নামৃত', 'স্মৃতিকালতৰঙ্গ', 'ভক্তমাল' প্ৰভৃতি প্ৰাচীন গ্ৰন্থই ৰামানুজৰ জীৱনীৰ প্ৰমাণ-প্ৰদ্ধতি বুলিব পাৰি। ৰামানুজাচাৰ্য্যক অনেক বৈষ্ণৱে অৱতাৰ বুলি মানে; নানা শাস্ত্ৰত, ঘাইকৈ বেদান্তত তেওঁ অদ্বিতীয় পণ্ডিত হলেও, দাক্ষিণাত্যৰ পণ্ডিতসকলৰ মতে শঠাৰি সূত্ৰ অৱলম্বন কৰিহে তেওঁ শ্ৰীসম্প্ৰদায় নাম দি বৈষ্ণৱসকলক সম্প্ৰদায়ভুক্ত কৰি যায়, আৰু বেদান্ত সূত্ৰৰ শ্ৰীভাষ্য লিখি বৈষ্ণৱ মতক দৰ্শনসিদ্ধ কৰে।

প্ৰায় আঠেকুৰিখন ভাষ্য ৰামানুজৰ ৰচিত বুলি জনা যায়। দ্ৰাবিড়, তৈলঙ্গ, মাড়ৱাৰ আৰু গুজৰাটত ৰামানুজ-পন্থী অনেক লোক আছে। শ্ৰীসম্প্ৰদায়ৰ প্ৰসিদ্ধ আচাৰ্য্য এজনৰ মতে ক্ৰমে ব্যাস, বোধায়ন, গুহদেৱ, ভাৰুচি, ব্ৰহ্মনন্দী, দ্ৰমিড়াচাৰ্য্য, শ্ৰীপৰ ক্ষুশনাথ, যমুনাচাৰ্য্য আৰু নৱমতহে যতীশ্বৰ ৰামানুজে এই বিশিষ্টাদ্বৈতবাদ প্ৰচাৰ কৰে; কিন্তু আগৰ আচাৰ্য্যসকলৰ চমু মত এতিয়া লুপ্তপ্ৰায় আৰু ৰামানুজৰ মতহে প্ৰচলিত। অনেক কালৰ আগতে ভাৰতবৰ্ষত যি পঞ্চৰাত্ৰ বা ভাগৱত মত চলিছিল, ৰামানুজে একপ্ৰকাৰ সেই মতকে ঘোষণা কৰে। ডক্টৰ ৰামকৃষ্ণ গোপাল ভাণ্ডাৰকাৰৰ মতে ( Report on the Search of Sanskrit Mss., 1883-84, p. 73 ) ক্ষত্ৰিয়মূলক এই পঞ্চৰাত্ৰ বা সাত্বত ধৰ্ম্মৰে আলম লৈ ৰামানুজে এই বৈদান্তিক বিশিষ্টাদ্বৈতবাদ মত প্ৰতিষ্ঠা কৰে।

সি যি হওক, কাঞ্চীপুৰৰপৰা ৰামানুজ তিৰুপতিলৈ আহি বেঙ্কটাদ্ৰিৰ ওপৰত বিয়দ্‌গঙ্গা তীৰ্থত কিছুকাল তপস্যা কৰে, আৰু তাত সিদ্ধ হৈ তেওঁ বেঙ্কটেশ দেৱৰ পূজা-পদ্ধতি চলায়

বুলি কয়। তাৰপৰা আকৌ শ্ৰীৰঙ্গমলৈ আহি তেওঁ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ লাগিল, আৰু হাজাৰ হাজাৰ লোক তেওঁৰ ধৰ্ম্মত দীক্ষিত হল। এই সময়তে, ৰামানুজে সকলো লোকক উত্তেজিত কৰিছে আৰু চলিত ধৰ্ম্মমত সলাই পেলাইছে, এনে অভিযোগ শুনি ত্ৰিশিৰাপল্লীৰ চোল ৰজা কৃমিকান্তই ৰামানুজৰ ওপৰত অসন্তুষ্ট হৈ তেওঁৰ প্ৰাণবধ কৰিবলৈ মানুহ পঠিয়ালে; আৰু আত্ম-ৰক্ষাৰ কাৰণে ৰামানুজে শ্ৰীৰঙ্গ এৰি থৈ মহিসুৰৰ ভিতৰুৱা যাদৱপুৰী বা মেলকোটত আশ্ৰয় ললেগৈ।

মেলকোটৰ অধিপতি বল্লাল জৈন ধৰ্ম্মী হলেও উদাৰ মতাৱলম্বী আছিল। ৰামানুজৰ অসাধাৰণ গুণত মোহিত হৈ বল্লাল ৰজাই জৈন ধৰ্ম্ম এৰি বৈষ্ণৱ ধৰ্ম্ম গ্ৰহণ কৰে, আৰু বিষ্ণুবৰ্দ্ধন নাম লয়। জৈন গুৰুসকলে এই হেতু বিশেষ অসন্তুষ্ট হৈ ঘনাই ৰামানুজৰ বিৰুদ্ধে ৰজাৰ আগত অনেক অভিযোগ কৰিলে, আৰু বাধ্য হৈ ৰজাই শাস্ত্ৰীয় বিচাৰ কৰিবৰ বাবে দুই পক্ষক আহ্বান কৰিলে। কেইবা দিনো জুৰি ৰামানুজ আৰু জৈনসকলৰ ভিতৰত তৰ্ক-যুদ্ধ চলিল; শেষত জৈন গুৰুসকল সম্পূৰ্ণ পৰাস্ত হৈ বহুত বৈষ্ণৱ ধৰ্ম্মত দীক্ষিত হল আৰু কিছুমানে দেশকে এৰিলে। যাদৱপুৰীৰ (বৰ্ত্তমান টোন্নাৰৰ) জৈন মন্দিৰ ধূলিসাৎ হল, আৰু তাৰ ঠাইত ৰামানুজৰ নাৰায়ণ স্বামীৰ মন্দিৰ মূৰ দাঙি উঠিল, আৰু সেই নাম অনুসৰি আজিও সেই ঠাইক 'তেজ-নাৰায়ণপুৰ' বোলে। প্ৰপন্নামৃত গ্ৰন্থ মতে ১০৯১ খ্ৰীষ্টাব্দত যাদৱাচলত ৰামানুজে শ্ৰীনাৰায়ণ মূৰ্ত্তি প্ৰতিষ্ঠা কৰে।

ইয়াৰ পাছত ৰামানুজ এই মেলকোটতে বাৰ বছৰ থাকি নিজ মত প্ৰচাৰ কৰে। চোল ৰজা কৃমিকান্ত মৰাৰ বাতৰি পাই তাৰ পাছত তেওঁ শ্ৰীৰঙ্গলৈ উলটি আহে, আৰু ৰঙ্গনাথ স্বামীৰ পূজাপদ্ধতি সংস্কাৰ কৰি সকলোকে নিজ মতত দীক্ষিত কৰে। তাৰ পাছত তেওঁ ভাৰতবৰ্ষৰ সকলো ঠাইতে নিজ মত প্ৰচাৰৰ অৰ্থে বাহিৰ ওলাল। পোনতে তেওঁ তিৰুপতিয়েদি মহাৰাষ্ট্ৰলৈ আহে; যেয়ে এওঁৰ ভক্তিপূৰ্ণ বিমল তত্ত্ব-উপদেশ শুনিছিল সেয়ে বৈষ্ণৱ ধৰ্ম্ম গ্ৰহণ কৰিছিল। তাৰপৰা তেওঁৰ জৈনসকলৰ ঘাই তীৰ্থ গিৰ্ণৰলৈ আহি ভালেমান জৈন ধৰ্ম্মীক বৈষ্ণৱ ধৰ্ম্মত দীক্ষিত কৰে। গিৰ্ণৰৰ দাঁতি-কাষৰীয়া দত্তাত্ৰেয় ক্ষেত্ৰত অলপ দিন থাকি এওঁ দ্বাৰকালৈ আহে, আৰু ইয়াত শঙ্কৰাচাৰ্য্যৰ মতাৱলম্বী অনেক লোক এওঁৰ শিষ্য হয়। তাৰপৰা এওঁ ক্ৰমে প্ৰয়াগ, মথুৰা, বাৰাণসী, হৰিদ্বাৰ প্ৰভৃতি তীৰ্থ ঠাই সোমাই এওঁৰ বিশিষ্টাদ্বৈতবাদ প্ৰচাৰ কৰে। তাৰ পাছত বদৰিকাশ্ৰম সোমাই এওঁ কাশ্মীৰলৈ আহি তাৰ মঠাধ্যক্ষসকলক তৰ্কত হৰুৱাই নিজ মতলৈ আনে। তাৰ পাছত কুৰুক্ষেত্ৰ সোমাই অযোধ্যাৰ ৰামচন্দ্ৰৰ পৱিত্ৰ থান দৰ্শন কৰে। তাৰপৰা বৌদ্ধাধিকাৰ গয়ালৈ আহি ইয়াতো বহুত লোক বৈষ্ণৱ মতলৈ আনে। তাৰপৰা কৰমণ্ডল উপকূলেদি পদ্মনাভ, সিংহাচল,, কাঞ্চীপুৰ, তীৰ্থ দৰ্শন কৰি শ্ৰীৰঙ্গলৈ ওলটে। জীৱনৰ বাকী ছোৱা কাল তাতে থাকি হাজাৰ হাজাৰ পাপী-তাপীক উদ্ধাৰ কৰি ১২০ বছৰ বয়সত ১১৩৬ বা ১১৩৭ বা ১১৩৯ খ্ৰীষ্টাব্দত (৪২৩৮ কলি যুগাব্দত) ইয়াতে নৰদেহ ত্যাগ কৰে।



৪। অন্যান্য বৈষ্ণৱাচাৰ্য্যৰ বিভিন্ন মতবাদ

ৰামানুজৰ পাছত ১১৬২ খ্ৰীষ্টাব্দত নিম্বাৰ্কাচাৰ্য্য, ১১৯৭ত মধ্বাচাৰ্য্য আৰু ১৪৭৯ত বল্লভাচাৰ্য্য (মৃত্যু ১৫৩১ খ্ৰীঃ) আদিয়ে বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰে। অষ্টম শতিকাৰ শঙ্কৰাচাৰ্য্যৰ মতক অদ্বৈত-বাদ আৰু ৰামানুজাচাৰ্য্যৰ মতক বিশিষ্টাদ্বৈতবাদ বোলাৰ দৰে এওঁলোকৰ পৰৱৰ্ত্তী নিম্বাৰ্কাচাৰ্য্যৰ মতক দ্বৈতাদ্বৈতবাদ, মধ্বাচাৰ্য্যৰ স্বতন্ত্ৰাস্বতন্ত্ৰবাদ, বল্লভাচাৰ্য্যৰ শুদ্ধাদ্বৈতবাদ, ভাস্কৰাচাৰ্য্যৰ ভেদা-ভেদবাদ, আৰু বলদেৱাচাৰ্য্যৰ মতক অচিন্ত্য ভেদাভেদবাদ বোলা হয়। বেদান্ত দৰ্শন বা ব্ৰহ্মসূত্ৰৰ ৫৫৫ টি সূত্ৰৰ বিবিধ ভাষ্য বা ব্যাখ্যা অনুসাৰেই যে এইবোৰ বিভিন্ন মত হৈছে, সন্দেহ নাই। সমগ্ৰ উত্তৰ আৰু দখিণ ভাৰতত ৰামানুজৰ অলেখ শিষ্য আছিল, আৰু তাৰ ৭৪ জনক তেওঁ পীঠাধিপতি বা সিংহাসনাধিপতি পাতি যায়; তেওঁ-লোকৰ বংশধৰসকল এতিয়াও শ্ৰীবৈষ্ণৱসকলৰ গুৰু, আৰু এতিয়াও আচাৰ্য্য উপাধিৰেই পৰিচিত।

ৰামানুজৰ পাছত অনেক আচাৰ্য্যই তেওঁৰ প্ৰবৰ্ত্তিত ভক্তি-ধৰ্ম্ম দখিণ ভাৰতত প্ৰচাৰ কৰে। ষোড়শ আৰু সপ্তদশ শতিকাত "অষ্টপ্ৰবন্ধম্‌ৰ" গ্ৰন্থকাৰ পিলৈ পেৰুমল আয়েঙ্গাৰ আদিয়ে শ্ৰীকৃষ্ণ বিষয়ক অনেক সুৱলা কবিতা ৰচে। এই কালতে সংস্কৃত ভাগৱত গ্ৰন্থও তামিল ভাষালৈ অনূদিত হয়, আৰু বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰক মহাপুৰুষসকলৰ চৰিত-পুথিও ৰচিত হয়। ৰামানুজৰ প্ৰবৰ্ত্তিত বৈষ্ণৱ ধৰ্ম্মকে মনবল মহা-মুনিয়ে দখিণ ভাৰতত প্ৰচলন কৰি থাকে; আৰু পিছৰ যুগত মঠাধিপতিসকলেও সেইদৰেই সেই ধৰ্ম্ম চলায়। আগৰ সেই পণ্ডিত আৰু কবি-সকলে স্তোত্ৰ বা গীতৰূপে ৰচা কবিতাবোৰ "প্ৰবন্ধ" ৰূপে, আৰু তাৰ ওখ জটিল দাৰ্শনিক তত্ত্বৰোৰ সংস্কৃত আৰু তামিল মিহলি ভাষাত "মণিপ্ৰৱালম্‌" ৰূপে পৰিচিত; দখিণ ভাৰতৰ বৈষ্ণৱ আন্দোলনেই সেই সকলোৰে জনম দিছিল।

এই ওখ তৰপৰ সাহিত্যত বাজেও অসমীয়া বা চহা মৌখিক সাহিত্যৰ দৰে তামিলী চহা সাহিত্যত শ্ৰীকৃষ্ণ-লীলা বস্তুৱে বিশেষ ঠাই জিনিছে। তামিল সাহিত্যৰপৰা দেখা যায় যে দখিণ ভাৰতত কৃষ্ণ প্ৰাকৃতৰ গঢ়ত "কান্নন" (কানু) নামে বিশেষ জনাজাত। আজিকালিও ঘাইকৈ পুহ-মাঘ মহীয়া ১০ দিন ১০ ৰাতি জুৰি যেতিয়া 'মাৰ্গলি' উৎসৱ হয়, তেতিয়া দখিণ ভাৰতৰ বৈষ্ণৱ মন্দিৰবোৰ কৃষ্ণ-গীতেৰে মুখৰিত হৈ উঠে। পুৰা আমাৰ শঙ্কৰ মাধৱৰ ৰচিত বৰগীতৰ দৰে দ্ৰাবিড় দেশত সেই উৎসৱত দোকমোকালিতে "থিৰুপ্পাৱি" বোলা শ্ৰীঅণ্ডলৰ ৰচিত ভক্তিমূলক তামিল গীতবোৰ গোৱা হয়। সেইদৰে মহানৱমী (দশোহৰা) উৎসৱত দখিণ ভাৰতৰ সকলো পঢ়াশলীয়া লৰা-ছোৱালীয়ে হাতে হাতে সৰু সৰু মাৰি লৈ ঘৰে ঘৰে কৃষ্ণ-লীলা বিষয়ক গীত গাই "কুম্মি" আৰু "কোলত্তম্" বোলা গাঁৱলীয়া নাচ নাচে। এই গীত-নাচ উজনি অসমৰ হুচৰি আৰু নামনিৰ 'মহ-খেদা'ৰ লগত অলপ মিলে। সম্প্ৰতি দখিণ ভাৰতৰ ডাঙৰ ডাঙৰ নগৰতো ইংৰাজী আদৰ্শেৰে গঢ়া ছোৱালীৰ পঢ়াশালিতো এই "কুম্মি" আৰু "কোলত্তম্" নাচ সোমাবলৈ ধৰিছে।

ইমানেই নহয়, বিতোপন বসন্তৰ কোনো পূৰ্ণিমা নিশা, সেই দেশৰ ৰমকজমক সাজপাৰ

পিন্ধা গাঁৱলীয়া ডেকা-গাভৰু মিলি কৃষ্ণ-লীলা বিষয়ক গীত গাই নচা দৃশ্য দেখিবলৈ নোপোৱাকৈ থকা নাযায়। গৰখীয়া লৰায়ো তাত গৰু-মহ চৰাওঁতে কৃষ্ণ-ভক্তিমূলক গীতেৰে পথাৰ প্ৰতিধ্বনিত কৰে; মাকে কেচুৱা নিচুকাওঁতে যশোদাই কৃষ্ণক নিচুকোৱা নাম নাগালে লৰা ওমলোৱাই নহয়! এইদৰেই ওখ দাৰ্শনিক সাহিত্যৰপৰা আৰম্ভ কৰি চহা-গীত বা লৰা-ওমলোৱা নামলৈকে কৃষ্ণ-লীলাই প্ৰাধান্য লভি, এই ভক্তিধৰ্ম্ম ডাঙৰ-দীঘল কৰা দ্ৰাবিড় দেশত তাক আজিও সম্পূৰ্ণ সজীৱ ৰাখিছে।

ৰামানুজাচাৰ্য্যৰ বিশিষ্টাদ্বৈতবাদেই দখিণ ভাৰত তথা সমগ্ৰ ভাৰতৰ নৱ-বৈষ্ণৱ আন্দোলনৰ মূল স্ফুলিংগ বুলিলেও ঘাই আলম বুলিব পাৰি। এওঁৰ তিনি শতিকাৰ পূৰ্ব্বৰ বৈদান্তিক পণ্ডিত শঙ্কৰাচাৰ্য্যই অকল বেদৰ ওপৰত ভৰ দি শাৰীৰক ভাষ্য ৰচি অদ্বৈতবাদ প্ৰচাৰ কৰে। এই অদ্বৈতবাদৰ তাৎপৰ্য্য হৈছে—জীৱ, জগৎ আৰু ঈশ্বৰ তিনিও স্বৰূপতে এক; অজ্ঞানবশতঃ যেনেকৈ জৰীকে সাপ বুলি ভ্ৰম হয়, আৰু জ্ঞান উদয় হলেই যেনেকৈ সেই জৰীতেই সাপৰ বিলয় হয়, সেইদৰে মায়াৰ প্ৰভাৱত ব্ৰহ্মৰ পৰাই জীৱ আৰু জগতৰ উৎপত্তি হয় আৰু মায়া দূৰ হলেই এইবোৰ ব্ৰহ্মতে লয় পায়। গতিকে শঙ্কৰাচাৰ্য্যৰ মতে ব্ৰহ্মই একমাত্ৰ সৎবস্তু; আৰু "সোঽহং", "অহং ব্ৰহ্মাস্মি" উপলব্ধিৰ চেষ্টাই ইয়াৰ উপাসনা।

ৰামানুজাচাৰ্য্যই এই মত খণ্ডন কৰি কয় বোলে অনন্ত জীৱ আৰু জগৎ ব্ৰহ্মৰ শৰীৰ, আৰু তেওঁ তাৰ আত্মা। জগৎ ব্ৰহ্মৰ পৰাই উৎপন্ন; গতিকে ব্ৰহ্ম-শক্তিৰ পৰিণাম স্বৰূপ এই জগৎ শঙ্কৰাচাৰ্য্যই কোৱা দৰে তেনে অসৎ হব নোৱাৰে। জুইৰ ফিৰিঙটিৰ দৰে জীৱ মাত্ৰই ব্ৰহ্মৰ পৰা উদ্ভূত গতিকে অদ্বৈতবাদী শঙ্কৰাচাৰ্য্যই কোৱা মতে ব্ৰহ্মৰ লগত জীৱৰ স্বজাতীয় বা বিজাতীয় ভে[দ] নাথাকিব পাৰে, কিন্তু স্বগত ভেদ নিশ্চয় আছে অৰ্থাৎ জীৱ ৰূপ ঠাল-ঠেঙুলিবোৰ ব্ৰহ্ম-ৰূপ মূ[ল] বৃক্ষৰ পৰাই ওলোৱা, অৰ্থাৎ জীৱ আৰু ব্ৰহ্ম পৃথক, এক নহয়। ব্ৰহ্ম সৰ্ব্বজ্ঞ আৰু সৰ্ব্ব[-] শক্তিমান, জীৱ অল্পজ্ঞ আৰু অল্পশক্তিমান; ব্ৰহ্ম দুঃখাতীত আৰু অখণ্ড, জীৱ দুঃখাধীন আৰু খণ্ড। শঙ্কৰাচাৰ্য্যৰ মতে, মায়া দূৰীভূত হোৱা[ত] জীৱই 'ময়েই ব্ৰহ্ম' বুলি বুজিব পৰাই মুক্তি; কিন্তু ৰামানুজাচাৰ্য্যৰ মতে ঠাল-ঠেঙুলি ঘূৰি গা[-] গছ হব নোৱৰাৰ দৰে জীৱও কেতিয়াও ব্ৰহ্ম হবগৈ নোৱাৰে। ঈশ্বৰ লাভেই অৱশ্যে জীৱৰ মুক্তি-লাভৰ উপায়; কিন্তু মুক্ত হৈ ব্ৰহ্মৰ সান্নিধ্য লাভ কৰিলেও, জীৱই তেওঁৰ সেৱক ভাৱে থাকিয়েই আনন্দ উপভোগ কৰে, অৰ্থাৎ বিশিষ্টা[-] দ্বৈতবাদীয়ে জানিবা মিচিৰি খাবলৈ বিচাৰে, কিন্তু নিজে মিচিৰি হবলৈ নিবিচাৰে। এয়ে নামঘোষা আদিৰ 'মুক্তিতো নিস্পৃহ' ভাব।

বিশিষ্টাদ্বৈতবাদ মতে উপযুক্ত গুৰুৰ কাষ[ত] শাস্ত্ৰপাঠ, স্তৱ, বন্দন, কীৰ্ত্তন, শ্ৰৱণ আদিয়েই 'ঈশ্বৰ লাভৰ' উপায়। এই মতে ঈশ্বৰে লীলাবশত[ঃ] (১) অৰ্চ্চা (প্ৰতিমাদি), (২) বিভৱ (ৰাম আদি অৱতাৰ), (৩) ব্যূহ (বাসুদেৱ, সঙ্কৰ্ষণ, প্ৰদ্যুম্ন, আৰু অনিৰুদ্ধ, এই চতুৰ্ব্যূহ), (৪) সূক্ষ্ম (পাপহীনতা, ৰজঃশূন্যতা, অমৰত্ব, বিশোকত্ব, অক্ষৰত্ব, আৰু সত্যকাম সত্যসংকল্পত্ব পৰব্ৰহ্ম, এই সম্পূৰ্ণ ষড়গুণ), (৫) অন্তৰ্যামী (সকলো জীৱৰ নিয়ামক) এই পাঁচৰূপে অৱস্থান কৰে; অৰ্থাৎ অৰ্চ্চাৰ



উপাসনাৰ দ্বাৰা পাপ ক্ষয় হলে সাধক বিভৱ উপাসনাৰ অধিকাৰী হয়; তাৰ পাছত ব্যূহ-উপাসনাৰ অধিকাৰী হৈ সূক্ষ্ম উপাসনাত নিৰত হলেহে শেষত অন্তৰ্য্যামীৰ উপাসনা কৰিব পাৰে। কোনো কোনোৰ মতে অভিগমন, উপাদান, কথা, অধ্যায় আৰু যোগ, বিশিষ্টাদ্বৈতবাদে এই পাঁচ উপাসনা স্বীকাৰ কৰিছে। কিন্তু ৰামানুজাচাৰ্য্যই সকলো জ্ঞান-উপাসনাৰ শিৰোমণিৰূপে ভক্তিকেহে যে ভাগৱৎ-প্ৰাপ্তিৰ ঘাই উপায় বুলিছে অৰ্থাৎ বিশিষ্টাদ্বৈতবাদ যে বিশিষ্টভাৱে ভক্তিমূলক, আৰু অনন্যপৰা বিষ্ণুভক্তিয়েই হে যে প্ৰকৃত ভক্তি, এই বিষয়ে কোনো সন্দেহ নাই।

ৰামানুজাচাৰ্য্যৰ পাছত নিম্বাৰ্কাচাৰ্য্যই তেওঁৰ দ্বৈতাদ্বৈতবাদ প্ৰচাৰ কৰে। শঙ্কৰাচাৰ্য্যৰ অদ্বৈত-বাদ মতে ব্ৰহ্ম অজ্ঞানতা বা মায়াৰে আবৃত থাকোঁতে সবিশেষ, সগুণ, সক্ৰিয় বা সাকাৰ, স্বৰূপত ব্ৰহ্ম নিৰ্ব্বিশেষ, নিৰ্গুণ, নিষ্ক্ৰিয় আৰু নিৰাকাৰ; কিন্তু নিম্বাৰ্কাচাৰ্য্যৰ মতে ব্ৰহ্ম স্বৰূপতে নিৰ্গুণ আৰু সগুণ দুইটাই। ব্ৰহ্মৰপৰাই জীৱ আৰু জগত উভয়ে পৰিণতি লভিলেও, ব্ৰহ্ম উভয়ৰে অতীত ৰূপেও আছে, গতিকে তেওঁ বিভিন্ন; ইফালে, জীৱ আৰু জগৎ ব্ৰহ্মতেইহে আছে, সেইদেখি উভয়েই ব্ৰহ্মৰ লগত অভিন্ন।

মধ্বাচাৰ্য্যৰ স্বতন্ত্ৰাস্বতন্ত্ৰবাদ বা পূৰ্ণপ্ৰজ্ঞ-দৰ্শন ৰামানুজাচাৰ্য্যৰ মতৰ লগত প্ৰায় একে। মধ্বাচাৰ্য্যৰ মতে সমগ্ৰ মঙ্গল গুণৰ আধাৰ বিষ্ণু স্বতন্ত্ৰ বা স্বাধীন তত্ত্ব, আৰু জীৱ আৰু জগত অস্বতন্ত্ৰ বা বিষ্ণুৰ অধীন তত্ত্ব। জীৱ আৰু জগত সদায়েই ভগৱানৰ পৰা পৃথক, কেতিয়াও এক হোৱাৰ সম্ভাৱনা নাই; ভগৱানৰ সেৱা কৰি সাৰূপ্য, সাযুজ্য বা সালোক্য মুক্তি লাভ কৰাই জীৱৰ লক্ষ্য হোৱা উচিত। ৰামানুজাচাৰ্য্যৰ লগত মধ্বাচাৰ্য্যৰ মতৰ প্ৰভেদ ইমানেই যে মধ্বাচাৰ্য্য স্পষ্ট দ্বৈতবাদী, কিন্তু ৰামানুজাচাৰ্য্য অলপ অদ্বৈতবাদীও।

যোড়শ শতিকাৰ আগভাগত বল্লভাচাৰ্য্যই (১৪৭৯-১৫৩১ খ্ৰীঃ) শুদ্ধ দ্বৈতবাদ প্ৰচাৰ কৰে। এওঁৰ মতে জীৱ আৰু ব্ৰহ্ম উভয়েই শুদ্ধ, আৰু গোলোকৰ শ্ৰীকৃষ্ণ ৰূপ ব্ৰহ্মক, তেওঁৰ কৃপাত গোপী-ভাৱ লভি, পতিভাৱে সেৱা কৰি সুখ বোধ কৰাই জীৱৰ মোক্ষৰ উপায়। বল্লভাচাৰ্য্যৰ মতে জ্ঞান মাৰ্গ আৰু দাস্য ভাৱাপন্ন ভক্তি-মাৰ্গতকৈ এই মধুৰ বা স্বামী-স্ত্ৰী ভাৱাপন্ন প্ৰীতি-মাৰ্গই প্ৰকৃষ্ট। শ্ৰীচৈতন্যদেৱৰ প্ৰচাৰিত ধৰ্ম্ম বল্লভাচাৰ্য্যৰ প্ৰচাৰিত ধৰ্ম্মৰ ভিত্তকৰা বুলিব পাৰি।

এইবোৰৰ উপৰিও, ভাস্কৰাচাৰ্য্যৰ ভেদাভেদবাদ আৰু বলদেৱাচাৰ্য্যৰ অচিন্ত্য ভেদাভেদবাদ সেই বেদান্ত দৰ্শন বা ব্ৰহ্মসূত্ৰৰপৰাই অনা মত। ভাস্কৰাচাৰ্য্যৰ মতে জীৱ আৰু জগৎ উভয়েই ব্ৰহ্মৰ লগত কাৰ্য্যৰূপে ভেদ, আৰু কাৰণৰূপে অভেদ: ব্ৰহ্মই ভোগ্য শক্তিত জগৎৰূপে আৰু ভোক্তৃশক্তিত জীৱৰূপে পৰিণত। বলদেৱাচাৰ্য্যৰ মতে জীৱ নিৰ্ব্বিকাৰ ব্ৰহ্মৰ সেৱক, মুক্তি লাভ কৰিলেও জীৱ ব্ৰহ্মৰপৰা ভেদভাৱে থাকে; ব্ৰহ্ম নিৰ্ব্বিকাৰ হলেও, অচিন্ত্য শক্তিৰ বলেৰে জগৎ ব্ৰহ্মৰেই পৰিণাম আৰু সত্য।

বিদ্ ধাতুৰ অৰ্থ জনা; অতি পুৰা কালৰ আৰ্য্যঋষিসকলৰ হিয়াত যি জ্ঞান প্ৰতিফলিত হৈছিল সেয়ে বেদ। বেদৰ আন নাম শ্ৰুতি; অনেক কাল এই জ্ঞান-উপদেশবোৰ পুৰুষ-পৰম্পৰা শুনি অহা হৈছে বুলিয়েই এই দ্বিতীয়

নাম। ব্যাসদেৱেই এই জ্ঞান-উপদেশবোৰ জুকিয়াই ঋক্, যজুঃ, সাম, অথৰ্ব্ব, এই চাৰি ভাগত বিভক্ত কৰে। সংহিতা আৰু ব্ৰাহ্মণবোৰে স্তৱ-স্তুতি, যাগ-যজ্ঞ আদিৰ শিক্ষা দিয়ে বুলি এইবোৰক বেদৰ কৰ্ম্ম-কাণ্ড আৰু আৰণ্যক, আৰু উপনিষদবোৰে আত্মা, ব্ৰহ্ম, সৃষ্টিতত্ব আদিৰ আলোচনা কৰে দেখি এইবোৰক জ্ঞান-কাণ্ড বোলা হয়। কৰ্ম্ম-কাণ্ড বেদৰ আগছোৱা আৰু জ্ঞান কাণ্ড শেষ-ছোৱা; এই বাবেই জ্ঞানকাণ্ডক বেদৰ অন্ত বা বেদান্ত বোলা হয়। য'ত বেদৰ মূল তত্বসমূহ পোৱা হয়, বা যি জ্ঞান পালে যাগ-যজ্ঞ আদি বৈদিক কৰ্ম্মানুষ্ঠানৰ অন্ত পৰে অৰ্থাৎ সেইবোৰ ক্ৰিয়া-কাণ্ডৰ প্ৰয়োজন নাথাকে, সেয়ে বেদান্ত; এনে অৰ্থও ধৰা হয়।

বৈদান্তিক পণ্ডিতসকলৰ মতে বেদান্তৰ তিনটি প্ৰস্থান,—শ্ৰুতিপ্ৰস্থান উপনিষৎ, স্মৃতিপ্ৰস্থান গীতা আৰু ন্যায়প্ৰস্থান ব্ৰহ্মসূত্ৰ। বেদান্ত বুলিলে গীতা, উপনিষদ্ আৰু ব্ৰহ্মসূত্ৰ তিনিও শাস্ত্ৰ বুজায়; কিন্তু বেদান্তদৰ্শন বুলিলে শুদা ব্ৰহ্মসূত্ৰহে বুজিব লাগে। পুৰা কালত ভিক্ষু বা সংসাৰত্যাগী সন্ন্যাসীসকলেহে বেদান্তদৰ্শন আলোচনা কৰিছিল বুলি ব্ৰহ্মসূত্ৰৰ আৰু এটা নাম ভিক্ষুসূত্ৰ। ব্ৰহ্মই ইয়াৰ মুখ্য প্ৰতিপাদ্য বিষয় বুলিয়েই ইয়াক ব্ৰহ্মসূত্ৰ কয়। উপনিষদবোৰৰ বিভিন্ন মত মিলাই মহৰ্ষি ব্যাসে এই গ্ৰন্থ ৰচে দেখি ইয়াৰেই আন আন নাম বেদান্ত-মীমাংসা, উত্তৰ (জ্ঞানকাণ্ড) মীমাংসা, শাৰীৰক আত্মা মীমাংসা ইত্যাদি। এই জ্ঞান-কাণ্ডৰ দৰেই আচাৰ্য্য জৈমিনি মুনিয়ে বেদৰ কৰ্ম্মকাণ্ডৰ বিৰোধ গুচাই যি গ্ৰন্থ ৰচে, তাৰ নাম কৰ্ম্মমীমাংসা বা পূৰ্ব্বমীমাংসা।

বৈদান্তিক আচাৰ্য্যসকলৰ ওপৰত উল্লেখ কৰা বিভিন্ন মতবাদ ব্ৰহ্মসূত্ৰৰ ৫৫৫ টি সূত্ৰৰ পৰাই লোৱা বুলি পণ্ডিতসকলৰ মত। গতিকে সেই মতবোৰৰ মাজত, বাহিৰে দেখাত যিমানেই প্ৰভেদ থাওক, স্বৰূপত কোনো মূলগত পাৰ্থক্য নাই বুলি বুজিব পাৰি। দেশ কাল আৰু পাত্ৰ-ভেদে আৱশ্যক অনুসৰি সেই মহাপুৰুষসকলে লোক সমাজৰ হিতৰ অৰ্থে একে সত্য ধৰ্ম্মকে সামান্য তাৰতম্যেৰে প্ৰচাৰ কৰিছিল, এই মাত্ৰ। সেই মতবোৰৰ ভিতৰত ৰামানুজাচাৰ্য্যৰ প্ৰচাৰিত বিশিষ্টাদ্বৈতবাদৰ লগতে অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ প্ৰবৰ্ত্তক শ্ৰীশঙ্কৰদেৱৰ বিশেষ মিল দেখা পোৱা হয়। বিশিষ্ট-অদ্বৈতবাদ নামেই দেখুৱায় যে অদ্বৈতবাদৰে ই এটা নতুন ৰূপ; গতিকে ঠায়ে ঠায়ে শঙ্কৰাচাৰ্য্যৰ লগতো শঙ্কৰদেৱৰ মতৰ দুই এক মিল থকা অসম্ভৱ নহয়। এই দুই মূল মতবাদৰ বাহিৰে অসমৰ বৈষ্ণৱ ধৰ্ম্মৰ আন তুলনা নিবিচাৰিলেও হয়।

মিলৰ বিষয়ে ইমানেই। কিন্তু ইয়াৰ পৰা শ্ৰীশঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মক দক্ষিণ ভাৰতৰ ৰামানুজৰ প্ৰচাৰিত ধৰ্ম্মৰে এটি অসমীয়া সংস্কৰণ বুলিলে মাৰাত্মক ভুল কৰা হব। শঙ্কৰাচাৰ্য্য আৰু ৰামানুজাচাৰ্য্যৰে মূল উপাদান একে ব্ৰহ্ম-সূত্ৰৰ পৰা অনা হলেও যেনেকৈ মতবাদ ৰূপে দুইটা সুকীয়া আৰু মৌলিক, শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মও সেইদৰে স্বাধীন তত্ব। ৰামানুজৰ অৰ্চ্চা, বিভৱ, ব্যূহ আদি পঞ্চ অৱস্থা, বা অভিগমন, উপাদান আদি পঞ্চ উপাসনা প্ৰভৃতি অসমীয়া বৈষ্ণৱ ধৰ্ম্মত নাই; কিন্তু ৰামানুজৰ প্ৰচাৰিত ধৰ্ম্মৰ দৰেই শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্ম্মও বিশেষভাৱে



ভক্তিমূলক, এই মূল নীতিত উভয় ধৰ্ম্মই এক। বেদান্তৰ তিনিপ্ৰস্থানৰ ভিতৰত ন্যায়প্ৰস্থান ব্ৰহ্মসূত্ৰৰ দৰে, স্মৃতি প্ৰস্থান গীতা আৰু শ্ৰুতি-প্ৰস্থান উপনিষদ ৰামানুজৰ নিচিনাকৈ শঙ্কৰদেৱৰো ঘাই অৱলম্বন; গতিকে বিষ্ণু, নাৰায়ণ বা কৃষ্ণৰূপী ব্ৰহ্ম অনন্যপৰা ভক্তি বা একশৰণ, উভয়ৰ ধৰ্ম্মৰ আন এক মূল নীতি। দক্ষিণ ভাৰতৰ আচাৰ্য্যসকলৰ পূৰ্ব্বে, সন্তৱ আলোৱাৰ-সকলৰ সময়ৰপৰাই কৃষ্ণৰ কোনো নামত শৰণ লোৱা প্ৰথা আছিল; তেওঁলোকে তাক "প্ৰপত্তি" বুলিছিল। কিন্তু ৰামানুজে তাক 'শৰণ' নামেই অভিহিত কৰিছিল বুলি জনা যায়। "চাণ্ডালোঽপি দ্বিজশ্ৰেষ্ঠঃ হৰিভক্তিপৰায়ণঃ" মত বৈষ্ণৱ ধৰ্ম্মৰ এক মূল সত্য; গতিকে বামুণ ৰামানুজে অন্ত্যজ কাঞ্চীপূৰ্ণ বা শঠকোপক গুৰু মনাৰ দৰে মহেন্দ্ৰ কন্দলি, ৰামৰাম গুৰু আদি বামুণসকলে শূদ্ৰিৰ শঙ্কৰত শৰণ লোৱা, আৰু বামুণ ৰামানুজে শূদ্ৰিৰৰো অন্ত্যজ কাঞ্চীপূৰ্ণৰ উচ্ছিষ্ট ভোজন কৰিবলৈ বিচৰাৰ দৰে বামুণ অনন্ত কন্দলিয়ে শূদ্ৰিৰ শঙ্কৰৰ উচ্ছিষ্ট ভোজন কৰিবলৈ বিচৰা কথাই, প্ৰকৃত বৈষ্ণৱসকলে জাতিভেদক শাস্তি-ভেদৰূপেই বিশেষ শ্ৰদ্ধা নকৰাৰ প্ৰমাণ দিয়ে যদিও দক্ষিণ ভাৰতৰ মনৱল মহামুনিৰ দৰে শঙ্কৰদেৱে অসমত জাতিভেদ প্ৰথা সমূলক্কে গুচাই দিবলৈও যত্ন নকৰিছিল।

## ৫। ৰামানন্দ আৰু ৰামাৎ সম্প্ৰদায়

উত্তৰ ভাৰতৰ ৰামানন্দ শঙ্কৰদেৱৰ প্ৰায় সমসাময়িক আৰু শিষ্য পৰম্পৰা ৰামানুজৰ পঞ্চম স্থানীয় বুলি কোৱা হয়; ৰামানুজ, দেৱানন্দ, হৰিনন্দ, ৰাঘৱানন্দ, ৰামানন্দ। কিন্তু ভক্তমাল গ্ৰন্থমতে ৰামানুজ, দেৱাচাৰ্য্য, ৰাঘৱানন্দ, ৰামানন্দ সেই গ্ৰন্থত মাজৰে এজন কি ততোধিক শিষ্যৰ নাম বাদ পৰাও সম্ভৱ। কিন্তু এওঁ যে ৰাঘৱানন্দৰ পাছৰে, সন্দেহ নাই। সকৰে পৰা ৰামানন্দ স্বাধীন প্ৰকৃতিৰ আছিল; সেইদেখিয়েই এবাৰ তেওঁ দেশভ্ৰমণৰ পৰা উলটি আহোঁতে, শ্ৰীসম্প্ৰদায়ৰ আচাৰ অনুসৰি প্ৰবাসত এওঁ ভোজ্য আৰু ভোজন গোপন কৰা নাই বুলি ৰাঘৱানন্দ প্ৰভৃতিয়ে তেওঁৰ লগত একেলগে আহাৰ নকৰা বোলাত এওঁ নিজক অপমানিত বোধ কৰি কাশীলৈ গুচি আহে। তাতে পঞ্চগঙ্গাঘাটত থাকি এওঁ নিজ নামেৰে নতুন বৈষ্ণৱ সম্প্ৰদায় প্ৰবৰ্ত্তিত কৰে। এই কাৰণে এওঁৰ শিষ্যসকলে সেই ঠাইতে এটা মঠ সজাইছিল; কোনোবা মুছলমান ৰজাই তাক ভাঙি পেলোৱাত তাত এতিয়া এখন শিলা-বেদী আৰু তাৰ ওপৰত ৰামানন্দৰ ভৰিৰ সাঁচ আঁকা আছে। কাশীতো ৰামানন্দৰ সম্প্ৰদায়ৰ এটা ঘাই মঠ আছে; এই মঠৰ কাম পঞ্চায়তৰ নিৰ্দ্দেশমতে হিন্দুস্থানৰ ৰামাৎসকলে চলায়।

ৰামাৎ বা ৰামানন্দী বৈষ্ণৱ সম্প্ৰদায় উত্তৰ ভাৰতত প্ৰসিদ্ধ। এওঁলোকে ৰামচন্দ্ৰ, সীতা, লক্ষ্মণ আৰু হনুমানৰ উপাসনা কৰে। এই সম্প্ৰদায়ৰ বিষয়ী বা গৃহী আৰু ধৰ্ম্মব্ৰতী বা উদাসীন, দুটি ভাগ আছে। উদাসীনসকলে তীৰ্থপৰ্য্যটনত ভিক্ষা, নহলে বাণিজ্য, আদিৰে জীৱিকা উলিয়ায়। ঠায়ে ঠায়ে এওঁলোকৰ যি মঠ আছে, তাতো এওঁলোকে এইদৰে ফুৰোঁতে অলপ দিনৰ কাৰণে জিৰাই যাব পাৰে। বুঢ়া হলে মৰণ কাললৈকে এওঁলোকে কোনো মঠত আশ্ৰয় লয় বা নিজে মঠ পাতি থাকি কাল

কটায়। মঠবোৰ সাধাৰণতে সেই বৈষ্ণৱ সম্প্ৰদায়ৰ গুৰুসকলৰ থকা ঠাই; তাত এটা বিগ্ৰহ মন্দিৰ, মঠৰ গৰাকিজনৰ থান ( সমাধি ) আৰু মহন্ত আৰু তেওঁৰ সতীৰ্থ শিষ্যসকলৰ বাহ থাকে। ইয়াৰ বাহিৰে তীৰ্থযাত্ৰী আৰু উদাসীনসকলৰ জিৰণিৰ কাৰণে একোটি ধৰ্ম্মশালা থাকে; তাতে সোমোৱাত কাৰো বাধা নাই। একোখন প্ৰদেশত একোটা সম্প্ৰদায়ৰ সুকীয়া সুকীয়া মঠ আছে; মঠৰ গৰাকিসকলে তেওঁলোকৰ ভিতৰৰে এজনক মুখিয়াল বুলি মানে। যিটো মঠ সেই সম্প্ৰদায়ৰ মুখিয়াল জনৰ নামে থাকে, গোটেই প্ৰদেশৰ বিভিন্ন মঠৰ গৰাকীসকলে সেই মঠৰ নিৰ্দ্দেশ মানি চলে। এই মঠৰ মহন্ত নহলে আন কোনো প্ৰসিদ্ধ মঠৰ অধিকাৰেই সেই সম্প্ৰদায় বা সমাজৰ নেতা বুলি পূজিত হয়। সকলো বিলাক মঠৰ ভৰণ-পোষণৰ অৰ্থে অলপ অলপ দেৱোত্তৰ থাকে।

ৰাম উপাসনাৰ প্ৰাধান্য থাকিলেও, ৰামানন্দী সম্প্ৰদায়ৰ লোকে বিষ্ণুৰ আন আন মূৰ্ত্তিও কল্পনা কৰে। ৰামানুজৰ শ্ৰীসম্প্ৰদায়ৰ দৰে এই সম্প্ৰদায়ৰ লোকেও ৰাম-সীতাৰ পৃথক বা উভয় মূৰ্ত্তিৰ আৰাধনা কৰে। ইয়াৰ উপৰি এওঁলোকে আন আন সম্প্ৰদায়ৰ দৰে তুলসী আৰু শালগ্ৰাম-শিলকো বিশেষ ভক্তি কৰে। কাশীত এই সম্প্ৰদায়ৰ দুটা মন্দিৰত ৰাধা-কৃষ্ণৰ মূৰ্ত্তিৰ উপাসনাও দেখা যায়। খোৱা-পিয়া সম্পৰ্কেও ৰামানন্দী সম্প্ৰদায়ৰ কোনো ধৰা-বন্ধা নিয়ম নাই; ৰুচি বা লৌকিক ব্যৱহাৰ অনুসাৰে এই বিষয়ত তেওঁলোক চলিব পাৰে। এই সম্পৰ্কত এই সম্প্ৰদায়ৰ বৈৰাগীসকলৰ কোনো কুল বা জাতিবিচাৰ নাই। শ্ৰীৰাম ৰামানন্দী সম্প্ৰদায়ৰ বীজ-মন্ত্ৰ, আৰু 'জয়ৰাম জয় শ্ৰীৰাম বা সীতাৰাম' তেওঁলোকৰ অভিবাদন বাক্য। শ্ৰীসম্প্ৰদায়ৰ দৰেই এওঁলোকৰো তিলক-সেৱা ( ফোঁট লোৱা ) নিয়ম আছে যদিও, এই বিষয়তো তেওঁলোকৰ অলপ স্বাধীনতা আছে।

ৰামানন্দয়ো অনেক শিষ্য কৰি গৈছে। এওঁৰ শূন্য গাদী ৰঘুনাথে পায়, আৰু তেওঁ আশানন্দ নাম লয়। ৰামানন্দ স্বামীৰ ৰচিত কোনো গ্ৰন্থ এতিয়া পাবলৈ নাই যদিও, শিষ্যসকলে এওঁৰ মতসমূহ লিখি ৰাখি পুথিৰ আকাৰে এতিয়ালৈকে আটাইৰে সুলভ কৰিছে। ৰামানন্দৰ ৭২ জন শিষ্যৰ ভিতৰত ৫৬ জনেই অন্ত্যজ বা হীন জাতৰ, আৰু তাৰ ভিতৰত কবীৰ প্ৰসিদ্ধ।

ভক্তমাল গ্ৰন্থমতে ৰামানন্দৰ আশীৰ্ব্বাদত তেওঁৰ এজন বামুণ শিষ্যৰ এজনী বাল্যবিধবা কন্যাৰ গৰ্ভত কবীৰৰ জন্ম হয়, আৰু এজন জোলাই তেওঁৰ ঘৈণীয়েকে সৈতে কবীৰক তুলি লয়। ভক্তি-মাহাত্ম্য গ্ৰন্থমতে এজন বেদান্তশাস্ত্ৰ-ৰত বামুণে নিজ লৰা-তিৰোতাৰ জীৱিকাৰ বাবে শিল্পকাৰ্য্য কৰিছিল আৰু এঘৰ তাঁতীৰ ঘৰৰপৰা সূতা আনিবলৈ গৈ ঘূৰি আহি জ্বৰ পৰি সেই তাঁতীক স্মৰণ কৰি মৰা বাবে পৰজন্মত তেওঁ কবীৰ নাম লৈ তাঁতীৰ ঘৰত ওপজে আৰু পূৰ্ব্বজন্মৰ সংস্কাৰৰ ফলত এওঁৰ ব্ৰহ্মজ্ঞান জন্মে। ৰামানন্দক গুৰু পাবলৈ বিচাৰোঁতে ম্লেচ্ছ বুলি এওঁক আটায়ে উপহাস কৰাতো হতাশ নহৈ এওঁ এৰাতি ৰামানন্দৰ ঘৰৰ বাহিৰ ফালে দুৱাৰ মুখত পৰি থাকিল, আৰু পিছদিনা ৰামানন্দ শুই উঠিয়ে দুৱাৰ মেলি ওলাই আহোঁতে কবীৰৰ গাত তেওঁৰ ভৰি লাগে। তৎক্ষণাৎ



ৰামানন্দই 'ৰাম, ৰাম' বুলি আঁতৰি যায় আৰু কবীৰে সেই 'ৰাম' নামকে সাৰ কৰি অন্তৰেৰে তেতিয়াৰপৰাই ৰামানন্দক গুৰু মানি সেৱা জনাই গুচি আহিল।—"প্যাস অহদ্‌কা সাথ্ হাম লায়া, ৰামানন্দ চেতায়ো।"

কবীৰ পন্থীসকলে সকলো দেৱতাতকৈ বিষ্ণুৰ প্ৰতি অধিক ভক্তি দেখুৱায়। ৰামানন্দী আৰু আন বৈষ্ণৱ সম্প্ৰদায়সমূহৰ লগত এওঁলোকৰ ভাল সদ্ভাৱ, আৰু আচাৰ-ব্যৱহাৰ ভালেখিনি তেওঁলোকৰ লগত মিলে। এওঁলোকৰ ঘাইকৈ দুটি ভাগ; গৃহস্থ আৰু সন্ন্যাসী। গৃহস্থসকলে নিজ নিজ জাতিগত আৰু বৰ্ণগত আচাৰ-ব্যৱহাৰ মানি চলে; আৰু সন্ন্যাসীসকলে কবীৰৰ ভজনা কৰে, এওঁলোকে গুৰুৰ কাষত মন্ত্ৰ নলয়। কবীৰ পন্থীসকল ঘাইকৈ বাৰটি ঠালত বিভক্ত আৰু প্ৰতিটি ঠালৰে একোজন সুকীয়া প্ৰবৰ্ত্তক।

কবীৰ-পন্থীসকলৰ মতে ঈশ্বৰ এক, তেওঁ সাকাৰ আৰু সগুণ; তেওঁৰ পঞ্চভৌতিক শৰীৰ আৰু ত্ৰিগুণাত্মক অন্তঃকৰণ আছে। তেওঁ সৰ্ব্ব-শক্তিমান, সৰ্ব্বদোষবিৱৰ্জ্জিত, ইচ্ছামতে শৰীৰ ধাৰণকাৰী; তেওঁৰ আদি নাই, অন্ত নাই; তেওঁ নিত্যস্বৰূপ। গছৰ ডাল-পাত সকলো যেনেকৈ বীজত লুকাই থাকে, সেইদৰে সকলো বস্তু ব্যক্ত হোৱাৰ আগতে তেওঁত অন্তৰ্নিবিষ্ট থাকে। সকলো জীৱৰ জীৱাত্মা সমান, মুক্ত নোহোৱালৈকে সেইবোৰে নানা যোনি পৰিভ্ৰমণ কৰে; পৃথিৱীৰ সুখেই স্বৰ্গ, দুখেই নৰক।

ধৰ্ম্ম প্ৰচাৰ কৰাৰ আগতে শ্ৰীশঙ্কৰদেৱে তেওঁৰ যুগব্যাপী তীৰ্থ-ভ্ৰমণত ঘাইকৈ উত্তৰ ভাৰতৰ সকলো তীৰ্থ দৰ্শন কৰিছিল, আৰু এবাৰ তীৰ্থ-ভ্ৰমণত শঙ্কৰদেৱে কবীৰৰ সমাধিস্থল দৰ্শন পাইছিল বুলিও এওঁৰ চৰিত-লেখকে লিখিছে। সি যি হওক, ৰামানন্দ আৰু কবীৰ সম্প্ৰদায়ৰ লগত অসমীয়া বৈষ্ণৱ ধৰ্ম্মৰ বিশেষ মন কৰিবলগা মিল নাথাকিলেও, সেই উভয় সম্প্ৰদায়ৰ গৃহী আৰু সন্ন্যাসী ভক্ত আৰু ৰামাৎ সম্প্ৰদায়ৰ মঠ-প্ৰণালীৰ লগত অসমৰ সত্ৰ-প্ৰণালীৰ কিবা সম্পৰ্ক থাকিব পাৰে যেন মনত খেলায়। ইয়াৰ বাহিৰে উত্তৰ ভাৰতৰ কোনো কোনো বৈষ্ণৱ সম্প্ৰদায়ৰ মাজত মুনিহ-তিৰোতাই লগ হৈ ধৰ্ম্ম-কৰ্ম্মত যোগ দিয়া আদি কথাই অসমৰ লগত মিলতকৈ অমিলহে প্ৰমাণ দিয়ে; কিন্তু এই বিষয়তো দখিণ ভাৰতৰ ৰামানুজ আদিৰ লগত শঙ্কৰদেৱৰ মতৰ মিল দেখা যায়। অসমীয়া বৈষ্ণৱ ধৰ্ম্মৰ দৰে দখিণ ভাৰততো দাস্যভক্তিৰ প্ৰাধান্য লক্ষ্য কৰিব পাৰি।

সাত্বত বৈষ্ণৱ ধৰ্ম্মৰ পুলিজৰী গছজুপি খ্ৰীষ্টপূৰ্ব্ব হাজাৰ বছৰমানৰ আগতে পোনতে পছিম ভাৰতৰ যদুবংশতে গজালি মেলি মথুৰাৰ আশে-পাশে জাপ লৈ তাতে ডাঙৰ-দীঘল হৈ অনেক বছৰ থাকে। তাৰ পাছত খ্ৰীষ্টপূৰ্ব্ব দুশ-তিনিশ মান বছৰৰ আগতে তাৰ শিপা দখিণ ভাৰতলৈ গৈ তাত নতুন প্ৰকাণ্ড গছ হয়। সম্ভৱ, এই দখিণ ভাৰতৰপৰাই, অশোক আদি প্ৰবল প্ৰতাপী বৌদ্ধ ৰজাসকলৰ পাছত চন্দ্ৰগুপ্ত, সমুদ্ৰগুপ্ত, প্ৰভৃতি গুপ্ত ৰজাসকলৰ কালত, তাৰ শিপা পূব ভাৰত আৰু অসমলৈ আহে। তেনেহলে খ্ৰীষ্টীয় চতুৰ্থ কি পঞ্চম শতিকামানৰপৰাই পুষ্য বৰ্ম্মা আদি ৰজাৰ আমোলতে অসমত বৈষ্ণৱ ধৰ্ম্মই জয়ে জয়ে ভুমুকি মৰা কথা প্ৰমাণিত হয়। কিন্তু পঞ্চদশ শতিকাৰ পূৰ্ব্বে, স্বাধীন মতবাদ বা সুকীয়া দৰ্শনৰূপে আৰু সৰৱৰহীকৈ জনসাধাৰণৰ মাজত এই ধৰ্ম্ম প্ৰচাৰিত হোৱাৰ কোনো প্ৰমাণ এতিয়ালৈকে ওলোৱা নাই। তেনেহলে মূলকথা একেই থাকিল যে শ্ৰীশঙ্কৰদেৱেই দাৰ্শনিক ভেটিৰ ওপৰত ঠিয় কৰি জয়ে জয়ে অসমত বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰে, আৰু পছিম ভাৰতৰপৰা মেলা শিপাৰে দখিণ ভাৰতত গজা নতুন পুলিজৰী গছৰ দৰে, পছিম ভাৰত বা দখিণ ভাৰতৰ শিপাৰপৰা পূব ভাৰত অসমত গজা বৈষ্ণৱ ধৰ্ম্মৰ পুলিজৰী গছৰ গৰাকী শ্ৰীশঙ্কৰদেৱ।

শ্ৰীডিম্বেশ্বৰ নেওগ

# তীৰ্থ-জল

**অসন্তৰ সত্তা** ( গীতা, ২।১৬ )

অসং বস্তুৰ নাই অস্তিত্ব সমূলি,
সদ্বস্তুৰ অভাৱ নহয় ;
এইৰূপে তত্ত্বদৰ্শী- সকলে দৰশে
উভয়ৰে অন্ত-নিৰণয়।

**অবিনাশী পৰমাত্মা** ( গীতা, ২।১৭ )

যাৰে এই গোটেই সংসাৰ
ব্যাপ্ত তাকে অবিনাশী কয় :
অব্যয়ক—আতমাক—কেৱেঁ
বিনাশিব' সক্ষম নহয়।

**দুখাৱসান** ( গীতা, ২।৬৫ )

মনত সন্তোষ লাভ হ'লে
নাশ হয় সকলো দুখৰ ;
আত্ম-বুদ্ধি হয় সোনকালে
প্ৰসন্ন চিত্তৰ মানুহৰ।

**মনোবল** ( গীতা, ২।৭০ )

যেনেকই বহু নদ-নদী
পানীৰে উপচি সাগৰত
পৰিলেও সাগৰ অচল
হই থাকে নিজৰ গুণত,
তেনেকই মুনিসকলৰ
নোৱাৰে টলাব কামনাই
মন, কিন্তু কামান্ধবিলাক
নিতে বিচলিত হই যায়।

**বৃথা কৰ্ম্ম-অনুষ্ঠান** ( গীতা, ৩।১৭ )

আতমাত ৰত যেয়ে আতমাতে তৃপ্ত,
কৰ্ম্ম-অনুষ্ঠান বৃথা, আত্মাতে সন্তুষ্ট।

**জ্ঞান-আৱৰণ** ( গীতা, ৩।৩৮ )

অগনিক ঢাকি ৰাখে ধোঁৱাই যিদৰে,
মলিবোৰে ঢাকি থয় দাপোণখনক,
গৰ্ভক আৱৰি ৰাখে আৰু জৰায়ুৱে,
সেইদৰে ঢাকি ৰাখে কামেও জ্ঞানক।

**জ্ঞানাগ্নিৰ প্ৰভাৱ** ( গীতা, ৪।৩৭ )

জ্বলা অগনিয়ে কাঠবোৰ যেনে
ভস্মীভূত কৰি দিয়ে,
কামবোৰো তেনে ভস্মসাৎ কৰে
জ্ঞানৰূপী অগনিয়ে।

**নিৰ্লিপ্ত** ( গীতা, ৫।১০ )

পদুমৰ পাত যেনে নিতিতে পানীত থাকি'
ব্ৰহ্মত অৰ্পণ সেইদৰে
কৰি তাৰ পাছে যেয়ে আসক্তিবিহীন হয়,
লিপ্ত নোহে যদি কাম কৰে।

**স্বভাৱ অবিদ্যা** ( গীতা, ৫।১৪ )

ঈশ্বৰে নকৰে সৃষ্টি
জীৱৰ কৰ্ত্তব্য কাম,
কৰ্ম্মফলো আৰু সৃষ্টি
নকৰে, যদিও নাম।
স্বভাৱ-অবিদ্যা মাথোঁ
এই সকলোৰে মূল ;
প্ৰভুত্ব বিৰাজ কৰে
গৰাকীৰ সমতুল।

**সম ভাৱ** ( গীতা, ৫।১৮-১৯ )

সমদৰ্শী পণ্ডিত-সংহতি
বিদ্বান, ব্ৰাহ্মণ, গৰু, হাতী,
চণ্ডালাদি সকলো প্ৰাণীকে
সমভাৱে চাই দেখে একে।
সকলোতে সম ভাৱ যাৰ,
ইহলোকে থাকিও সংসাৰ
জয় কৰে, ব্ৰহ্ম লাভ হয়,
ব্ৰহ্ম সম, দূষিত নহয়।

শ্ৰীমহানন্দ বৰুৱা
সাহিত্যভূষণ

# মাধৱ কন্দলি আৰু বৰাহ ৰজা

প্ৰাক্‌শঙ্কৰী যুগৰ অপ্ৰমাদী কবি মাধৱ কন্দলি আৰু তেওঁৰ পৃষ্ঠপোষক বৰাহী ৰজা শ্ৰীমহামাণিক্য সম্পৰ্কে বুৰঞ্জীবিদ্‌সকলে অনেক গৱেষণা কৰিছে, কিন্তু আজিলৈকে এই সম্পৰ্কে শেষ মীমাংসা হৈছে বুলি অনুমান নহয়।

মাধৱ কন্দলিয়ে তেওঁৰ সপ্তকাণ্ড ৰামায়ণৰ লঙ্কাকাণ্ডত যি পৰিচয় দিছে, তাতে মাথোন চমুকৈ নিজৰ নাম আৰু পৃষ্ঠপোষক ৰজাজনৰ নাম উল্লেখ কৰাৰ বাহিৰে ঠাই বা তাৰিখ সম্পৰ্কে বিস্তৃত একো লিখা নাই। গতিকে প্ৰথম সমস্যা হল এই পৃষ্ঠপোষক ৰজাজনৰ ৰাজ্য আৰু ৰাজত্বৰ সময় নিৰ্ণয় কৰা। মাধৱ কন্দলিয়ে লিখিছে :—

"শ্ৰীমহামাণিক্য যে বৰাহ ৰাজাৰ অনুবোধে।"

বৰাহ ৰজা মহামাণিক্য সম্পৰ্কে প্ৰথম আলোচনা কৰোঁতা ৺মাধৱচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই মাধৱকন্দলিৰ ৰামায়ণ ছপাওতে ভূমিকাত লিখিছিল যে কছাৰী ৰজাকে পূৰ্ব্বে বৰাহী ৰজা বোলা হৈছিল। কছাৰী ৰজাসকলে জয়ন্তাপুৰত থাকি ৰাজত্ব কৰাৰ কাৰণে তেওঁ-লোকক জয়ন্তাপুৰেশ্বৰো বোলা হৈছিল, আৰু দ্বাদশ শতাব্দীৰপৰা চতুৰ্দ্দশ শতাব্দীলৈকে জয়ন্তা-পুৰৰ কছাৰী ৰজাসকলে বৰাহী ৰজা বুলি নগাঁও জিলালৈকে ৰাজত্ব কৰিছিল।

অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী লিখক শ্ৰীযুত দেবেন্দ্ৰনাথ বেজবৰুৱা ডাঙৰীয়াইও বৰদলৈ ডাঙৰীয়াৰ মতকেই গ্ৰহণ কৰি জয়ন্তাৰ কছাৰী ৰজাক বৰাহী ৰজা বুলি অনুমান কৰিছে আৰু জয়ন্তাৰ ৰজা "বিজয় মাণিক, ধন মাণিক আৰু যশ মাণিক—এই তিনিজন ৰজাৰ ৰাজত্ব কালত অথবা এই তিনিজনৰ ভিতৰত কোনো এজনৰ ৰাজত্ব কালত এই পুথি মাধৱকন্দলিয়ে ৰচিছিল" বুলি সিদ্ধান্ত কৰিছে। "নগাঁও কছাৰী বৰাহ ৰজাসকলৰ অধিকাৰত আছিল × × সেই কাৰণে মাধৱ কন্দলি জয়ন্তাৰ প্ৰজা আছিল।" —এই সিদ্ধান্তও কৰা হৈছে।

৺হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই অসমৰ বুৰঞ্জী আলোচনা কৰি আছিল ; গতিকে তেওঁ "জয়ন্তাৰ কছাৰী ৰজা" বংশ সমূলে কাল্পনিক হেন জানি প্ৰাচীন কছাৰী বুৰঞ্জীৰপৰাই আহোম ৰজা দিহিঙ্গীয়া ৰজাৰ সমসাময়িক কছাৰী ৰজা দেৎসিঙৰ সপ্তম পূৰ্ব্বপুৰুষ মহামাণিক্য ৰজাকেই বৰাহী কছাৰী ৰজা বুলি সিদ্ধান্ত কৰি গৈছে।

৺গোস্বামী ডাঙৰীয়াই উল্লেখ কৰা প্ৰাচীন কছাৰী বুৰঞ্জীখন এতিয়া ছপা হৈ ওলাইছে,— তাতে দেখা গল ১৪৬৮ খৃষ্টাব্দত দিহিঙ্গীয়া ৰজাৰ সময়ত হিড়িম্বিয়াল কছাৰী ৰজা আছিল ডেৰচোঙফা ( দেৎসিং ), আৰু তেওঁৰ পঞ্চম পূৰ্ব্বপুৰুষ আছিল মহামাণিফা। শ্ৰীযুত কনকচন্দ্ৰ শৰ্ম্মা কবিৰত্নই সম্পাদন কৰা মাধৱকন্দলিৰ ৰামায়ণৰ পাতনিত অধ্যাপক শ্ৰীযুত উমাকান্ত গোস্বামী ডাঙৰীয়াই ৺হেমচন্দ্ৰ গোস্বামীক সমৰ্থন কৰি এই মহা-মাণিফাকেই মহামাণিক্য বুলি ধৰিছে ; কিন্তু ত্ৰিপুৰাৰ ৰজাসকলেও কপিলী উপত্যকাত ৰাজত্ব কৰিছিল আৰু তেওঁলোকৰ মাজতো মহামাণিক্য নামৰ এজন ৰজা আছিল দেখি তেওঁ বৰ

বিমোৰত পৰি একো সিদ্ধান্ত নকৰি লিখিছে—"মহামাণিক্য বা মহামাণিফা যি ঠাইৰে ৰজা হওক, তেওঁ মাধৱকন্দলিৰ হতুৱাই ৰামায়ণ ৰচনা কৰাই অসমীয়া জাতিৰ চিৰস্মৰণীয় হৈ গৈছে"—এনে সিদ্ধান্তৰপৰা আমি কোনো সমিধান নাপালোঁ।

"অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি" প্ৰণেতা **শ্ৰীযুত ভিবেশ্বৰ নেওগ ডাঙৰীয়াই** 'জয়ন্তাৰ কছাৰী ৰজা', বা "পাটহেড়ম্বৰ হেড়ম্বিয়াল কছাৰী ৰজা"ৰ ফালে নগৈ কপিলী উপত্যকাত ৰাজত্ব কৰা ত্ৰিপুৰা ৰাজবংশৰ প্ৰতি মন কৰিছে আৰু ত্ৰিপুৰাৰাজ ৰত্নফাই প্ৰথমে মাণিক্য উপাধি লাভ কৰাত তেওঁৰেই নাতিয়েক বিজয়মাণিক্যক মহা-মাণিক্য ৰজা বুলি অনুমান কৰিছে। আকৌ "ৰবাহী" শব্দই জয়ন্তীয়া, ত্ৰিপুৰা আদিৰ ৰজাকো বুজাব পাৰে বুলি সমিধানো দিছে। বিশেষকৈ ত্ৰিপুৰাৰ ৰাজসভাত শুক্লেশ্বৰ আৰু বাণেশ্বৰ নামৰ দুজন পণ্ডিতক অসমীয়া বুলি অনুমান হোৱাত তেওঁলোকৰ লগত আন এজন অসমীয়া কবি "মাধৱকন্দলি" থকাত কোনো আপত্তি নাছিল বুলিছে।

এতিয়া দেখা যাওক, 'ৰবাহ' পদবী সচাকৈয়ে কোন বংশৰ ৰজাসকলে ব্যৱহাৰ কৰিছিল।

**কছাৰী ৰজা:**—কছাৰী জাতি আচলতে বড়ো জাতি, তেওঁলোক বৰ্ত্তমানে সাধাৰণতে কছাৰী জাতি বুলি জনাজাত। আদিকালতে তেওঁলোক দুটা ভাগত বিভক্ত হৈছিল বুলি প্ৰমাণ পোৱা যায়। অসমৰ পূব অঞ্চলৈ যোৱা আৰু সেই অঞ্চলত ৰাজত্ব কৰা কৈফদ হিড়িম্বাৰ লগৰীয়া বুলি এওঁলোকে নিজক হিড়িম্বিয়াল বা হৈড়ম্ব বুলি পৰিচয় দিছিল। এওঁলোকে সাধাৰণতে নিজক 'ডিমাছা' বুলি কয়।—ডিমা ( ডাঙৰ পানী ) নৈৰ পাৰত থকাৰ পিছত এই নাম গ্ৰহণ কৰ... হৈছিল বুলি অনুমান হয়। কিন্তু এই বংশৰ ৰজাসকলে শিলালিপি, তামৰফলি আৰু কাগজ... দান-পত্ৰত সদাই নিজক 'হৈড়ম্বেশ্বৰ', 'হেড়ম্বাধীশ' 'হৈড়ম্বপতি' বুলিহে উল্লেখ কৰিছে, কোনো ঠাইত নিজৰ কৈফদ, "হাচেঙছা বংশজাত" বুলিও উল্লে... কৰিছে। হিড়িম্বাৰ পুত্ৰ ঘটোৎকচ চন্দ্ৰবংশী... পাণ্ডৱ ভীমৰ সন্তান বুলি কোনো ঠাইত এওঁলোকে নিজক 'চন্দ্ৰবংশী' বুলিও পৰিচয় দিছে। সুবদ... ৰজাৰ বিষয় লিখা হৈছে—"চন্দ্ৰবংশী হনৰাজ... ভীম বংশজাত।" কোনো কছাৰী ৰজাই 'ৰবাহ' বা 'ৰবাহী' খিতাপ কোনো ঠাইত ব্যৱহাৰ... কৰিছে বুলি প্ৰমাণ পোৱা নাযায়।

বড়োৰপৰা 'বড়ো' আৰু তাৰপৰা 'ৰবা... 'ৰবাহ' 'ৰবাহী' শব্দ ওলাইছে বুলি কল্পনা কৰা গা... বলৰ কাম ; আৰু মাধৱ কন্দলিয়ে নিজৰ পৃষ্ঠ... পোষক ৰজাজনৰ এনে কষ্টকল্পিত খিতাপ দিয়... কামটো বৰ আচৰিত বুলি মনত হয়।

দিহিঙ্গীয়া ৰজা চুহুংমুঙৰ তাৰিখ সম্পৰ্কে... মতভেদ আছে। একমতে তেওঁ ১৪৯৮ খৃষ্টাব্দ... আৰু আনমতে ১৫০৪ খৃষ্টাব্দত সিংহাসন আৰোহণ... কৰিছিল। তেওঁৰ সময়তেই কছাৰী ৰজা... ডেৰচোঙফা বা দেৎসিংহৰ পতন ঘটে। আইন... মতে দেৎসিংহৰ পতন ঘটে ১৫৩৬ খৃষ্টাব্দত... ডেৰচোঙফাৰ আগতে ৰজা আছিল খোৰাফা... আৰু তেওঁৰ আগতে ৰজা আছিল ক্ৰমান্বয়ে... লাড়ফা, মাণিফা, মহামাণিফা। মহামাণিফাৰ... পিতা বিক্ৰমাদিত্যফাই ডিমাপুৰত ৰাজত্ব কৰোঁতে... সোণাপুৰ, বাণপুৰ, দুখন নগৰ স্থাপন কৰিছিল... আৰু সেই অঞ্চলত পদুমপুখুৰী নাম দি এটা ডাঙৰ পুখুৰীও খান্দিছিল। মহামাণিফাক এই পদুমপুখুৰী অঞ্চলত সামন্ত ৰজাৰূপে ৰখা হৈছিল।

সোণাপুৰ নগাঁও জিলাৰ মিকিৰ পৰ্ব্বত অঞ্চলত ফুলনি ৰজাৰৰ উত্তৰ-পছিম অঞ্চলত, আৰু পদুমপুখুৰী ফুলনিৰ পূবে চেলাবৰ, দীঘলপানী, তেতেলিগুৰি পাৰ হৈ হাবিৰ মাজত। পদুম-পুখুৰী দীঘলে প্ৰায় দেড় হাজাৰ ফুট আৰু বহলে প্ৰায় ছশ ফুট। গতিকে সেই সময়ত কছাৰী ৰজাৰ ৰাজত্ব ফুলনিৰ দক্ষিণ অঞ্চলত আছিল বুলি অনুমান নহয়। প্ৰতি পুৰুষত ত্ৰিশ বছৰ ধৰিলেও মহামাণিফাৰ ৰাজত্বকাল ১৩৫০ খৃষ্টাব্দ হব পাৰে ; কিন্তু এটা প্ৰশ্ন উঠে মাধৱ কন্দলিৰ নিচিনা এজন পণ্ডিতে তেওঁৰ পৃষ্ঠপোষক ৰজাৰ নাম বিকৃত কৰিবৰ কাৰণ কি ? "মহা-মাণিফা"ক "মহামাণিক্য" বোলা ইচ্ছাকৃত বিকৃতি বুলি প্ৰমাণিত হয়। 'ফা' কছাৰী ৰজা, ত্ৰিপুৰাৰ ৰজা আৰু আহোম ৰজাসকলৰো বংশগত খিতাপ আছিল ; 'ফা' শব্দৰ অৰ্থ 'পালক', গতিকে মাধৱ কন্দলিয়ে ইচ্ছা কৰি গৌৰৱময় 'ফা' শব্দটো তুলি দি অইন খিতাপ দিয়া সম্ভৱপৰ নাছিল বুলি মনত হয়। ৰজাসকলৰ অইন এটা বেলেগ নাম থকা সম্ভৱপৰ আছিল ; ত্ৰিপুৰাৰ ৰজা 'ডুঙ্গৰফা'ৰ আন এটা নাম আছিল 'হৰিৰায়' ; ছেংথুমফাৰ আন এটা নাম আছিল কীৰ্ত্তিধৰ ; কিন্তু ডুঙ্গৰফাক—ডুঙ্গৰমাণিক বোলা সম্ভৱপৰ নাছিল। ত্ৰিপুৰাৰ ৰজা ৰত্নফা বা ৰতনফাই ১২৮২ খৃষ্টাব্দত বঙ্গদেশৰ চুলতান তুগ্ৰলখাঁক এটা মণি উপহাৰ দি মাণিক্য উপাধি পাইছিল আৰু তেতিয়াৰপৰা তেওঁ ৰতন ( ৰত্ন ) মাণিক্য বুলি জনাজাত হৈছিল। তেতিয়াৰপৰা ত্ৰিপুৰাৰ ৰজা-সকলে 'ফা' পদবী এৰি 'মাণিক্য' পদবী ব্যৱহাৰ কৰিব ধৰিছিল। সেই কাৰণে মহামাণিফাক "মহামাণিক্য" বুলি অনুমান কৰা যুক্তিসঙ্গত নহয় বুলি মনত হয়।

**জয়ন্তিয়াৰ ৰজা:**—জয়ন্তিয়াৰ ৰজাসকলৰ প্ৰাচীন বুৰঞ্জী বৰ্ত্তমানে জনা গৈছে। ছীলেটত "চট্টনাথৰ পাচালী" নামৰ এখন হাতেলিখা পুথি পোৱা গৈছে ; পুথিখন এতিয়াও ছপা হোৱা নাই, কিন্তু তাৰ এখন চমু বিৱৰণ—"শ্ৰীহট্টৰ প্ৰাচীন ইতিহাস" নাম দি শ্ৰীযুত কমলাকান্ত গুপ্ত চৌধুৰীয়ে প্ৰকাশ কৰিছে। তাৰপৰা জানিব পৰা যায় যে কামৰূপৰ কৃষক নামৰ এজন ৰাজবিষয়াই জয়ন্তাৰ কুঁৱৰী এজনীক বিয়া কৰাই সেই দেশৰ ৰজা হৈছিল। কৃষকে নিজক চন্দ্ৰবংশীয় 'পৰীক্ষিতৰ ঔৰসত আৰু মাৰীৰ গন্ধৰ্ব্বৰ কন্যা ৰক্ষিতাৰ গৰ্ভত ওপজা সন্তানৰ বংশৰ বুলি নিজক গন্ধৰ্ব্ববংশীয়, চন্দ্ৰবংশীয় বুলি পৰিচয় দিছিল। এই বংশৰ এটা কৈফদে পিছত ছীলেটত ৰাজত্ব কৰিছিল ; সেই কাৰণে সেই বংশৰ ৰজা কেশৱদেৱৰ তামৰ ফলিত ( ভাটেৰা ফলি ) ৰজাক চন্দ্ৰবংশীয় বুলি লিখা হৈছে। কামৰূপৰ শালস্তম্ভ বংশৰ শেষ ৰজা ত্যাগসিংহৰ পতনৰ সময়ত আনুমানিক ৯৮০ খৃষ্টাব্দত কৃষক জয়ন্তিয়াৰ স্বাধীন ৰজা হয়। এই বংশৰ ৰজা কামদেৱে ( ১০৯২—১১১২ খৃঃ ) পূৰ্ব্ববঙ্গৰ যাদৱবংশীয় ৰজা ভোজবৰ্ম্মাৰ সভাৰপৰা কবিৰাজ নামৰ এজন পণ্ডিতক অনাই "ৰাঘৱ পাণ্ডৱীয়" নামৰ এখন সংস্কৃত গ্ৰন্থ লিখাইছিল। তাৰ পিছত এই বংশৰ আন এজন ৰজা ভীমবলৰ ( ১১১২—১১৩০ খৃঃ ) সময়ত ব্ৰাহ্মণ মন্ত্ৰী কেদাৰেশ্বৰ ৰায়

ৰজা হয়, আৰু এই ব্ৰাহ্মণ বংশৰ আৰু চাৰি জন ৰজাই আনুমানিক ১২৭৫ খৃষ্টাব্দলৈকে ৰাজত্ব কৰাৰ পিছত পৰ্ব্বতীয়া চিনটেঙ জাতিৰ মানুহে সেই ৰাজ্যৰ সিংহাসন অধিকাৰ কৰে। তাৰ পিছত ১৫০০ খৃষ্টাব্দলৈকে সেই ৰাজ্যৰ কোনো বিৱৰণ জনা নাযায়। জয়ন্তিয়াত কোনো কছাৰী ৰজাই কেতিয়াও ৰাজত্ব কৰা নাই। নগাঁও জিলাৰ কপিলী-যমুনা উপত্যকাৰ মাটি লৈ কছাৰী আৰু জয়ন্তিয়াৰ মাজত প্ৰায়েই বিবাদ চলি আছিল, আৰু কোনো সময়ত তাৰ এক খণ্ড এবাৰ কছাৰীৰ হাতলৈ আহিছিল, আন সময়ত সেই খণ্ড আকৌ জয়ন্তিয়াৰ তললৈ গৈছিল। কিন্তু ই পিছৰ যুগৰ কথা। কিন্তু তথাপি আলিপুখুৰী অঞ্চললৈকে কেতিয়াও জয়ন্তিয়াৰ ৰাজ্য বিস্তৃত হৈছিল বুলি কোনো প্ৰমাণ পোৱা নাযায়। ষোল-সোতৰ শতিকাত নগাঁও জিলাৰ পছিম আৰু লঙ্কা ডবকা অঞ্চলত জয়ন্তাৰ ৰাজ্য আছিল বুলি প্ৰমাণ পোৱা গৈছে। ডবকাৰ যমুনাগাঁও বিজ্জাৰ্ভত প্ৰাচীন অসমীয়া আখৰেৰে লিখা এখন শিলালিপি পোৱা গৈছে। লিপিৰ ওপৰত কালীৰ মূৰ্ত্তি আঁকা আছে, আৰু তলত লিখা আছে—"শ্ৰীমাকালী শুভমস্তি লঙ্কা ৰাজ্যেৰ উত্তৰে জয়ন্তিয়া ৰাজ্যেৰ সুমঙ্গল কাস্তলমন্ত্ৰিক বাংলা ৰাজাধ আইন ব্যবসথা জন্য লিখিআ শিলাগাঢ়ি শাসতি।" এই শিলা খণ্ড ৰাজ্যৰ সীমা ধৰিলে জয়ন্তা ৰাজ্য ডবকালৈকে আছিল; কিন্তু লিপিৰ আখৰ আৰু ভাষা বিচাৰ কৰিলে ই ষোল শতিকাৰ শেষ ভাগৰ বুলি অনুমান হয়।

জয়ন্তাৰ ৰজাসকলে কেতিয়াও কোনো ঠাইত নিজক বৰাহ বা বৰাহী ৰজা বুলি উল্লেখ কৰা নাই; তেওঁলোকে নিজক "জয়ন্তেশ্বৰ পুৰন্দ[ৰ]" বুলিহে উল্লেখ কৰিছে। গতিকে জয়ন্তাৰ 'কছা[ৰী] ৰজা' পদফাকি সমূলি যুক্তিহীন।

১৫৬৪ খৃষ্টাব্দত বিজয়মাণিক নামৰ এ[জন] ৰজা জয়ন্তাত আছিল, আৰু তাৰ পিছতো ধ[ন]মাণিক যশোমাণিক নামৰ আৰু দুজন ৰজা[ই] ৰাজত্ব কৰিছিল, কিন্তু এওঁলোকৰ নামত 'মাণিক' কোনো ঠাইত দেখা নাযায়। বিশেষকৈ এ[ওঁ]লোকৰ ৰাজত্বকাল ষোল আৰু সোতৰ শতিকা হোৱাত শঙ্কৰদেৱৰ পূৰ্ব্ব কবি মাধৱ কন্দলিৰ লগ[ত] তেওঁলোকৰ কোনো সম্পৰ্ক থকা সম্ভৱপৰ নাছিল।

**ত্ৰিপুৰাৰ ৰজা।**—ত্ৰিপুৰাৰ ৰাজমালা গ্ৰন্থ[ত] ত্ৰিপুৰাৰ ৰজাসকলৰ আদিপুৰুষ দ্ৰুহ্যু চন্দ্ৰবংশ[ৰ] ৰাজকোঁৱৰ আছিল বুলি উল্লেখ কৰা হৈছে আৰু সেই কাৰণে তেওঁলোকে সদায় নিজক চন্দ্ৰবংশী বুলি উল্লেখ কৰিছে। বৰাহৰ লগ[ত] তেওঁলোকৰ কোনো সম্পৰ্ক নাই, আৰু কোনো ঠাইত তেওঁলোকৰ বংশৰ কোনো ৰজাক বাৰাহ বা বৰাহ বা বৰাহী বুলি উল্লেখ কৰা হোৱা নাই। ত্ৰিপুৰাৰ ৰাজমালা গ্ৰন্থত এই ৰজাসকলৰ এখন ডাঙৰ বংশ-তালিকাত চন্দ্ৰৰপৰা আৰম্ভ কৰি বৰ্ত্তমান ৰজালৈকে ১৮৪ পুৰুষৰ নাম দিয়া হৈছে।

ৰাজমালাৰ মতে প্ৰতৰ্দ্দন নামেৰে এজন ত্ৰিপুৰ[া] ৰাজকোঁৱৰে ব্ৰহ্মপুত্ৰ নৈৰ পূব পাৰলৈ আহি কিৰাতসকলক যুদ্ধত ঘটুৱাই ত্ৰিবেগ নামৰ এখন ৰাজ্য স্থাপন কৰে আৰু কপিলীৰ পাৰত এখন নগৰ পাতে। এই ৰাজ্যৰ সীমা আছিল উত্তৰত তুৰঙ্গ নৈ, পূবত মেখেলী বা মণিপুৰ দেশ, পছিমত কাচৰঙ্গ আৰু দক্ষিণত আচৰঙ্গ। আচৰঙ্গ আৰু কাচৰঙ্গ সম্পৰ্কে অনেক গৱেষণা হৈ গৈছে, কিন্তু একো সিদ্ধান্ত হোৱা নাই।



এই ৰাজ্যত তেৰজন ৰজাই ৰাজত্ব কৰাৰ পিছত ত্ৰিপুৰ ৰজা হয়। তেওঁ বৰ অত্যাচাৰী ৰজা আছিল, আৰু তেওঁৰ সময়ত ৰাজ্যত বৰ দুৰ্ভিক্ষ হোৱাত প্ৰজাসকলে বৰ কষ্ট পায় আৰু প্ৰজাসকল হেড়ম্ব ৰাজ্যত আশ্ৰয় লৈ তাতে ভিক্ষা কৰি খাই কোনোমতে জীৱন ধাৰণ কৰে। ত্ৰিপুৰৰ পিছত ত্ৰিলোচন ৰজা হয়। ত্ৰিলোচনে অপুত্ৰক হেড়ম্ব ৰজাৰ জীয়ৰীক বিয়া কৰায়। তেওঁৰ ডাঙৰ পুতেক দৃকপতিক হেড়ম্বৰাজে পোষ্যপুত্ৰৰূপে গ্ৰহণ কৰে, আৰু দ্বিতীয় পুত্ৰ দাক্ষিণে পিতাৰ মৃত্যুৰ পিছত ত্ৰিবেগ ৰাজ্য পায়. কিন্তু দৃকপতিয়ে উত্তৰাধিকাৰসূত্ৰে পিতৃ ৰাজ্য দাবী কৰাত দুয়ো পক্ষৰ যুদ্ধ হয়। ফলত দাক্ষিণ যুদ্ধত পৰাজিত হৈ দক্ষিণ পিনে গৈ, খলংমা (বৰ্ত্তমান বৰাক) নৈৰ পাৰত এখন নগৰ পাতি সেই অঞ্চলৰ কুকীসকলৰ ওপৰত ৰাজত্ব কৰে। সেই অঞ্চলত অনেক বছৰ ৰাজত্ব কৰাৰ পিছত প্ৰতীত নামৰ এজন ৰজাই খলংমাৰপৰা নগৰ তুলি ছীলেটৰ জুৰি নৈৰ পাৰত ধৰ্ম্মনগৰত এখন নগৰ পাতে। পিছত আকৌ যুজাৰুফা নামৰ ৰজা এজনে ৫৯০ খৃষ্টাব্দত আৰু পছিমত বিশালগড় নামৰ এখন পৰ্ব্বতীয়া গাঁৱত ত্ৰিপুৰাধাম নাম দি এখন নগৰ পাতে আৰু সেইদিনৰপৰা এটা সনো প্ৰচলন কৰে। এয়েই ত্ৰিপুৰাব্দ।

ৰাজমালা মতে প্ৰতৰ্দ্দন ৩২, ত্ৰিলোচন ৪৭ আৰু যুজাৰুফা ১১৮ পুৰুষৰ ৰজা। প্ৰতি পুৰুষত ত্ৰিশ বছৰ ধৰিলে ত্ৰিলোচনৰ সময় ১৫৪০ খৃষ্ট-পূৰ্ব্বাব্দ আৰু প্ৰতৰ্দ্দনৰ সময় ১৯৯০ খৃষ্টপূৰ্ব্বাব্দ। ত্ৰিলোচন যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞলৈ গৈছিল বুলি প্ৰবাদ আছে। যুধিষ্ঠিৰৰ যজ্ঞ খৃষ্টপূৰ্ব্ব পোন্ধৰ শতিকাত হৈছিল বুলি এটা মত আছে; গতিকে এই হিচাব প্ৰায় ঠিকেই হৈছে। গতিকে প্ৰতৰ্দ্দনে কপিলী পাৰত ৰাজ্য স্থাপন কৰিছিল নৰকাসুৰ কামৰূপলৈ অহাৰ আগতে, আৰু কপিলীৰ পাৰৰ ত্ৰিপুৰা ৰাজ্য লোপ পাইছিল ভগদত্তৰ পুতেক বজ্ৰদত্তৰ সময়ত।

সেইদেখি পৌৰাণিক যুগৰ ৰাজ্যৰ ৰাজবংশৰ কোনো এজন ৰজাৰ লগত প্ৰাচীন ৰাজাৰ সম্বন্ধ বিচাৰি চৈধ শতিকাৰ কোনো পণ্ডিতৰ সম্পৰ্ক বিচৰাত কোনো যুক্তি আছে বুলি মনে নধৰে।

ৰত্নফা বা ৰত্নমাণিক্যই ১২৬০—১৩৬৬ (অইন-মতে ১২৮২—১৩৬৬) খৃষ্টাব্দলৈকে ৰাজত্ব কৰিছিল। ৰত্নমাণিক্যৰ পিছত প্ৰতাপমাণিক্য, তাৰ পিছত মুকুটমাণিক্য (ভায়েক), তাৰ পিছত মহামাণিক্য ৰজা হয়। কৈলাসচন্দ্ৰসিংহৰ মতে মহামাণিক্যই ১৩৯৬ খৃষ্টাব্দৰপৰা ১৪০৬ খৃষ্টাব্দলৈকে ৰাজত্ব কৰিছিল; অইন মতে ১৪৩১ খৃষ্টাব্দলৈকে ৰাজত্ব কৰিছিল। মহামাণিক্যৰ পুত্ৰ শ্ৰীধৰ্ম্মমাণিক্যৰ সময়ত শুক্ৰেশ্বৰ আৰু বাণেশ্বৰ নামৰ দুজন পণ্ডিতে দুৰ্লভেন্দ্ৰচন্তাইৰপৰা ৰাজবংশৰ প্ৰাচীন কাহিনী শুনি 'ত্ৰিপুৰা-ৰাজমালা' গ্ৰন্থ লিখিছিল। ৺ৰায়বাহাদুৰ কনকলাল বৰুৱা ডাঙৰীয়াই এই দুজন পণ্ডিতক অসমীয়া ব্ৰাহ্মণ বুলি অনুমান কৰিছে, কিন্তু ৰাজমালাৰ সম্পাদকে প্ৰমাণ কৰিছে যে এই দুজন পণ্ডিত ব্ৰাহ্মণ আছিল আৰু তেওঁলোকৰ কৌলিক উপাধি আছিল চক্ৰৱৰ্ত্তী। তেওঁলোক ত্ৰিপুৰাৰ ৰজাৰ পুৰোহিত আৰু সভা-

পণ্ডিত আছিল। ছীলেটৰ ঢাকাদক্ষিণ পৰগণাৰ ঠাকুৰবাৰী গাঁৱত তেওঁলোকৰ বাস আছিল আৰু তাতে যি মাটি-বাৰী আছিল ই ডাঙৰৰজন বাণেশ্বৰৰ নামতেই আছিল। সেই জমিদাৰী খণ্ড আজিকালিও 'বাণেশ্বৰ চক্ৰবৰ্ত্তীৰ ছেগা' বুলি জনাজাত। সেই বংশ প্ৰায় লোপ পোৱাত সেই মাটিৰ উত্তৰাধিকাৰী বিচাৰ কৰোঁতে অতি প্ৰাচান কালৰ এখন কাগজ ওলাই পৰে আৰু তাতে এই বিবৰণ পোৱা যায়। ৰাজমালা সম্পাদকে এই বিষয়ে বহলাই আলোচনা কৰিছে, আৰু পুৰণি দলিলখনো ছপাই দিছে।

নেওগ ডাঙৰীয়াৰ বিজয়মাণিক্যই ১৫২৮—১৫৭০ খৃষ্টাব্দত ৰাজত্ব কৰিছিল। এওঁ ৰত্নফাতৈক দহ পুৰুষ তলৰ ৰজা। এওঁ ছীলেটৰ উত্তৰ অংশ আৰু জয়ন্তাৰাজ্যৰ দক্ষিণ অংশ জয় কৰি সেই অঞ্চলত সেনাপতি কালানাজিৰক সামন্ত পাতি ৰাখিছিল। গতিকে ত্ৰিপুৰাৰ ৰজাৰ লগত মাধৱ কন্দলিৰ সম্পৰ্ক থকাৰ বিশেষ যুক্তিযুক্ত প্ৰমাণ পোৱা নগল বুলি মনত হয়।

**বাৰাহ ৰজা:** -আদি কালতে ৰজাসকলে নিজক দেৱতাৰ অংশজাত বুলি নিজৰ পৰিচয় দিয়াৰ ৰীতি আছিল। সেই কাৰণেই চন্দ্ৰবংশ, সূৰ্য্যবংশ, ইন্দ্ৰবংশ ইত্যাদিৰ কল্পনা কৰা হৈছিল। কামৰূপৰ প্ৰাচীন ৰজা নৰকাসুৰে বৰাহ আৰু পৃথিৱীৰ সংযোগত ওপজা বুলি নিজৰ পৰিচয় দিছিল। সুইডেন দেশৰ ৰজাসকলেও নিজৰ বংশৰ উৎপত্তিৰ মূলত এই বৰাহ আৰু পৃথিৱীৰ সংযোগৰ আখ্যান বিশ্বাস কৰিছিল। পুৰাণৰ যুগত বৰাহ বিষ্ণুৰ অৱতাৰ আৰু পৃথিৱীক দেৱীৰূপে কল্পনা কৰা হৈছিল।

কামৰূপৰ বৰ্ম্মন্‌বংশীয় ৰজাসকলে নিজৰ নৰকৰ বংশধৰ বুলি পৰিচয় দিছিল, কিন্তু নিজৰ নামৰ আগত, 'পৰমমাহেশ্বৰ,' 'পৰমভট্টাৰক' 'পৰম ভাগৱত' আদি পদৱী ব্যৱহাৰ কৰিছিল। বৰ্ম্ম বংশৰ পিছত শালস্তম্ভবংশৰ ৰজাসকলেও নিজৰ নৰকৰ বংশধৰ বুলি নিজৰ পৰিচয় দিছিল, কিন্তু বৰ্ম্মনবংশীয় সকলে তেওঁলোকৰ এই দাবী স্বীকাৰ নকৰি তেওঁলোকক ম্লেচ্ছ বুলিছিল। শালস্তম্ভ বংশৰ ৰজাসকলেও নিজৰ নামৰ আগতে 'পৰম মাহেশ্বৰ', 'পৰমভট্টাৰক' পদৱী ব্যৱহাৰ কৰিছিল।

ম্লেচ্ছবংশ বোলাত শালস্তম্ভবংশীয় ৰজাৰ কোনোৱে বড়োজাতিৰ ৰজা বুলি অনুমান কৰে। ম্লেচ্ছ শব্দ বৰ ব্যাপক অৰ্থত ব্যৱহৃত হৈছিল। নৰকৰ পুত্ৰেক ভগদত্তকো মহাভাৰতত "ম্লেচ্ছ" বোলা হৈছে, পাৰ্ব্বত্য জাতিসকলকো ম্লেচ্ছ কোৱা হৈছে, এনেকি গ্ৰীক (যৱন) সকলকো "ম্লেচ্ছ" বোলা হৈছে। অবৈদিক আচৰণকাৰী আৰু অসংস্কৃত ভাষাভাষী মাত্ৰকেই ম্লেচ্ছ বোলা হৈছিল বুলি অনুমান হয়।

শালস্তম্ভ বড়োজাতিৰ মানুহ হব পাৰে, কিন্তু মাথোন 'ম্লেচ্ছ' শব্দ দেখিয়েই সেই সিদ্ধান্তলৈ যোৱা উচিত নহব। সেই সময়ৰ দেশৰ ৰাজনৈতিক অৱস্থা বিবেচনা কৰি শালস্তম্ভক বড়ো জাতিৰ মানুহ বুলি অনুমান কৰাৰ কাৰণ থকা বৰ সম্ভৱ। বৰ্ম্মন বংশৰ শেষ ৰজা অৱন্তী বৰ্ম্মাৰ সময়ত ম্লেচ্ছ বিদ্ৰোহ হৈছিল বুলি কবি বিশাখ দত্তই "মুদ্ৰা-ৰাক্ষস" নাটকত লিখিছে। অৱন্তী বৰ্ম্মাক বৰাহ-বংশৰ ৰজা বোলা হৈছে; ম্লেচ্ছক বৰাহী কোৱা নাই।

শালস্তম্ভ বংশৰ পিছত পালবংশীয় ৰজাসকলে কামৰূপত ৰাজত্ব কৰে। এওঁলোকে নিজক



আগৰ বৰ্ম্মন্‌বংশৰ তথা নৰকাসুৰৰ বংশৰ মানুহ বুলি পৰিচয় দিছিল। বঙ্গদেশতো প্ৰায় একে সময়তেই পাল ৰজাসকল আছিল; সেই কাৰণে কামৰূপীয় ৰজাসকলক আধুনিক বুৰঞ্জীবিদ্‌সকলে "ভৌমপাল" বুলি পৰিচয় দিয়ে। ভৌম শব্দৰ অৰ্থ ভূমিদেৱীৰ গৰ্ভজাত। এই বংশৰ ৰজাসকলৰ যি তামৰ ফলি পোৱা হৈছে তাত দেখা যায় প্ৰথম ভাগৰ ৰজা ৰত্নপালে নিজৰ নামৰ আগত "পৰমমাহেশ্বৰ," "পৰমভট্টাৰক" পদৱী ব্যৱহাৰ কৰিছে, কিন্তু শেষভাগত ইন্দ্ৰপাল আৰু ধৰ্ম্মপাল নামৰ দুয়োজন ৰজাই "বাৰাহ" "শ্ৰীবাৰাহ," এই অতিৰিক্ত খিতাপটো ব্যৱহাৰ কৰিছিল। ৰজাৰ নামৰ আগতে 'বৰাহ' বাচক শব্দৰ ব্যৱহাৰ এয়েই প্ৰথম।

ধৰ্ম্মপালৰ পুষ্পভদ্ৰালিপিত তেওঁৰ ৰাজধানীৰ নাম "কামৰূপ নগৰ" লিখা হৈছে; আগৰ ৰজা-সকলৰ ফলিত ৰাজধানী "দুৰ্জ্জয়া নগৰ" আছিল বুলি লিখা হৈছিল। ইয়াৰপৰা অনুমান কৰা হয়, ধৰ্ম্মপালে নতুন ঠাইত এখন নগৰ পাতি তাৰ নাম "কামৰূপ নগৰ" ৰাখিছিল, আৰু পিছতে কামৰূপ নগৰ বা কামৰূপপুৰ—বৰ্ত্তমানৰ কামপুৰ হৈছেগৈ। নগাঁও জিলাৰ কপিলী উপত্যকাত কামপুৰৰ ওচৰত নাৰিকলি, খিলানী, চাঙচৌকী, কাৱৈমাৰী গাঁৱত প্ৰাচীন কালৰ অলেখ ধ্বংস-কীৰ্ত্তিৰ মাজত খৃষ্টাব্দৰ একাদশ দ্বাদশ শতিকাৰ ভাস্কৰ্য্যৰ নিদৰ্শন আছে। কাৱৈমাৰীৰ ধ্বংস-কীৰ্ত্তিৰ মাজত মন্দিৰৰ দুৱাৰদলিৰ খুটাৰ ওপৰত পদুমকলিৰ ওপৰত এটা গাহৰি আৰু তেনেদৰে আন এটা হাতীৰ শিলৰ মূৰ্ত্তি পোৱা হৈছে। কালিকা পুৰাণত হোজাই অঞ্চলত যোগীজানৰ পূব পিনে "বৰাসনপুৰ" নামৰ এখন নগৰ থকাৰ কথা লিখা আছে। প্ৰাচীন ভাস্কৰ্য্য আৰু ধ্বংসাৱশেষ বিচাৰ কৰি অনুমান হয় বৰ্ত্তমান 'মউডঙা' সেই কালৰ 'বৰাসনপুৰ'।

পালবংশৰ শেষৰজা তিঙ্গদেৱৰ (১১২৫—১১৩১ খৃষ্টাব্দ) পতনৰ পিছত বঙ্গদেশৰ ৰামপালৰ সেনাপতি বৈদ্যদেৱ কামৰূপ ৰাজ্যৰ ৰজা হয়, আৰু তেওঁ পূব অঞ্চল এৰি দি গুৱাহাটীৰ পছিমে বেতনতে এখন নগৰ পাতে আৰু পিছত কমতাপুৰ ৰাজ্য স্থাপন কৰে। সেই সময়ত পূব অঞ্চলত নানা বংশৰ আৰু নানা জাতিৰ ৰাজকোঁৱৰ বা শক্তিমন্ত ৰাজবিষয়াই ঠায়ে ঠায়ে স্বাধীন ৰাজ্য স্থাপন কৰিছিল। কপিলী উপত্যকাত সেই সময়ত পূৰ্ব্বৰ পালবংশীয় ৰাজকোঁৱৰসকলে ঠায়ে ঠায়ে সৰু সৰু ৰাজ্য পাতি কথমপি স্বাধীনতা ৰক্ষা কৰি আছিল। ডবকাৰ ওচৰত গাছতল নামৰ ঠাইত প্ৰাচীন মন্দিৰৰ অনেক ধ্বংসাৱশেষ পোৱা গৈছে, তাতে এটা সুন্দৰ শিৱলিঙ্গও আছে। মন্দিৰৰ দুৱাৰদলিৰ খুটাত পুৰণি কলিয়া গুপ্ত আখৰৰ নিচিনা আখৰেৰে লিখা আছে ১১৪৫ শকত (১২২৩ খৃষ্টাব্দত) ৰজা বিশ্বসুন্দৰৰ আদেশত বৃষভবাহনৰ এই মন্দিৰ সজোৱা হৈছিল। এই ফলিখন বৰ্ত্তমানে অসম প্ৰাদেশিক মিউজিয়মত আছে।

কেইবছৰ মানৰ আগতে কামৰূপ অনুসন্ধান সমিতিয়ে নগাঁৱৰ লঙ্কা অঞ্চলৰ নীল বাগানৰপৰা (ডবকাৰ ওচৰতে) এখন শিলালিপি সংগ্ৰহ কৰিছিল। শিলছটাৰ দুই ফালে দুইৰকম আখৰেৰে দুইখন ফলি লিখা হৈছে। এখন ফলিৰ তলত অপৈণত শিল্পীৰ দ্বাৰা এটা মেষ আৰু এটা গাহৰিৰ

চিত্ৰ অঁকা আছে। এই ফলি দুখনৰ পাঠ ইমান দিন উদ্ধাৰ হোৱা নাছিল। চিত্ৰদুটাৰ এটা গাধ আৰু এটা গাহৰি অনুমান কৰি কোনো গৱেষকে অনেক কাল্পনিক অদ্ভুত কাহিনীৰ কথা প্ৰচাৰ কৰিছিল।

প্ৰথম ফলিখন খৃষ্টাব্দৰ একাদশ-দ্বাদশ শতিকাৰ প্ৰাচীন গুপ্ত আখৰৰ অনুৰূপ আখৰেৰে লিখা। আখৰবোৰ এনে বিকৃত হৈ গৈছে যে তাৰ পাঠ উদ্ধাৰ কৰা অসম্ভৱ। ৺হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই ইয়াত 'মহামাণিক' শব্দ এটা পঢ়িব পাৰিছিল বুলি তেওঁ লিখি গৈছে, কোনোৱাই 'সন্ধ্যাৰাম' শব্দ এটা পঢ়িছে বুলি শুনা যায়। অনেক চেষ্টা কৰি বৰ্ত্তমানে এই ফলিৰ যি পাঠোদ্ধাৰ কৰা হৈছে তাতে তেনে বিধৰ শব্দ পোৱা নগল। "ং ওঁ স্বস্তি × × × শ্ৰীশ্ৰীবিষ্ণু শুভায়ায়মস্ত ৰাজ × বিষ্ণু সাৰঙ্গ গধা ধাৰণ-নাথৰ শ্ৰী × × × বিবিধ গ্ৰাম × ×" এই-খিনি মাথোন পঢ়া হৈছে।

দ্বিতীয়খন ফলি আধুনিক দেৱনাগৰী আখৰেৰে লিখা। এই ফলিৰ পাঠ প্ৰায় উদ্ধাৰ হৈছে :— "শ্ৰীমদকোকভদ্ৰ ৰাজ × × অশ্বধাৰক লকা স্থাপনক মেষাধ্যকা শূকৰীচাৰিণ্য শ্ৰীৰামদেৱ ৰাৱণ দাস দ্বিজছ্বৰা স্বৰ্ণাঙ্গদাস্থ মেধাবিন্যস্তাপ্যন্ত শালবনাগতা।"

অনুমান হয়, এই বিশ্বসুন্দৰ কোকভদ্ৰ আদি ৰজা আগৰ ভৌমপাল বংশৰ মানুহ আৰু পূৰ্ব্বৰ ৰজাসকলৰ নিয়ম অনুসৰি এওঁলোক 'বাৰাহ' বা 'শ্ৰীবাৰাহ' বুলি পৰিচিত হৈছিল। তাৰ পিছত আৰু কছাৰী ৰজাই এই অঞ্চলত ৰাজ্য-বিস্তাৰ কৰাৰ আগত কেই শতাব্দী ধৰি এই অঞ্চলৰ কোনো বিৱৰণ পোৱা নাযায়। মাথোন পদ্মনাভ নামৰ এজন শেষ ৰজাৰ নাম শুনা যায়। পদ্মনাভৰ পুতেক কভাৰে ওচৰৰ কছাৰী ৰজা[ৰ] জীয়েকক বিয়া কৰাইছিল। পিছত ৰংপুৰ অঞ্চল[ৰ] ধৰ্ম্মপাল নামৰ এজন ৰজাৰ লগত যুদ্ধত তেওঁ[ৰ] মৃত্যু হয়। কভাৰৰ পুতেক কাঞ্চপে ৰাজ্য এৰি কিছুমান সঙ্গী লগত লৈ পছিম পিনে গৈ গাৰো পৰ্ব্বতৰ দাঁতিত কালো নদীৰ পাৰত এখন ৰাজ্য পাতে আৰু ৰাজধানীৰ নাম কাঞ্চপনগৰ ৰাখে। গুৱালপাৰাৰ দক্ষিণ আৰু গাৰো পৰ্ব্বতৰ দক্ষিণ-পছিম অঞ্চলত কালো আৰু জিঞ্জিৰাম নৈ[ৰ] উপত্যকাত ফুলবাৰী, বেলবাৰী, ৰাণীৰ ভিটা আদি ঠাইত এই বংশৰ অনেক মঠ-মন্দিৰ আৰু গড়-পুখুৰী আদিৰ ধ্বংসাৱশেষ পৰি আছে। ভাস্কৰ্য্যৰ বিচাৰ কৰিলে এইবোৰ পোন্ধৰ-ষোল-সোঁতৰ শতিকাৰ কীৰ্ত্তি বুলি অনুমান হয়।

গতিকে অনুমান কৰা যায় কপিলী উপত্যকা[ত] কছাৰী ৰজাৰ প্ৰাধান্য হোৱাৰ আগতে সেই অঞ্চলত পূৰ্ব্বৰ পালবংশৰ 'বাৰাহ' ৰজাসকলে ৰাজত্ব কৰি আছিল আৰু তাৰেই এজনৰ নাম আছিল 'শ্ৰীমহামাণিক্য'। তেওঁৰ পৃষ্ঠপোষকতা[ত] মাধৱ কন্দলিয়ে ৰামায়ণ ৰচনা কৰিছিল। সেই কাৰণে মাধৱ কন্দলিৰ সময় চতুৰ্দ্দশ শতিকাৰ মাজভাগত নহৈ ত্ৰয়োদশ শতিকাত হব বুলি অনুমান হয়। বিশ্বসুন্দৰৰ পিছতেই মহামাণিক্য ৰজা আছিল বুলি অনুমান হয়।

সেই সময়ত সেই অঞ্চলত শিক্ষিত ব্ৰাহ্মণ থকাৰ এটা প্ৰমাণ পোৱা যায়। ষোড়শ শতিকাৰ কবি শ্ৰীচন্দ্ৰভাৰতীয়ে নিজৰ পৰিচয় দিওঁতে লিখিছে যে তেওঁৰ পূৰ্ব্বপুৰুষসকল আগেয়ে



ৰৌতাত আছিল। ৰৌতা মঙ্গলদৈ মহকুমাৰ এখন ঠাই। ষোল শতিকাত তাতে এখন নগৰ আছিল আৰু ভ্ৰমৰীকুণ্ড বুলি এখন তীৰ্থ আছিল। এই তীৰ্থত স্নান কৰিবলৈ আহি কোচ আৰু আহোমৰ সৈন্যৰ মাজত এটা বিবাদ হৈছিল ; এই কথা চিলাৰায়ৰ জীৱনীত পোৱা যায়। এই ৰৌতাত অনেক ব্ৰা[হ্ম]ণৰ বাস আছিল। কপিলী গঙ্গাৰ পাৰত দিঘিকাধণ্ডকা ( অইন মতে দিহিঙ্গা বন্ধ ) গাঁৱতো অনেক সদ্ ব্ৰাহ্মণ আছিল। এই গাঁৱৰ ৰাণীঠাকুৰৰ পুতেক ধ্বজঠাকুৰে ৰৌতাৰ চন্দ্ৰ কন্দলিৰ কন্যা বনমালাক চপনীয়া হৈ বিয়া কৰাইছিল। ৰৌতা ভাগি যোৱাৰ পিছত ধ্বজ-ঠাকুৰ ( পিছত বস্তুভাৰতী বুলি জনাজাত ) হাজোলৈ গৈছিল ; তাতে হৰিচৰণ নামৰ এজন পুত্ৰ হয়। এৱেঁই পিছত শ্ৰীচন্দ্ৰভাৰতী নামে জনাজাত হয়। ইয়াৰপৰা বুজা যায়, কপিলী উপত্যকাত সেই কালতে অনেক শিক্ষিত আৰু পণ্ডিত ব্ৰাহ্মণৰ বাস আছিল।

নগাঁৱৰ কন্দলি মৌজাৰ এখন ঠাইত মাধৱ কন্দলিৰ বাৰী আছিল বুলি দেখুওৱা হয়। তাতে বৰ্ত্তমানে এটা সৰু ঘৰ সাজি এছটা শিল ৰাখি মাজে-সময়ে কীৰ্ত্তনাদি কৰা হয়। এই ঠাই-ডোখৰ বিশ্বসুন্দৰ ৰজাৰ বৃষভবাহনৰ মন্দিৰৰপৰা আজিকালিৰ ছৰকাৰী আলিয়েদি ৩ঠৰ মাইল মাথোন, আৰু আগৰ দিনৰ পৰ্ব্বতীয়া বাটেদি দহ মাইল মাথোন। কন্দলি মৌজাতো প্ৰাচীন কালৰ অনেক দেৱ-দেৱীৰ মূৰ্ত্তি পোৱা গৈছে। একাদশ-দ্বাদশ শতিকাত এই অঞ্চল কদলি বা কন্দলি ৰাজ্য বুলি এখন সৰু সামন্ত ৰাজ্যৰূপে আছিল, আৰু তাৰ অধিবাসীকো কদলি বা কন্দলি বোলা হৈছিল। অনুমান হয় ইয়াৰ পৰাই অনেক ব্ৰাহ্মণ ৰৌতালৈ গৈছিল। কন্দলিৰ ব্ৰাহ্মণ পাণ্ডিত্যৰ কাৰণে বিখ্যাত বুলি পিছৰ যুগত তৰ্কশাস্ত্ৰত পাৰ্গত পণ্ডিতক "কন্দলি" উপাধি দিয়া হৈছিল বুলি অনুমান হয়—"তৰ্কত লভিলা নাম অনন্ত কন্দলি।"

ইয়াৰপৰা অনুমান কৰিব পাৰি, মাধৱ কন্দলিৰ ঘৰ নগাঁৱৰ কন্দলি মৌজাত আছিল ; আৰু তেওঁৰ পৃষ্ঠপোষক বাৰাহ ৰজা ( বৰাহ নহয় ; পুথি নকলকাৰকৰ দোষত বাৰাহ বৰাহ হৈছে ) শ্ৰীমহামাণিক্য প্ৰাচীন কামৰূপৰ ভৌমপাল বংশৰ এজন ৰাজকোঁৱৰ।

শ্ৰীৰাজমোহনাথ বি-ই

## "শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বৰগীত" সমালোচনা

বন্ধুবৰ শ্ৰীযুত ৰাজমোহন নাথ বি-ই এক্‌জি-কিউটিভ ইঞ্জিনিয়াৰ সম্পাদিত "শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বৰগীত" পুস্তিকা এখনি পাই তেখেতৰ শলাগ লৈছোঁ। পুথিখনিৰ টীকা লিখাত সম্পাদকদেৱ নিশ্চয় কৃতকাৰ্য্য হৈছে আৰু তাত তেওঁৰ পাণ্ডিত্য প্ৰকাশ পাইছে। ব[...] বাস্তৱিকে সোণৰ সংগীত ( golden numbers ) বা বৈকুণ্ঠৰ গীত ( Songs Celestial) বুলিব পাৰি। তাত কেৱল গীত, ৰাগ, ছন্দ আদিৰ যে মাধুৰ্য্য আছে এনে নহয়, গভীৰ, দাৰ্শনিক আৰু আধ্যাত্মিক তত্ত্বও নিহিত আছে। এই বৰগীতখনিত শ্ৰীশঙ্কৰদেৱৰ ধৰ্ম্মমত— যেনে, বেদান্তৰ অদ্বৈতবাদ, গীতাৰ একশৰণ, ভাগৱতৰ নামধৰ্ম্ম, মায়া আৰু তাৰ প্ৰভাৱ আদি বহুত তত্ত্ব লুকাই আছে। শ্ৰীশঙ্কৰদেৱৰ ভক্তিৰ মূল উৎস শ্ৰীকৃষ্ণ, আৰু সেইদেখি "যাদৱ" আৰু "জল-নিধি জা-ধৰ" ( = বিষ্ণু ) একে বস্তু আৰু স্বয়ং ভগৱান বুলি বৰগীত আৰম্ভ কৰা হৈছে। সেই-বোৰ বিষয় আৰু গীত, ৰাগ, ছন্দ আদিৰ বিশেষৰ

সম্পাদকে বিশ্লেষণ কৰি দেখুৱাবলৈ চেষ্টা কৰা নাই আৰু তেনে কৰিলে পুস্তিকাৰ কলেৱৰ বহুত বাঢ়িব বুলিয়ে বোধকৰোঁ। এই কাকতৰ অনাটনৰ দিনত তেখেতে পুস্তিকাখনি সংক্ষিপ্ত কৰিবলৈ বাধ্য হৈছে। কিন্তু এনে বিষয়বোৰৰ আলোচনাৰ পৰা বিৰত থাকিলেও তেখেতে মন্তব্য স্বৰূপে আন দুই এটি কথা লিখিছে। তাৰ কথা পিছত কম।

বৰগীত অসমীয়া সাহিত্যৰ অমূল্য বস্তু। সহজ কথাত ওখ দাৰ্শনিক তত্ত্ব প্ৰকাশ, ভাষাৰ লালিত্য, শব্দৰ অৰ্থ-গৌৰৱ আৰু গীতৰ অমিয়া মাধুৰীয়ে বৰগীতবোৰক অসমীয়া সাহিত্যৰ শিৰোমণি কৰি ৰাখিছে। অৰ্থ সুস্পষ্ট কৰিবলৈ সম্পাদকে বিদ্যাপতি, তুলসীদাস, ভাগৱৎ আদি গ্ৰন্থৰ পৰা - ৰাক্য তুলি দিয়াত পুস্তিকাখনি উপাদেয় হৈছে। কিন্তু এটি কথাত আসোঁৱাহ ৰ'ল। সম্পাদকদেৱে স্বীকাৰ কৰিছে যে তেখেতে মূল পুথি বৰ্ণবিন্যাস পৰিবৰ্ত্তিত কৰি "আধুনিক আখৰৰ জোটনি মতে" শুদ্ধ কৰি পুথিখনি ছপাইছে। তেখেতে তেনে কৰাৰ যি যুক্তি দিছে তাক সকলোৱে মানি লবলৈ টান পাব। বৰগীতৰ ভাষা সংস্কৃত নহয়, প্ৰাকৃতো নহয়, বৰ্ত্তমান অসমীয়াও নহয়। তাৰ ভাষা ব্ৰজাৱলী। তেনে স্থলত সংস্কৃত বা আধুনিক বৰ্ণবিন্যাস দিয়াৰ যুক্তি ক'ত? মিথিলা, বঙ্গদেশ, বৃন্দাবন, উৰিষ্যা আদি ঠাইৰ ব্ৰজাৱলী পদাৱলীতো বৰগীতৰ মূল পুথিবোৰৰ নিচিনাহে বৰ্ণবিন্যাস দেখিবলৈ পোৱা যায়। অৱশ্যে স্থানীয় উচ্চাৰণ ভেদে যিবিলাক ঠাইৰ বৰ্ণবিন্যাস অসমৰ বৰ্ণবিন্যাসতকৈ দুই এঠাইত অলপ অমিল হব পাৰে আৰু সি স্বাভাৱিক।

কিন্তু সিবিলাকতো সংস্কৃত বৰ্ণবিন্যাস ৰক্ষি হোৱা নাই। অসমীয়া সাঁচিপতীয়া পুথিবোৰত কৰবাত বৰ্ণবিন্যাসৰ অলপ-অচৰপ অমিল থাকিলেও সাধাৰণতে এটা সামঞ্জস্য আৰু মিল আছে পুথিৰ শেষত প্ৰায়ে পোৱা যায়—"যথা দৃষ্টং তথা লিখিতং"। সকলো লিপিকাৰেই মূৰ্খ আছি এনে ভবা ভুল। ইফালে উচ্চাৰণ, গীতৰ মাত্ৰা আৰু ছন্দ একেবাৰে পৰিত্যাগ কৰি আধুনিক বৰ্ণবিন্যাস মতে পুথি 'শুদ্ধ' কৰিলে গীতৰ মূল আৰু ভাষাৰ বুৰঞ্জীৰ আঁত হেৰায়।

সম্পাদকে দিয়া অৰ্থ আমি অশুদ্ধ বুলি নোৱাৰোঁ, কিন্তু কোনো কোনো ঠাইত আন অৰ্থ হব পাৰে; যেনে,—

**প্ৰথম গীত।** (ক) "শ্ৰুত মাত্ৰাখিলত্ৰাতা।" সম্পাদকৰ অৰ্থ—"মাত্ৰাসহ সম্পূৰ্ণ সমুদায় বেদ উদ্ধাৰ কৰোতা।" আন অৰ্থ—"বেদকে আদি কৰি সকলোৰে উদ্ধাৰ কৰোতা।" ইয়াত "মাত্ৰ" এটা প্ৰত্যয় আৰু তাৰ অৰ্থ পৰ্য্যন্ত অৱধি (reaching as far as)। শব্দৰ পাছত এই প্ৰত্যয় যোগ হলে ই "মাত্ৰ" বা "মাত্ৰা" হয়, যেনে "শ্ৰুতমাত্ৰ" বা "শ্ৰুতমাত্ৰ" (= reaching as far as the Vedas): শ্ৰুত = বেদ। cf "হত্বাহয়গ্ৰীৱঃ বেদান্ প্ৰত্যাহৰদ্ধৰিঃ।"—ভাগৱৎ ৮।২৪ ৫৭ ইয়াত—"শুনা মাত্ৰে সকলোকে ত্ৰাণ কৰোতা"—এনে অৰ্থ নহয়, কিয়নো 'শ্ৰুতমাত্ৰে' এই কথাই "জাদৰ'ৰ সুবুদ্ধায় আৰু তেনে অৱস্থাত "শ্ৰুতমাত্ৰ" আৰু 'অখিলত্ৰাতা" যোগ হৈ ভগবানক বুজাব নোৱাৰে।

(খ) "ভকতি মুকুতি পদ দাতা"।—কেইবাখন পুথিত আমি "ভুকুতি" আৰু "ভকত" পাঠান্তৰ পাইছোঁ। ভুকুতি = স-ভুক্তি, ভোগ (সুখ)। অৱশ্যে তিনিওটা শব্দই শুদ্ধ। কিন্তু ইয়াত "ভুকুতি" পদেই উপযোগী বুলি বিশ্বাস হয়। উদাহৰণ,—

"ভুগুতি-মুকুতি দাতা"।- বিদ্যাপতি, হ, গৌ ১০।
"সোহি জগতগুৰু গোপিনী পিয়াৰী।
ভুকুতি মুকুতি নিত কৰতু তোহাৰি॥"—শঙ্কৰ।



"মিলাৱত মুকুতি কংসকহি সুখী।
ভকতি মাগো হামু বৰ দুখী॥"—শঙ্কৰ।
"জয় জয় যাদৱ; দৈত্য পৰাভৱ:—কাৰী মাধৱ।
ভকত জনক যো মুকুতি সাধব॥"—শঙ্কৰ

(গ) মহাদানন্দ কন্দ"। সম্পাদকৰ অৰ্থ—"সাধু সন্তসকলৰ আনন্দৰ মূল বা উৎস।"

আন অৰ্থ—"যেনে মহা আনন্দৰ মূল বা অধিপতি (Lord of infinite bliss)"। শতপথ ব্ৰাহ্মণৰ যি আনন্দ ("আনন্দ এৱাস্য বিজ্ঞানমাত্মানন্দাত্মনো হৈৱং সৰ্বে দেৱাঃ।") তাৰ মূল = Lord of Supreme bliss = ব্ৰহ্ম (ভগবান)। অথবা উপনিষদৰ সৎ, চিৎ, আনন্দ (= all existence, all knowledge, all joy) ৰ যি আনন্দ সেয়ে) "মহদানন্দ"; তাৰ মূল = ব্ৰহ্ম (ভগবান)।

টোকা—"মহদানন্দ" আৰু "কন্দ পৰমানন্দ" পাঠ কৰিলে উপনিষদৰ "আনন্দ" আৰু "মূল পৰম আনন্দ" (root of supreme bliss) অৰ্থ হব।

**দ্বিতীয় গীত।**—(ক) "মকৰ কুণ্ডল গণ্ড মণ্ডিত খণ্ডিত চান্দ কচি স্মিত হাসা।"

সম্পাদকৰ অৰ্থ—"মকৰ কুণ্ডল মণ্ডিত গণ্ড—খণ্ডিত (পূৰ্ণচন্দ্ৰ নহয়) চন্দ্ৰৰ কচিৰ নিচিনা শুভ্ৰ হাঁহিৰ দ্বাৰা শোভিত।"

আন অৰ্থ—"মকৰ-কুণ্ডল ভূষিত গালে চন্দ্ৰৰ উজ্জ্বল দীপ্তিক নিন্দিছে বা চেৰ পেলাইছে (মুখত) মিচিকিয়া হাঁহি।"

অথবা (২) "মকৰ কুণ্ডল ভূষিত গাল: মিচিকিয়া হাঁহিয়ে চন্দ্ৰৰ দীপ্তিক চেৰ পেলাইছে।" খণ্ডিত = নিন্দিত, বিনষ্ট (belied, annihilated): কচি = দীপ্তি, আভা কিৰণ: স্মিত = মিচিকিয়া। cf 'মঞ্জু ভ্ৰভঙ্গ, সুস্মিত সুন্দৰ, বদন বিনিন্দিত চান্দা"—শঙ্কৰ।

(খ) "কেয়ূৰ ভুজমহ মোতিম্ হাৰ।" সম্পাদকৰ অৰ্থ—"ভুজ বাজুপাত: বুকুত মুক্তাৰ হাৰ।" আন অৰ্থ—"ভুজৰ মাজত বাজু: মুক্তাৰ হাৰ"।

কেয়ূৰ = বাজু: মহ = মাজত। 'মহ" বিশেষ্যৰ আগত নবহে, পিছতহে যুক্ত হয়। cf "অখিল ভুবন মহ দুহু বৰ নাৰী"—বিদ্যাপতি। কালিন্দি-জল-মহ খেলে যদুৰায়।—শঙ্কৰ।"

(গ) "লীলা বিনোদী।"
সম্পাদকৰ অৰ্থ 'যি জনে লীলা কৰিয়েই আনন্দ পায়।

আন অৰ্থ—"আনন্দ-পূৰ্ণ লীলাৰ (শঙ্খ, গদা, চক্ৰ)। ইয়াত "লীলা-বিনোদী" বাক্য—"কম্বু, কৌমুদী আৰু চক্ৰৰ বিশেষণ। এই গীতত ভগৱানৰ ৰূপ আৰু ভূষণ বৰ্ণিত হৈছে, তেওঁৰ শক্তি বা উপাধি নহয়।

**তৃতীয় গীত**—(ক) "শুন শুন, ৰে সুৰ বৈৰী প্ৰমাণা, নিশাচৰ নাশ-নিদানা"। সম্পাদকৰ অৰ্থ—"সভাসদসকলক মাতি কোৱা হৈছে—তোমালোকে শুনা দেৱতাসকলৰ শত্ৰু-নাশকাৰী ৰাক্ষসকুলৰ ধ্বংসকাৰী (ৰামচন্দ্ৰ)।" ("সুৰ বৈৰী প্ৰমাণা"—"দেৱতাসকলৰ শত্ৰুনাশকাৰী = ৰাম": প্ৰমাণা-নাশকাৰী; "নিশাচৰ নাশ-নিদানা"—"ৰাক্ষস কুল ধ্বংসৰ মূল কাৰণ = ৰাম"।)

— আন অৰ্থ—ৰাৱণক সম্বোধন কৰি কোৱা হৈছে,—হে দেৱতাসকলৰ প্ৰধান শত্ৰু! হে নাশৰ প্ৰথম কাৰণ নিশাচৰ! (অৰ্থাৎ হে ৰাৱণ!) শুন"। (প্ৰমাণা = প্ৰমাণ, : প্ৰধান "নিশাচৰ নাশ নিদানা" = নাশৰ প্ৰথম কাৰণ নিশাচৰ (ৰাৱণ)": নিদান = নিদান প্ৰথম কাৰণ)

(খ) "ৰাম নাম যম সমৰক সাজি"। সম্পাদকৰ অৰ্থ—"যাৰ নাম ৰাম (তেওঁ) যম সদৃশ ভয়ঙ্কৰ যুদ্ধ সাজি)।" আন অৰ্থ—"ৰাম নামেৰে যমে যুদ্ধক সাজি"। (ৰাম নাম যম = ৰাম নামেৰে যম: ৰামেই যম; যম সমৰ নহয়)।

(গ) "পয়ানা,"—"কয়লি পয়ানা।" সম্পাদকৰ অৰ্থ—"পয়ানা" = পোনে পোনে যোৱা, প্ৰস্থান, গমন।"
"কয়লি পয়ানা"—"যাব ধৰিছে।"
আন অৰ্থ—"পয়ানা = স প্ৰয়াণ, যাত্ৰা, প্ৰস্থানৰ আৰম্ভ, যুদ্ধ-যাত্ৰা।" = (setting out, starting departure, a march of an enemy.) "কয়লি পয়ানা = যুদ্ধ যাত্ৰা কৰিছে।

**চতুৰ্থ গীত।**—"মেৰি পামৰ মন, মাধৱ ঘনাঘন ঘাতুক পাপ ন ছোৰা।" সম্পাদকৰ অৰ্থ—"হে মাধৱ! মোৰ পামৰ মন ঘনাঘন অৰ্থাৎ মত্ত হাতীৰ নিচিনা দুৰ্দ্দমনীয়: ই মনক ঘাতুক পাপ সদায় নাছোৰা (নেৰে)।" আন অৰ্থ—"হে মাধৱ মোৰ পাপৰ মনে ঘনে ঘনে (সদাই) ঘাতুক পাপক নেৰে।"—ইয়াত পাঠান্তৰ—"ঘন ঘন" আৰু "ঘনে ঘন" = সদয়। "ঘনাঘন" কৰিলে তাৰ অৰ্থ = "ঘাতুক ঘাতুক পাপ" হয় অৰ্থাৎ দ্বিৰুক্তি দোষ হয়।

**পঞ্চমী গীত।**—"বিষয় বিকাস পাশ ছান্দি, ইন্দ্ৰিয় মোহি ওহি লুটে বাটোৱাৰী"।
সম্পাদকৰ অৰ্থ—"ইন্দ্ৰিয়বিলাকে বিষয় ভোগ ৰূপ জাল পাতি মোক ডোখৰ-ডোখৰকৈ ভাগ কৰি লুটে।" অথবা "বিষয়-বিলাসে ছেগ চাই জাল মেৰাই মোৰ

ইন্দ্ৰিয়বিলাকক বাটত ডকাইতি কৰিব ধৰিছে।" "( চান্দি—চেগ চাই, মেৰাই, পাতি" : "মোহি" মোক, মোৰ" : "বাটোৱাৰী—বাটত ডকাইতি কৰা, [illegible] ডোখৰ কৰি ভাগ কৰি নিয়া।" ) আন অৰ্থ—(১) "এই ইন্দ্ৰিয়বোৰে বিষয়-ভোগৰ জালেৰে আগুৰি মোক বাটপাৰী কৰি লুটে।" অথবা—(২) বিষয়-ভোগ জালে মোৰ ইন্দ্ৰিয় চৌৰক বাটত আগুৰি ধৰি লুটপাট কৰে।" ( চান্দে—স : শদ্ ( ধাতু )—আগুৰে, বিস্তাৰ কৰে, ঢাকে' : "মোহি—মোক, মোৰ :" "বাটোৱাৰি—বাটপাড়ী দিন ডকাইতি ( highway robbery. )" এনে অৰ্থ আন দুই এঠাইতো হয়।✓

আন এটি কথাত আমি আচৰিত হৈছো। সম্পাদকদেৱে পুস্তিকাখনিত এটি "বিষয় সূচী" দি গীতবোৰক জ্ঞান যোগ, ভক্তি যোগ, দাস্য, সখ্য, বাৎসল্য আৰু মধুৰ ভাৱত বিভাগ কৰিছে। এই বিভাগ তেখেতে ক'ত পালে আমি নাজানো, ই তেওঁতেৰ কল্পিত বিভাগ হব পায়। ,তাৰ কোনো ভিত্তি নাই। আমি এক কথাতে কওঁ বৰগীতবোৰ ভক্তিৰ উচ্ছ্বাস আৰু তাত দাস্য ভাৱহে প্ৰকাশ পাইছে। তাত সখ্য বা মধুৰ ভাৱ নাই। পুস্তিকাৰ ৪৮ পিঠিত সম্পাদকে লিখিছে—"চাৰলগীয়া—২৩, ২৪, ২৫, ২৬ সংখ্যা বৰগীতত শ্ৰীকৃষ্ণৰ বাল্যৰূপৰ বৰ্ণনা আছে, ব্ৰজৰ গোপ শিশুসকলে শ্ৰীকৃষ্ণৰ লগত গৰু ৰাখিছে, ৰং-ধেমালি কৰিছে, সখ্যভাৱে চলিছে। এই গীতত ( ২৫ নম্বৰত ) কোৱা হল এনেদৰে গোপ-গোপিনীসকলৰ লগত হাতে তালি বজাই থকা গৰখীয়া যশোৱানন্দন জগতৰ জীৱসকলৰ জনক : ……এনে জনক ব্ৰজৰ গোপ-গোপিনীসকলে খেলাৰ সখী পাই তেখেতৰ সেৱা কৰিছে—ই সখ্যভাৱৰ ভক্তিৰ এখন চানেকি।" কিন্তু এই গীত কেইটিত আমি কেৱল পাওঁ—(১) "গোপ শিশু সংগে চলে : শিৰে শিখণ্ডক দোলে : কৰ্ণে কুণ্ডল গণ্ড লোলে" : (২) (গোপিনী) "হৰি গুণ কহি বহি : প্ৰেমে ঝুৰয় নীৰ : শঙ্কৰ এত ৰস গাই" : (৩) "বালক গোপাল কৰত বে কেলি : উচ্চায়া পাক্কনী নাচে : হাসে গোপ মেলি" : (৪) ( যশোদানন্দন ) "নাচতু চলি : গোপ গোপিনী : হাতে তালি বজাই।" এয়ে সখ্যভাৱৰ চানেকি বুলি নিঃসন্দেহে কব নোৱাৰি। এই গীত কেইটিতো কৃষ্ণৰ দাস শঙ্কৰদেৱে কৃষ্ণৰ নেপুৰ বজা চৰণ অভিলাষ কৰে, গোপিনীসকলে বিৰহত হৰিগুণ গাই প্ৰেম-ভক্তিত চকুলো টোকা ৰস গায় হৰিৰ বিহাৰৰ কথা কয় আৰু তাৰ অন্তৰত হৰিক দেখিবলৈ কয়; সখ্যভাৱৰ কথা নকয়। আমি এই, গীত কেইটিত কেৱল প্ৰেম ভক্তিৰ কথাহে পাওঁ, সখ্যভাৱৰ ভক্তিৰ চানেকি নাপাওঁ। এই কথা শ্ৰীশঙ্কৰদেৱে কালিদমন নাটত স্পষ্ট কৰিছে। তাত আছে :—

"ঐ ন লিলা কৌতুক নৃত্য কৰিতে : গোপাল সহিতে : সিসুসব কালিন্দি হ্ৰদক সমিপ পাওল : সে বিসময় পানি নজানি : পৰম পিপাসে পিড়িত হয়া : সবহু হ্ৰদক জল : উদৰ ভৰি পান কয়ল। ততকাল স্বৰ্গৰ বিসজ্বালা লাগিয়ে : চেতন হৰল : সবিৰ কম্পি কম্পি প্ৰাণ ছাড়ি : বৎস বৎসপালসব : কালিন্দি তবে পৰল।

*শ্লোক ॥ বৎসকান্ বালকান্ কৃষ্ণ বিলোক্য মৃতকান্ তদা।
চকাৰ প্ৰচুৰং প্ৰেমমৃতং ভক্ত বৎসলঃ ॥ ………
কৃষ্ণস্যামৃত দৃষ্ট্যালং লব্ধপ্ৰাণাঃ কুমাৰকাঃ।
প্ৰীতাস্তে চৰণৌ প্ৰেমৃথ্যা স্বপ্নাৎ সমুত্থিতাঃ ॥……

"অন্তে অন্তে কহৈছে,—আহে সখিসব : দেখো ওহি বিসজল পানে প্ৰাণ ছাড়ি মৰল : কৃষ্ণপ্ৰসাদে পুনৰ্ব্বাৰ বৰ্ত্তল। "সুত্ৰ ওহি বোলি পৰম পৃত্তি হয়া : কৃষ্ণক চৰণে প্ৰণাম কয় বোলল।—"আহে স্বামি : ওহি বিষ পানি পিয়ে : প্ৰাণে মৰল হামি : তোহাক প্ৰসাদে পুনৰ্ব্বাৰ উপজল : তোহাৰি চৰণ-সেৱাক মহিমা কি কহব স্বামি।"

আকৌ হৰবাৰি দেখি "গোপ-গোপি" আৰু শিশুসবে ভয়তে গাইছিল :—

"কমল নয়ন এ ব্ৰজ জিৱন তোৰে ভূতাসৱে-ডাকৌ ॥"

ই নিশ্চয় সখ্যভাৱ নহয়।

বিষয় সূচীত ২৭-৩৪ গীত "মধুৰ" বুলি নিৰ্দ্দেশ কৰিছে আৰু পুস্তিকাৰ ৫৪ পিঠিত আছে "ৰস—এনে ভাৱৰ বিৰহৰ গীতত মহাপুৰুষ শঙ্কৰদেৱে 'ৰস' শব্দটো ব্যৱহাৰ কৰিছে, ই মন কৰিব লগীয়া। কান্তৰ বিৰহত প্ৰেমিকাৰ ব্যাকুলতা—ভগৱন্তৰ বিৰহত ভক্তৰ অস্থিৰতা, ই ভক্তিভাৱৰ মধুৰ ৰস।" আকৌ ৫৫ পিঠিত আছে—"ইয়াৰ পৰাই বুজা যায়—বিৰহভাৱ ভক্তিৰ কেনে মধুৰ ৰস।" আমি দেখাত এই গীতকেইটা তাত বিদ্যাপতি চণ্ডিদাস, শ্ৰীচৈতন্যদেৱৰ আদি কবি আৰু ধৰ্ম্ম-প্ৰচাৰকসকলৰ "মধুৰ" ভাৱ নাই। এই গীত কেইটা গোপী উদ্ধৱ সম্বাদৰ গীত আৰু গোপালদেৱৰ 'উদ্ধৱ জ্ঞান' নাটত ভুক্ত হৈছে। তাত গোপ-গোপীসকলৰ প্ৰেম ভক্তিৰ কথাহে কোৱা হৈছে, কান্তৰ বিৰহত প্ৰেমিকাৰ ব্যাকুলতাৰ কথা নাই।



পুস্তিকাৰ ৫১ পিঠিত আছে—"এই গীতটোত ( ২৭ নং গীতত ) কৃষ্ণৰ গৰখীয়া বাল্যভাৱ আঁতৰ হৈ গৈছে ;— গোপিনীসকলে এতিয়া তেওঁৰ মধুৰ মূৰতি হেৰি এনে আনন্দক দেখুৱাইছে : তেওঁৰ প্ৰতি তেওঁলোক আসক্ত হৈছে।" এইটো সম্পাদকে নিজে গঢ়া কথা বুলিব পাৰি ; গীতটিত এই কথা বিচাৰি পোৱা নাযায়। হৰিৰ "মধুৰ মুৰুতি" বাল্যকালত নাছিল এনে কথা কব নোৱাৰি। ২নং গীততো "মধুৰ মুৰুতি" বাক্য আছে : তাত ভকতৰ হৃদয়ত সেই মূৰ্ত্তি চাবলৈ কোৱা হৈছে : "আসক্তিৰ" কোনো কথাই তাত নাই। "সখি" শব্দই কেৱল গোপিনীকহে বুজায় এনে ভবাও ভুল। কেৱল "মধুৰ" ভাৱৰ সৃষ্টি কৰিবলৈ এনে কথা কোৱা হৈছে বুলি কোনো কোনোৱে অনুমান কৰিব পাৰে।

সামৰণিত সম্পাদকদেৱে লিখিছে,—"শেষগীত গোপিনীসকলৰ বিৰহৰ বিলাপ ; কিন্তু এনে অৱস্থাত কোনো গীত নাট শেষ কৰা শাস্ত্ৰৰ বিধি নহয়।" আমি নাটৰ বিষয়েহে এই কথা খাটে বুলি জানো। সম্পাদকে বোধকৰোঁ জানে যে বৰগীতবোৰ একে সময়তে বা একাদিক্ৰমে ৰচিত হোৱা নাছিল। নানা ঠাইত নানা ভাৱৰ উদয় হোৱাত ভিন ভিন ঠাইত ভিন ভিন সময়ত এটি-দুটিকৈ বৰগীত ৰচিত হৈছিল। এনে অৱস্থাত শেষ গীতত আনন্দৰ বা মিলনৰ কথা থকা সম্ভৱপৰ নহয়। সম্পাদকে আকৌ কৈছে—"গতিকে আমি বৈষ্ণৱ কবি ৺বিদ্যাপতিৰ ভাষাত মিলনৰ আশা দি আমাৰ টীকা সমাপ্ত কৰিলোঁ।"—বৰগীতত মিলনৰ আশা দিয়া আশাটোৱেই ভুল। বিদ্যাপতিৰ পদাৱলিত ৰাধা আৰু কৃষ্ণৰ বিৰহ আৰু তাৰ পিছত মিলন আছে। শ্ৰীশঙ্কৰদেৱৰ বৰগীতত ৰাধাৰ নাম-গন্ধ নাই আৰু সেইদেখি তাত ৰাধা-কৃষ্ণৰ মিলন অসম্ভৱ। ভাগৱতত নোহোৱা ৰাধা-কৃষ্ণৰ বিৰহ আৰু ভাগৱতৰ গোপী-উদ্ধৱ সম্বাদ সম্পূৰ্ণ পৃথক্। সম্পাদকে উভয়কে একে বুলি ধৰি মিলনৰ আশা দিয়া যেন অনুমান হয়। কিন্তু তেখেতে অৱশ্যে জানে যে শ্ৰীকৃষ্ণই মথুৰাৰ পৰা ব্ৰজলৈ কেতিয়াও উলটি যোৱা নাছিল আৰু উলটি যোৱাৰ আশাও দিয়া নাছিল। ব্ৰজত গোপ-গোপীসকল তেওঁৰ বিৰহত কাতৰ হোৱা জানি তেওঁলোকক সান্ত্বনা দিবলৈ আৰু তেওঁলোকৰ প্ৰেম ভক্তি বঢ়াবলৈহে তেওঁ উদ্ধৱক পঠাইছিল। সেই কথাকে বঙালী গায়কৰ ভাষাত কওঁ :—

"আৰতো ব্ৰজে যাবনা ভাই,
যেতে প্ৰাণ নাহি চায়।
ব্ৰজেৰ খেলা ফুৰিয়ে গেছে,
তাই এসেছি মথুৰায় ॥"

এনেবিলাক আসোঁৱাহ ভবিষ্যতে আঁতৰিব বুলি আশা কৰিলোঁ। শেষত কওঁ, এই বৰগীত এম্ এ পৰীক্ষাৰ পাঠ্যৰ উপযোগী। *

শ্ৰীকালিৰাম মেধি

* এই পুথিখনৰ আমি স্বকীয়া সমালোচনা এটি নিদি আমাৰ জ্ঞানবয়োবৃদ্ধ পৰম শ্ৰদ্ধেয় বন্ধু এই লেখকৰ মতকে মুলত সমৰ্থন কৰিলো। মূল আখৰ-জোটনিৰ অনুসৰণ কৰা আৰু 'বিষয়-সূচী'ত নাধদেৱে বৰগীতবোৰৰ ৰসেৰে এটা শ্ৰেণী বিভাগ কৰিবলৈ যোৱাটো আমিও সমৰ্থন কৰা নাই। শব্দবোৰৰ টোকা দিওঁতে দুই-এঠাইত অলপ খুত কৈ যোৱা যেন লাগিল। উদাহৰণৰূপে, ৮ পিঠিত "পল্লৱ—পাত" ; আমাৰ মনেৰে, কোঁহ বা কুঁহিপাত হে। ৬১ পিঠিত "সুনেহ—মধুৰ প্ৰেম, চেনেহ।" আমি ভাবোঁ সুনেহ—চেনেহ, এয়ে যথেষ্ট। ওপৰত কোৱা শ্ৰেণী-বিভাগটো সমৰ্থন কৰিবলৈ হ'বলা "মধুৰ-প্ৰেম" আজুৰি অনা গৈছে। ৫৫ পিঠিৰ টোকা—"ইয়াৰ পৰা বুজা যায় বিৰহ ভাৱ ভক্তিৰ কোন মধুৰ ৰস।" ই অবাস্তৱ বা অপ্ৰাসঙ্গিক ; "কহে কৃষ্ণ কিঙ্কৰ" কথাই এনে কল্পনা-বিলাসিতাৰ বিৰুদ্ধে "বৈৰী-প্ৰমাণ" ! মুঠতে বৰ্ত্তমানৰ সমালোচকসকলে কোৱা দৰে লেখক-সম্পাদক "groaning under the burden of his message" হব নালাগে। কিন্তু এনে দোষ নগণ্য। আমিও বিশ্বাস কৰোঁ এনে পাণ্ডিত্যপূৰ্ণভাৱে সম্পাদিত এই পুথিখনি অচিৰে এম-এৰ অসমীয়া পাঠ্য হোৱা উচিত। সম্পাদকক আমি অভিবাদন জনাওঁছক।—সঃ অঃ সাঃ সঃ পঃ